
# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী



সম্পাদক
ডেভিদ গগৈ

# চকুৰাখনা মহাবিদ্যালয় আলোচনী

( সপ্তদশ সংখ্যা ঃ ১৯৯৩-৯৪ চন )

প্ৰতি,
চকুৰাখনা মহাবিদ্যালয় "পুথি ভঁৰাল"
চকুৰাখনা মহাবিদ্যালয়।

LIBRARY

সম্পাদক ঃ
ডেভিদ গগৈ

তত্বাবধানত ঃ
ডিম্বেশ্বৰ গগৈ
ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাঁই

# উচৰ্গা

মহাবিদ্যালয়ৰ প্ৰতিজন শুভাকাংক্ষী আৰু
সাহিত্যানুৰাগীৰ হাতত এই মুখপত্ৰখনি
উচৰ্গা কৰিলোঁ।

চকুর

[illegible]

# ঢকুৱাখনা মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি

অধ্যক্ষ— শ্ৰীযুত শিৱ প্ৰসাদ গগৈ, সভাপতি

অধ্যাপক—শ্ৰীযুত ডিম্বেশ্বৰ গগৈ, তত্বাৱধায়ক, সম্পাদনা সমিতি

অধ্যাপক—শ্ৰীযুত ঈশ্বৰ প্ৰসন্ন বুঢ়াগোঁহাঞি " "

অধ্যাপক —শ্ৰীযুত দিলীপ হাতীবৰুৱা, শিক্ষক সদস্য

ডেভিদ গগৈ, সম্পাদক

তোলন গোঁহাই, সদস্য

ৰাজা দত্ত, "

মৃদুল কোঁৱৰ, "

দেৱকৃষ্ণ বৰুৱা, "

জ্যোৎস্না গগৈ, সদস্যা

ইলা বৰা, "

বেটুপাত আৰু স্কেচ্ শিল্পী : দেৱকৃষ্ণ বৰুৱা

অংগ সজ্জা ও পৰিকল্পনা ব্যৱস্থাপনা : সম্পাদক

প্ৰকাশক : সাহিত্য আৰু আলোচনী বিভাগ
ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা

ছপা : বাণীপ্ৰকাশ মুদ্ৰণী, বামুণীমৈদাম, গুৱাহাটী - ২১

# অশ্ৰু অঞ্জলি

মহাবিদ্যালয়ৰ তিনিজনকৈ ছাত্ৰ ক্ৰমে ৺দীপক চমুৱা ( স্নাতক ৩য় বৰ্ষ ), ৺কমল গগৈ ( উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক ) আৰু ৺ৰামচৰণ দাস ( স্নাতক ২য় বৰ্ষ )ৰ অকাল বিয়োগত আমি মৰ্মাহত হৈছো। সমূহ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী ও ছাত্ৰ ছাত্ৰী সকলে তেওঁলোকৰ আত্মাৰ সদ্গতি অৰ্থে শোকাশ্ৰু যচাৰ লগতে তেওঁলোকৰ শোক সন্তপ্ত পৰিয়াল কেইটিলৈ সমবেদনা জনাইছোঁ।

লগতে এই বছৰটোত মৃত্যু বৰণ কৰা প্ৰতিভাশালী সাহিত্যিক ১৯৯৮ চনৰ অসম সাহিত্য সভাৰ মৰিগাওঁ অধিবেশনৰ সভাপতি ৺ড° লীলা গগৈ, প্ৰগতিশীল কবি সমালোচক ৺ৰাম গগৈ আৰু বিশিষ্ট সাহিত্যিক সমালোচক ৺প্ৰফুল্ল দত্ত গোস্বামীৰ মৃত্যুত আমাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী ও ছাত্ৰ-ছাত্ৰীয়ে অশ্ৰু অঞ্জলি যাচিছোঁ।

# অশ্ৰু অঞ্জলি

...ছাত্ৰ ক্ৰমে ৺দীপক চমুৱা ( স্নাতক ৩য় বৰ্ষ ), ৺তপন গগৈ ( উচ্চতৰ ... ৺ৰামচৰণ দাস ( স্নাতক ২য় বৰ্ষ )ৰ অকাল বিয়োগত আমি ...লয়ৰ শিক্ষক-শিক্ষয়িত্ৰী ও ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ আত্মাৰ ...তে তেওঁলোকৰ শোক সন্তপ্ত পৰিয়াল কেইটিলৈ সমবেদনা জনাইছোঁ। ... বৰণ কৰা প্ৰথিতযশা সাহিত্যিক ১৯৯৪ চনৰ অসম সাহিত্য ...পতি ৺ড° লীলা গগৈ, প্ৰগতিশীল কবি সমালোচক ৺ৰাম গগৈ ...চক ৺প্ৰফুল্ল দত্ত গোস্বামীৰ মৃত্যুত আমাৰ মহাবিদ্যালয়ৰ সমূহ ... অশ্ৰু অঞ্জলি যাচিছোঁ।

MUKUNDA MADHAVA SHARMA,
M.A., PH. D., D.LITT. (CAL) KAVYATIRTHA
Vice-Chancellor

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM : INDIA
PH : 70239 (O)
70203 (R)

4.12.94

প্ৰতি— শ্ৰীডেভিদ গগৈ
সাহিত্য আৰু আলোচনী সম্পাদক
ঢকুৱাখনা মহাবিদ্যালয়
ঢকুৱাখানা—৭৮৭০৫৫

স্নেহাস্পদেষু,

তোমালোকৰ মহাবিদ্যালয়ৰ আলোচনীৰ সম্পাদনাৰ ভাৰ তোমাৰ ওপৰত পৰা বাবে তোমালৈ অভিনন্দন জনাইছো ।

আলোচনীৰ আগন্তুক সংখ্যাটোৱে যাতে পঢ়ুৱৈ সমাজৰ মাজলৈ শান্তি, প্ৰেম—সদিচ্ছা আদিৰ ভাৱ আৰু সজ আদৰ্শ কঢ়িয়াই আনিব পাৰে আৰু ই যাতে এটি সাৰ্থক সৃষ্টি ৰূপে স্বীকৃতি লাভ কৰিব পাৰে তাৰ বাবে পৰম আন্তৰিকতাৰে মোৰ শুভেচ্ছা জনালো ।

এই চিঠিৰেই তোমালোকৰ মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, বিষয়া কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ যথাযোগ্যভাৱে সম্ভাষণ আৰু শুভেচ্ছা জনাইছো ।

তোমালৈ সস্নেহ শুভেচ্ছাৰে। ইতি

মুকুন্দ মাধৱ শৰ্মা

# শুভেচ্ছা

চকুৱাখনা মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশৰ যো-গা চলা বুলি জানিবলৈ পাই সুখী হৈছো। আলোচনীখনত শৈক্ষিক সমস্যা, ৰাজ্যখনৰ জ্বলন্ত সমস্যা জাতীয় জীৱনৰ বিভিন্ন সমস্যাৱলীৰ লগতে মহাবিদ্যালয় খনিৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব বুলি আশা কৰিলো।

চকুৱাখনা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণ বাইকে সন্মুখীন হোৱা সমস্যাৱলীৰ সমাধানৰ বিষয়টো আলোচনীখনত বেখা পাত হ'ব বুলি আশা কৰিলো।

সমূহ শিক্ষক-শিক্ষয়ত্ৰীলৈ আন্তৰিক শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শুভেচ্ছা জনালো।

( সৰ্ব্বানন্দ সোনোৱাল )
সভাপতি
সদৌ অসম ছাত্ৰসন্থা

( সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য্য )
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰসন্থা

# সূচীপত্ৰ


| | বিষয় | | |
|---|---|---|---|
| ১। | আলোচনী সম্পাদনা সমিতি | | |
| ২। | উচৰ্গা | | |
| ৩। | অশ্ৰু অঞ্জলি | | |
| ৪। | শুভেচ্ছা | | |
| ৫। | সম্পাদকীয় | জিতৰাম কলিতা | ১ |
| | প্ৰবন্ধ | | |
| ৬। | ঢকুৱাখনাৰ ক্ষাট' বিহু | ইন্দ্ৰাণী বৰুৱা | ৫ |
| ৭। | অন্ধবিশ্বাস আৰু বৰ্তমান সমাজত ইয়াৰ প্ৰভাৱ | ৰীণা সুত | ৯ |
| ৮। | অমৰ চিত্ৰশিল্পী ভিনচেন্ট ভেনগগ | তুষাৰজ্যোতি দত্তবৰা | ১২ |
| ৯। | ড° লীলা গগৈৰ জীৱন আৰু সাহিত্য | জয়ন্ত মাধৱ বৰুৱা | ১৭ |
| ৯। | অসমৰ যুৱ উশৃংখলতাৰ কাৰণ আৰু সমাধানৰ উপায় | শিখাৰাণী গগৈ | ২০ |
| ১০। | ৰামানুজন আৰু অংকৰ জগতলৈ তেওঁৰ অৱদান | প্ৰাঞ্জল গগৈ | ২৪ |
| ১১। | A Brief History of Teakwondo | অচ্যুৎ কুমাৰ গগৈ | ২৭ |
| ১২। | পানী মেটেকা ঃ এবিধ অৱহেলিত উদ্ভিদ | দিলীপ হাতীবৰুৱা | ২৯ |
| ১৩। | গল্প | | |
| ১৪। | বানপানী | নন্দ চুতীয়া | ৩৩ |
| ১৫। | এজাক বৰষুণ লাগে | দিগন্ত কুমাৰ গগৈ | ৩৬ |
| ১৬। | ভয় | শুভ দাস | ৩৯ |
| ১৭। | সভাপতিৰ মন্তব্য | জিতু কুমাৰ চমুৱা | ৪৪ |
| ১৮। | অপমৃত্যু | দেৱকৃষ্ণ | ৪৭ |
| ১৯। | মুখা | | |
| | কবিতা | | |
| ২০। | এটি বিষন্ন ৰোমান্টিক সন্ধিয়া | শিৱপ্ৰসাদ গগৈ | ৫১ |
| ২১। | এটি উপকথা | ফনীন্দ্ৰ কুমাৰ গগৈ | ৫২ |

# আমাৰ পূজনীয়




শ্ৰীযুত শিৱপ্ৰসাদ গগৈ
অধ্যক্ষ, ঢকুৱাখানা মহাবিদ্যালয়

প্ৰতিষ্ঠা দিনৰ পৰা যিজনাৰ ত্যাগ, কৰ্মনিষ্ঠা ও একাগ্ৰতা জড়িত হৈ আছে মহাবিদ্যালয়ৰ প্ৰতিটো ধূলিকণাৰ লগত....।

যিজনৰ অপৰিসীম ত্যাগ, সৃষ্টিশীল হাতৰ পৰশ নতুবা নৱ সৃষ্টি উন্মেষণ।

# আমাৰ পূজনীয়



শ্ৰীযুত শিৱপ্ৰসাদ গগৈ
অধ্যক্ষ, ঢকুৱাখানা মহাবিদ্যালয়

প্ৰতিষ্ঠা দিনৰ পৰা যিজনাৰ ত্যাগ, কৰ্মনিষ্ঠা ও একাগ্ৰতা জড়িত হৈ আছে মহাবিদ্যালয়ৰ প্ৰতিটো ধূলিকণাৰ লগত....।

যিজনৰ অপৰিসীম ত্যাগ, সৃষ্টিশীল হাতৰ পৰশ নতুবা নৱ সৃষ্টি উন্মেষণ।

| | | | |
|---|---|---|---|
| ২২। | প্ৰত্যাৱৰ্তন | জ্যোৎস্না গগৈ | ৫৪ |
| ২৩। | এটি কবিতা | সুমিত্ৰা শইকীয়া | ৫৪ |
| ২৪। | বিষন্ন গান | জয়ন্ত গগৈ | ৫৫ |
| ২৫। | কবিতা | জোনালী শৰ্মা | ৫৫ |
| ২৬। | ৰৌদ্ৰস্নাত হৈ উঠ | জিতু দত্ত | ৫৬ |
| ২৭। | নিশা হ'লে দুখৰ বন্যা নামে | ৰাজকুমাৰ বৰুৱা | ৫৭ |
| ২৮। | উপলব্ধি | নৱজ্যোতি কোঁৱৰ | ৫৮ |
| ২৯। | নতুন সূৰ্য্য | কেশৱ ফুকন | ৫৯ |
| ৩০। | নিঃসঙ্গতাৰ ভয়াবহতা | ডেভিদ গগৈ | ৬০ |
| ৩১। | 'ন'ত আকাৰ নাম | চিন্তন বৰবৰুৱা | ৬২ |
| ৩২। | অঘৰী | ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাঁই | ৬৩ |
| | **প্ৰতিবেদন** | | |
| ৩৩। | উপ-সভাপতিৰ প্ৰতিবেদন | দিগন্ত কুমাৰ গগৈ | ৬৪ |
| ৩৪। | সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | হৰেন বৰুৱা | ৬৫ |
| ৩৫। | সঃ সাঃ সম্পাদকৰ প্ৰতিবেদন | বাবুল গগৈ | ৬৮ |
| ৩৬। | সাহিত্য আৰু আলোচনী বিভাগৰ প্ৰতিবেদন | ডেভিদ গগৈ | ৭০ |
| ৩৭। | সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | গুনমনি সন্দিকৈ | ৭২ |
| ৩৮। | ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন | ৰমেন চুতীয়া | ৭৪ |
| ৩৯। | সমাজসেৱা সম্পাদকৰ প্ৰতিবেদন | অপূৰ্ব গগৈ | ৭৬ |
| ৪০। | তৰ্ক আৰু আলোচনা শাখাৰ সম্পাদকৰ প্ৰতিবেদন | জীৱনজ্যোতি দত্তবড়া | ৭৮ |
| ৪১। | শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | দীপক তুৰুৱা | ৮০ |
| ৪২। | ছাত্ৰ জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন | ভুপেন গগৈ | ৮২ |
| ৪৩। | ছাত্ৰী জিৰণী কোঠা সম্পাদিকাৰ প্ৰতিবেদন | ৰীণা দত্ত | ৮৪ |
| | ১৯৯৩-৯৪ চনৰ ঢকুৱাখনা মহাবিদ্যালয় সপ্তাহৰ বিভাগীয় প্ৰতিযোগিতাৰ ফলাফল | | ৮৬ |

# ঃঃ সম্পাদকীয় ঃঃ



## ‘সময় আজি দুঃসময়’

সাম্প্ৰতিক সময়ৰ পৰিৰেশ সচাঁকৈ বৰ জটিল হৈ পৰিছে। চাৰিওফালে বিৰাট এক উচ্ছৃংখল আৰু অৰাজক পৰিৱেশ। এই উচ্ছৃংখলতা কেৱল ৰাজ-নীতিত নহয়, অৰ্থনীতি, শিক্ষানীতি, বৈদেশিক বাণিজ্য আদি সকলোতে এক নামহীন অৰাজকতাই গা কৰি উঠা সম্প্ৰতি পৰিলক্ষিত হৈছে। ই কেৱল অসমত নহয়, ভাৰতবৰ্ষ তথা সমগ্ৰ বিশ্বতে এই ব্যাধিৰ আবহাৱা বিদ্যমান হৈ পৰিছে। ইয়াৰ ফলস্বৰূপে নানান অপ্ৰীতিকৰ কাৰ্য্য যেনে হত্যা, লুণ্ঠন, ধৰ্ষণ, শিক্ষা পদ্ধতিৰ ওপৰত দুষ্ট চক্ৰৰ বেঁকা আক্ৰমন, ৰাজনৈতিক উত্থান পতন তথা বিভিন্ন হিংসামূলক কাৰ্য্য সংঘটিত হ'ব ধৰিছে। বছিনিয়া, ৰুৱাণ্ডা আদি আফ্ৰিকাৰ কেইখনমান দেশৰ আজিৰ পৰিস্থিতি অতি ভয়াবহ। সকলোতে কেৱল হত্যা, লুণ্ঠণ, তথা হিংসামূলক কাৰ্য্যৰ পৰিস্ফুটন ঘটিছে। আজিৰ এনে পৰিৱেশৰ পৰ্য্যালোচনা কৰিবলৈ আমি সিমান দূৰলৈ যাবই নালাগে, আমাৰ নিজা মাতৃভূমি অসমলৈ চালেই সেইবিলাক কাৰ্য্যৰ হুবহু চিত্ৰ দেখিবলৈ পাম। উদাহৰণ স্বৰূপে কিছুদিনৰ আগতে সংঘটিত হোৱা বৰপেটা জিলাৰ বাঁশবাৰীৰ হত্যাকাণ্ডৰ কথা উল্লেখ কৰিব পাৰি ইয়েই অসমৰ বৰ্তমান পৰিস্থিতিৰ নিৰ্ম্মম সাক্ষী নহয়নে? এইবিলাক কূটাঘাত মূলক কাৰ্য্য কিয় সংঘটিত হ'বলৈ পাইছে? ভাই-ভাইৰ মাজত প্ৰতিশোধ পৰায়ণ মনোভাৱ কিয় গা কৰি উঠিছে? এই সমস্যা সমূহৰ বিশদ আলোচনা কৰিবলৈ আজিৰ পৰিস্থিতিয়ে আমাক সুবিধা প্ৰদান কৰা নাই। এযাৰ কথা আছে—"কলমৰ এনে এটা মহান শক্তি আছে, যিটো শক্তি পাৰমানৱিক বোমাবো নাই" ইয়েই বিশ্বযুদ্ধৰ অন্যতম কাৰক, বিপৰীতে ইয়েই বিশ্বশান্তিৰ প্ৰতীক। বিশ্বযুদ্ধ হ'বনে, বিশ্ব শান্তি হ'ব সেইটো নিৰ্ভয় কৰিব কলমৰ পাক্ কেইটাৰ ওপৰত। এনে এক মহা শক্তিমান কলমৰ জৰিয়তেও কিন্তু আজিৰ যি উট্‌ভট্‌ পৰিস্থিতি, তাক নিৰ্মূল কৰিবলৈ বৰ্তমানৰ সমাজখন সক্ষম হোৱা নাই। যি সকল মহান লোকে কলমৰ জৰিয়তে সমাজখনৰ অৰাজকতা সমূহ দূৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে, তেওঁ লোককেই বুঢ়া আঙুলি দেখুৱাই; অৰাজকতা 'কাৰক'বোৰ নিৰ্বিবাদে ঘুৰি ফুৰিছে। আজিৰ বেপৰুৱা সমাজত কলমৰ আখৰ কেইটাৰ

ওপৰত গুৰুত্ব দিয়া লোকনো কেইজন আছে? যি কেইজন বয়োজ্যেষ্ঠ বৃদ্ধ সেইকেইজনো বৃদ্ধ বয়োজ্যেষ্ঠ সকলে কৰিব কি? একো কৰিব নোৱাৰে, যদিহে ডেকা চামটোৱে একালত উজ্জ্বলি থাকি আগুৱাই নাহে! কিন্তু ডেকাচামৰ আজিৰ দুৰাৱস্থা চায় কোনে? হয় নিৰক্ষৰা, নহয় বিকৃত মানসিকতাৰ বলি হোৱা এই চাম ডেকাই যে দেশৰ উন্নতি হকে কিবা এটা কৰিব পাৰিব তাক আশা কৰা মিছা। গতিকে আমি এইবিলাকৰ প্ৰকৃত নিৰাময়ৰ উপায় বিচৰাৰ সময় হ'ল। কেৱল কাগজ কলমতে আবদ্ধ নাথাকি, তাক কাৰ্য্যক্ষেত্ৰত ৰূপ দিবলৈ আগবাঢ়ি আহিবৰ হ'ল, নহলে কাইলৈৰ সমাজখনৰ সুস্থিৰ অৱস্থা দেখা কঠিন হৈ পৰিব, সি ধ্ৰুৱপ।

দেশৰ ভৱিষ্যতৰ ধৰণী হ'ল আজিৰ ছাত্ৰ সমাজ। আজি ছাত্ৰ কাইলৈ দেশৰ নেতা হ'ব, ই অতি সুখৰ বিষয়। কিন্তু তাৰ বাবে লগা যি যি প্ৰয়োজনীয় অৰ্হতা (বিদ্যা, বুদ্ধি, আচাৰ ব্যৱহাৰ) সেইবিলাক আজিৰ ছাত্ৰ সমাজত বৰ্তমান যি উচ্ছৃংখলতাই গা কৰি উঠিছে, তাৰ আশু সমাধানৰ পথ যদি এই ব্যাধিয়ে ভালকৈ শিপোৱাৰ আগতেই উলিওৱা নহয়, তেন্তে ছাত্ৰ সমাজৰ পতন যে অনিবাৰ্য্য, ই অনস্বীকাৰ্য্য। ছাত্ৰ সমাজত বৰ্তমান এক বিৰাট উচ্ছৃংখল পৰিস্থিতি বিৰাজমান। শিক্ষাৰ প্ৰমূল্যৰ ওপৰত গুৰুত্ব নিদি আজি ছাত্ৰ সমাজ অন্য দিশলৈ ধাৱমান হৈছে। য'ত আছে ভৱিষ্যত বুলিবলৈ কেৱল অন্ধকাৰ। আজিৰ ছাত্ৰ সমাজ বিকৃত মানসিকতাৰ বলি হৈছে, আজিৰ ছাত্ৰ সমাজ নিচাযুক্ত দ্ৰব্যৰ সেৱক হৈ পৰিছে; কাইলৈ সেই ছাত্ৰ সমাজেই হৈ পৰিব দেশৰ কলংক অন্ধকাৰৰ এক স্তূপ। তাৰ বাবে দায়ী কোন? আজিৰ শিক্ষানুষ্ঠান সমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে ছাত্ৰ আৰু শিক্ষকৰ মাজৰ সমন্বয়ৰ হেতু ডালত ঘুণে ধৰিলে। আগৰ দৰে আজিৰ শিক্ষক আৰু ছাত্ৰৰ সমন্বয়ৰ হেতু মৰম, শ্ৰদ্ধা তথা ভক্তিৰ সানমিহলি চিকমিকনি নাই। আজিৰ সমন্বয়ৰ হেতু উৰলিলে, কোনো কোনো ঠাইত যে চিঙিয়েই গৈছে; তাকো দুই কৰিব নোৱাৰি। ফলস্বৰূপে সাম্প্ৰতিক সময়ৰ সমগ্ৰ শৈক্ষিক পৰিৱেশ টোৱেই বিনষ্ট হৈ গৈছে। এইবিলাক পৰিৱেশ আগৰ দৰে সুস্থিৰ কৰা উপায় নাইনে? যিয়ে আমাৰ এই সমন্বয়ৰ হেতুডাল গঢ়িব পাৰিব।

এইখিনিতে ফ্ৰান্সিছ বেকনৰ এটি উক্তি প্ৰনিধান যোগ্য।

"That which is post is gone and Irrevocabls and wiseman have enough to do with things present and to come. Therefore they do but trifle with themselves, tnat labouring past matters. There is no man doth a wrong sake but there by to parchase himself profit or plesure of honour of the like. Therefore why should I be angry with a man for loving himself better then me and if any man should do wrong merely out of ill nature why it is like the thorn or briar which prick and scratch because they can to no other.

অৰ্থাৎ বেকনৰ মতে অতীতত হোৱা ভুল অথবা অপকৰ্ম সমূহ যাতে ভৱিষ্যতে নহয় তাৰ বাবেহে আমি চিন্তা কৰা উচিত। আমাৰ বৰ্তমান সমাজৰ উচ্ছৃংখল ব্যক্তিসমূহক যদি আমি নিৰ্দিষ্ট কিছুমান উপায়েৰে সুস্থ পথলৈ ঘূৰাই আনিব পাৰো, তেতিয়া তেওঁলোকে অতীততে কৰা ভুল সমূহ এৰি ভৱিষ্যতে ভাল কাম কৰিবলৈ নিশ্চয় সংকল্প ল'ব পাৰে। তেতিয়া সমাজত অৰাজকতা বহুত কমিব। কোনো ব্যক্তিয়ে এটা ভুল কৰিলে বা ব্যাহ্যক কাৰকৰ অত্যাধিক প্ৰভাৱৰ বাবে কোনো ব্যক্তি বেয়া হ'লে (বিশেষকৈ ছাত্ৰ সমাজ) তাক যে পুনৰ ভাল

এখন মহাবিদ্যালয়ৰ উল্লেখিত সমস্যা সমূহ আশু সমাধান কৰিব পাৰিব বুলি আশা কৰিব পাৰি। তাৰ বাবে ছাত্ৰ সমাজৰ কাৰ্য্যকলাপ হ'ব লাগিব অন্তমূখী অৰ্থাৎ মহাবিদ্যালয়ৰ ভিতৰতে সীমাবদ্ধ হ'ব লাগিব।

**উপসংহাৰ :** বৰ্তমানৰ যি শৈক্ষিক পৰিবেশ তাক নিয়ন্ত্ৰিত কৰিবলৈ হ'লে আমাক প্ৰয়োজন হৈছে সমন্বয়। এখন মহাবিদ্যালয় শৈক্ষিক পৰিবেশ নিয়ন্ত্ৰিত হয় ছাত্ৰ আৰু শিক্ষাগুৰু সকলৰ সমন্বয়ৰ যোগেদি। উচ্ছৃংখলতাৰ বাহ্যিক কাৰক যিয়েই নাথাকক, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ প্ৰতিৰোধ ক্ষমতা দৃঢ় আৰু সু-নিয়ন্ত্ৰিত হ'লে বাহ্যিক কাৰকে মহাবিদ্যালয় একোখনৰ পৰিবেশৰ মাজত থাকি বিশেষ কোনো মুনাফা আদায় কৰিব নোৱাৰে। তাৰ বাবে ছাত্ৰ সমাজ হ'ব লাগিব উচ্ছৃংখলতাৰ বিপৰীতে সবল সুস্থিৰ আৰু শিক্ষা গ্ৰহণৰ প্ৰতি উদ্যমশীল মনোভাৱাপন্ন। লগতে শিক্ষাগুৰু সকলো ছাত্ৰ নিয়মিত পাঠদানৰ প্ৰতি সচেষ্ট হ'ব লাগিব আৰু শিক্ষানুষ্ঠানটোৰ শৈক্ষিক পৰিবেশ অক্ষুণ্ণ ৰাখিবলৈ চেষ্টাৰ ত্ৰুটি কৰিব নালাগিব। তেতিয়াহে মহাবিদ্যালয় সমূহৰ সাম্প্ৰতিক যি শৈক্ষিক পৰিবেশ তাক প্ৰতিৰোধ কৰিব পৰা হ'ব বুলি মোৰ বিশ্বাস।

ডেভিদ গগৈ

# ॥ ঢকুৱাখনাৰ ফাট' বিহু ॥

জিতৰাম কলিতা
মুৰব্বী, অসমীয়া বিভাগ
ঢকুৱাখনা কলেজ

অসমৰ জাতীয় উৎসৱবোৰৰ ভিতৰত ৰঙালী বিহুৱেই অতি সকলোতে মানুহে ৰং ৰহইচৰ উৎসৱ। ঋতুৰাজ বসন্তৰ পৰশত প্ৰত্যেক বছৰে পৰিবৰ্তন ভাৱিব নোৱাৰা ধৰণে প্ৰকৃতিৰ বুকুত জাতি-উপজাতিয়ে কিবা নহয় কিবা হয়। গতিকে প্ৰতিটো আদৰণি জনায়। পৃথিৱীৰ প্ৰকাৰে বসন্তক উৎসৱৰ মাজেৰে আদৰণি জনায়। পৃথিৱীৰ ভিন্ ভিন্ ঠাইত উদযাপিত বসন্ত উৎসৱবোৰতকৈ অসমৰ ৰঙালী বিহু উৎসৱ আটাইতকৈ বেছি প্ৰাণোচ্ছল আৰু উদ্দামপূৰ্ণ। অতি যৌৱনৰ এনে উদাত্ত আৰু মুক্ত সুৰ আন ক'তো নাই। প্ৰাচীন কালৰপৰাই ৰৰদৈচিলাৰ দৰে বাউলী দেওনচা কলিজাৰ চেৰেংভমক ডেকা গাভৰুৰ দেহ মনৰ ভাষাবোৰ গান হৈ, নাচ হৈ, ছুৱৰি নগজা বিহুতলীত ঢোল, পেঁপা, গগনাৰ চেও হৈ প্ৰকাশ পাই আহিছে তাৰ ইতিহাস নাই।[1] এনে ধৰণৰ মুকলি মূৰীয়া চঞ্চল আৰু উদ্দাম নৃত্য গীতৰ সৃষ্টি হোৱাৰ যথেষ্ট ইতিহাস অসমীয়া সমাজত আছে। এই ৰঙালী বিহুৰে এটা ৰূপ ঢকুৱাখনাৰ ফাট' বিহু। ডুবিৰ দেৱদাসী নৃত্য, জামুগুৰি হাটৰ বাবে চহৰীয়া ভাওনা যেনেকৈ উক্ত ঠুয়োখন অঞ্চলৰ স্বকীয়া কৃষ্টি, ঠিক সেইদৰে ফাট' বিহু ঢকুৱাখনাৰ একক আৰু অদ্বিতীয় কৃষ্টি। ঢকুৱাখনাৰ এজন শিক্ষিত সমাজ-কৰ্মী বৃদ্ধৰ মতে, "তেতিয়াৰ দিনত আজি-কালিৰ চৰকাৰী মজলীয়া স্কুলৰ খেল পথাৰৰপৰা চাৰিকড়ীয়া নৈৰ পাৰে পাৰে এমাইল ব্যাসাৰ্ধৰ ভিতৰত বহুত জোপোহা গছ-গছনি আছিল। এই ঠাইলৈ বহাগ মাহৰ তিনিদিনৰ পাছত গোটেই অঞ্চলৰ ডেকা-গাভৰুবোৰ স্বতঃস্ফূৰ্তভাৱে আহি বিহু পাতিছিল। বহুত দূৰ-দূৰণিৰপৰা জনজাতীয় লোকসকলো আহিছিল। এই বিহু একে লেথাৰিয়ে বহাগৰ ১৫ তাৰিখলৈকে চলিছিল। আমাৰ দেউতাহঁতৰ দিনতো ফাট' বিহু আছিল।[2]

ফাট' বিহু সম্পৰ্কে কেইবাজনো স্থানীয় সমালোচকে ৰসাল বৰ্ণনা দাঙি ধৰিছে। এইবোৰৰ ভিতৰত হোমেন বৰগোহাঞিৰ বৰ্ণনাটো অধিক মনোগ্ৰাহী।

১৯১৮ চনতে ফাট' বিহু ঢকুৱাখনাৰ পৰা বিলুপ্ত হয়। নিজ চকুৰে ফাট' বিহু দেখা মানুহবোৰৰ বেছি ভাগৰে মৃত্যু ঘটিল। ফাট' বিহু ঢকুৱাখনাৰ এটা নিজস্ব উৎসৱ। ঢকুৱাখনাৰ চাৰিওফালে অসংখ্য মিৰি (মিচিং) গাওঁ আছে। প্ৰতি বছৰে বহাগ বিহুৰ সময়ত বিহুৱলীয়া মিচিং ডেকা-গাভৰুৱে দল বান্ধি ঢকুৱাখনাৰ চাৰিকড়ীয়া নৈৰ পাৰত বিহু মাৰিবলৈ আহে। সেই বিহু চাবলৈ গাওঁ ভুঁই ভাহি-ভুঁহৰি আহি হাজাৰ হাজাৰ মানুহ ঢকুৱাখনাত জমা হয়। ঠাইখন লোকে লোকাৰণ্য হয়। সাতদিন সাতৰাতি এই ফাট' বিহু চলে। কেৱল যে মিচিংসকলেই এই সাৰ্বজনীন বিহু উৎসৱত অংশ লয় এনে নহয়; ঢকুৱাখনাৰ আহোম, চুতীয়া, কৈৱৰ্ত আদি সকলো সম্প্ৰদায়ৰ মানুহেই আনন্দৰ এই বলিয়া বানত নিজকে উটুৱাই দিয়ে। সেই সাতদিনৰ কাৰণে মুকলি আকাশেই হয় ঘৰৰ চাল আৰু চাৰিকড়ীয়া নৈৰ পকা পকা বালিয়েই হয় বিচনা। উজ্জ্বল নীল আকাশৰ

তলত চাৰিকড়ীয়াৰ পাৰৰ ঘন সেউজীয়া অৰণ্যৰ মাজত সাতদিন সাতৰাতি ধৰি চলে এই উদ্দাম বসন্ত উৎসৱ।[৩]

ফাট' বিহুৰ সম্পৰ্কত দিয়া ওপৰোক্ত বৰ্ণনা অতি বাস্তৱধৰ্মী। আনকি বিহু মাৰিবলৈ অহা ডেকা-গাভৰুক স্থানীয় ৰাইজে আহাৰ যোগান ধৰিছিল। আঠীয়াকলৰ নকলা পাত-বোৰ পাৰি তাৰ ওপৰত ভাত থৈছিল আৰু ডেকা-গাভৰুৱে ঘূৰণীয়াকৈ বহি একেখন পাততে ভাত খাইছিল।

ঢকুৱাখনাৰ এই ৰঙ্গোৎসৱটিৰ নাম ফাট' বিহু কিয় হ'ল সেই সম্পৰ্কে বহুতো সমালোচকে বহু ধৰণৰ ব্যাখ্যা দাঙি ধৰিছে। এই ব্যাখ্যাবোৰৰ ভিতৰত অধ্যাপক ডিম্বেশ্বৰ গগৈৰ মত প্ৰণিধান যোগ্য।

এই অনুষ্ঠানটোৰ নাম 'ফাট বিহু' কিয় ৰাখিলে এতিয়ালৈকে লিখিত ৰূপত ক'ব পৰা নাই। ফাট' বিহুত অংশ গ্ৰহণ কৰা দুই এজন বয়সীয়াল লোক আছে যদিও সুধি চালে প্ৰত্যয় জন্মাকৈ উত্তৰ পোৱা নাই। কোনোৱে কয় বিহুৱা বিহুৱতীসকল ভাঁহি ভুঁইৰি আহি বসুমতী কাপোঁ যেন কৰে কাৰণেই ফাট' বিহু। আনসকলে অনুমানতে 'ঢোল ফাটে মাত ফাটে নাচোতে কাপোৰ-কানি ফাটে' ইত্যাদিৰ কাৰণেই ফাট' বিহু নামটো হ'ল বুলি মত পোষণ কৰে। সেইবোৰ দেখোন নহয় যেন লাগে।

*** ফাট' বিহু অনুষ্ঠিত হৈছিল চাৰিকড়ীয়া নৈৰ পাৰত। ফাট্ মানে নৈ আদিৰ দাঁতিত বেহা-বেপাৰৰ কৰ সংগ্ৰহ কৰা ঠাই। আহোম স্বৰ্গদেউসকলৰ দিনত বোধকৰো উত্তৰ পাৰৰ বেহা-বেপাৰৰ কৰ ৰাজহ আদি তুলিবলৈ লুইত হৈ চাৰিকড়ীয়া নৈয়েদি ভটিয়াই আহি থানিকা পাতিছিল ঢকুৱাখনাৰ ওচৰত। ফাটলৈ মানুহ আহে। ফাটলৈ আহি বিহু মাৰে বাবেই ফাট' বিহু। কৃষি জীৱি সমাজখনৰ ডেকা-গাভৰুৱে পৃথকে ৰাতি বিহু পাতিছিল গাঁৱৰ পথাৰত, যুৱীয়া জামুৰ তলত। ফাট বিহু পাতিছিল দিনত, ডেকা-গাভৰু লগ হৈ চাৰিকড়ীয়াৰ পাৰত।[৪]

ঢকুৱাখনা আচলতে এটা মৌজাৰ নাম, গাঁৱৰ নাম নহয়। প্ৰাক আহোম শাসনৰ সময়ত ইয়াৰ বিস্তৃত অঞ্চল জলময় আছিল। বাট পথ সুচল নাছিল। উত্তৰ পাৰত বেহা-বেপাৰৰ কৰ ৰাজহ সংগ্ৰহ কৰিবলৈ লুইত হৈ চাৰিকড়ীয়া নৈয়েদি আহোম বিষয়া এই অঞ্চললৈ আহিছিল। কৰ সংগ্ৰহত সুচল হবলৈ সম্ভৱত চুতীয়া দিহিঙীয়া ৰজাৰ দিনত চাৰিকড়ীয়া আৰু কড়া নৈ সংযোগ কৰি ঢকুৱাৰে মাটি তুলি এটা আলি বান্ধিছিল আৰু তেতিয়াৰেপৰা এই অঞ্চলৰ নাম হয় ঢকুৱাখনা। বৰ্তমান বালিগাঁৱত থকা থানাৰ সন্মুখতে চাৰিকড়ীয়া নৈৰ উত্তৰ পাৰে আছিল ফাটটো। ইয়াতে বাহৰ পাতি আহোম বিষয়াই বেহা-বেপাৰৰ কৰ সংগ্ৰহ কৰিছিল।

১৮২৬ খ্ৰীঃত ইয়াণ্ডাবু সন্ধিৰ চুক্তি অনুসৰি অসম ইংৰাজৰ হাতলৈ যায়। ইংৰাজে শাসনৰ সুবিধাৰ কাৰণে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰক পাঁচটা মৌজাত বিভক্ত কৰে। ইয়াৰে এটা আছিল ঢকুৱাখনা মৌজা।[৫] ইংৰাজ শাসনৰ ফলত ক্ষমতাচ্যুত আহোম শাসকসকলৰ অন্তৰত ক্ষোভৰ সৃষ্টি হয়। এনে ক্ষোভ বিস্ফোৰিত হোৱাৰ সুযোগ নিদি নিজে নিজে উপশম হোৱাৰ সময় দি তলিতে শেষ কৰিবলৈ ডেভিদ স্কটে চেষ্টা কৰিছিল। তেখেতে অসমৰ পৰিস্থিতি মূল্যায়ন কৰি উজনি অসমৰ এক খণ্ডক আহোম ৰাজবংশৰ কোঁৱৰ এজনক বৃটিছ প্ৰশাসনৰ ছত্ৰ-ছাঁয়াত কৰতলীয়া ৰজা পতাৰ প্ৰস্তাৱ দিলে। ইয়াৰ ফলস্বৰূপে পুৰন্দৰ সিংহক উজনি অসমৰ এক খণ্ডত কৰতলীয়া ৰজা পাতিবলৈ ১৮৩৩ চনৰ ২ মাৰ্চত পুৰন্দৰ সিংহৰ লগত ইংৰাজৰ এখন চুক্তি স্বাক্ষৰিত হয়। ২৪ এপ্ৰিলত সামৰিক কুচ-কাৱাজৰ লগতে উনৈশটা টোপধ্বনিৰ অভিবাদন গ্ৰহণ কৰি পুৰন্দৰ সিংহ উজনি অসমৰ ৰজা হ'ল। উজনি অসম ৰাজ্যখণ্ড বাৰ্ষিক পঞ্চাশ হেজাৰ নগদ ধনৰ "নজৰাণা" দিবলৈ চুক্তি পত্ৰমতে ঠিক কৰা হয়।[৬] ঢকুৱাখনা এইদৰে ইংৰাজৰ হাতৰ পৰা পুৰন্দৰ সিংহৰ ৰাজ্যৰ অন্তৰ্ভুক্ত হ'ল। স্থানীয় ৰাইজে বিদেশীৰ শাসনৰ পৰিবৰ্তে নিজৰ ৰজাৰ অধীন হোৱাত উৎফুল্লিত হয়। সমগ্ৰ লক্ষীমপুৰ জিলাৰ ৰাজহৰ পৰিমাণ ১৮২৬-১৯৩৫ চনলৈ আছিল ১১০০০·০০ (এঘাৰ হাজাৰ) টকা। উজনি অসমত কৰৰ হেঁচা তীব্ৰ হৈ পৰে। নৈ পাৰ হ'বলৈ ঘাটকৰ বহুৱা হয়। ইয়াৰ ফলতে বকুলগুৰিৰ ওচৰত থকা নৈখন

এটা কড়ি দিলেহে ঘাটুৱৈয়ে পাৰ কৰাইছিল বাবে নৈখনৰ নাম হ'ল একড়ীয়া। ঢকুৱাখনাৰ বৰ্তমান পুলিচ থানাৰ সন্মুখত থকা নৈখন পাৰ হ'বলৈ ঘাটুৱৈক চাৰিটা কড়ি দিব লাগিছিল। এইবাবে এই নৈখনৰ নাম হ'লগৈ চাৰিকড়ীয়া। প্ৰথম অৱস্থাত ঢকুৱাখনা ৰাইজে স্বাধীনতা পোৱাৰ আনন্দত উৎফুল্লিত হৈ কৰ সংগ্ৰহৰ বাবে ফাটলৈ অহা আহোম বিষয়াক বহুগীত আৰু নৃত্যৰে আদৰণি জনালে। এইদৰে পিছৰ প্ৰতিবছৰে ব'হাগৰ প্ৰথম সপ্তাহত কৰ সংগ্ৰহ কৰিবলৈ অহা ৰাজবিষয়াক দূৰ-দূৰণিৰপৰা অহা প্ৰজাই বিহু নৃত্য আৰু গীতেৰে সম্ভাষণ জনাইছিল আৰু ৰঙালী বিহু উৎসৱ তাতে পালন কৰিছিল। এই বিহুকে এই অঞ্চলৰ মানুহে ফাটৰ বিহু আখ্যা দিলে। ঢকুৱাখনাৰ বেছি ভাগ মানুহ তিৰ্ব্বতবৰ্মী আৰু তিৰ্ব্বত-চীনীয় গোষ্ঠীৰ অন্তৰ্গত। এওঁলোকৰ মুখত 'ৰ' বৰ্ণৰ উচ্চাৰণ প্ৰায়ে নহয়। 'ৰ' ৰ ঠাইত 'অ' ধ্বনিৰ উচ্চাৰণ হয়। এইবাবে আহোম সম্প্ৰদায়ে "সাজ চিৰণীয়া হ'ল" বুলি নকৈ 'সাজ চিঅনীয়া হ'ল' বুলি কয়। একে ধৰণেৰে "ফাটৰ বিহু" চাবলৈ যাওঁ বুলি কবলৈ গলে। যাওঁ বুলি নকৈ ''ফাট বিহু" চাবলৈ যাওঁ বুলি কবলৈ ললে। এই দৰেহে ''ফাট' বিহু" শব্দৰ সৃষ্টি হ'ল।

উনৈশ শতিকাৰ আগভাগৰেপৰা সোৱণশিৰী আৰু ব্ৰহ্মপুত্ৰৰ মাজত ঢকুৱাখনা এটা গুৰুত্বপূৰ্ণ কেন্দ্ৰ। ইংৰাজ শাসনৰ আৰম্ভণিতে (১৮২৬-১৮৩৩) আহোম ৰাজত্বত প্ৰচলিত খেল-মেল ভাঙি দি মৌজা পাতি কৰ কাটল তুলিছিল। ইয়াত মধ্য শ্ৰেণীৰ মানুহ যথেষ্ট পৰিমাণে ক্ষুন্ন হৈছিল। ইংৰাজৰ ঠাইত উজনি অসমত পুৰন্দৰ সিংহই শাসন কৰিবলৈ লোৱাত এই শ্ৰেণীৰ মানুহে আগৰ ব্যৱস্থা প্ৰবৰ্তন হ'ব বুলি আশা কৰিছিল। কিন্তু পুৰন্দৰ সিংহৰ দিনতো আন ঠাইৰ দৰে সমগ্ৰ উত্তৰ পাৰতো ইংৰাজৰ নিয়মেৰে কৰ কাটল তুলিছিল অথচ ৰায়তে পুৰণি নিয়মৰপৰা আঁতৰি যাব খুজিছিল। এওঁৰ ৰাজত্বকালত তলতীয়া বিষয়াবিলাকে নিয়মীয়া খাজনাৰ উপৰিও নানা অজুহাত উলিয়াই লা, কাঁহ, পিতল, মুগা, এৰী, ধান, চাউল, মাটি-মাহ আদি সংগ্ৰহ কৰিছিল। সেইসময়ত গাঁৱৰ ঘৰবিলাকৰ কাষে কাষে ধাননি পথাৰ আৰু মাটি অতি সাৰুৱা। ধানৰ উপৰিও সৰিয়হ আৰু মাটিমাহ প্ৰচুৰ পৰিমাণে উৎপন্ন হৈছিল। এৰা, খোৱা আলু, কেচেক, চোম আদি গছ প্ৰচুৰ পৰিমাণে আছিল। এৰীপলু আৰু মুগা প্ৰচুৰ পৰিমাণে পুহিছিল আৰু মানুহে এৰী আৰু মুগাৰে সকলো প্ৰকাৰৰ সাজ-পাৰ তৈয়াৰ কৰি লৈছিল। গতিকে এনে স্বচ্ছল অৱস্থাত সামুহিকভাৱে বিহু মাৰিবলৈ যোৱাটো তেনেই সাধাৰণ কথা। স্বভাৱ কবিয়ে এইবাবেই লিখিছিল—

আজি ফট নতুবা ফাট হব
আজি ৰজাক কোনে কৰ দিব ?
× × × ×
× × × ×
আজি ফাট বিহুতলী মিলন থলী
আজি ৰাইজেই ৰজাৰ অটল তলী[1]

ইংৰাজে প্ৰতি ব্যক্তিৰপৰা তেওঁ খেতি কৰা মাটি অনুপাতে খাজনা তুলিছিল। কিন্তু ৰজাই ঘৰমুৰি ৩ টকা খাজনা লৈ দুপুৰা মাটি খাবলৈ দিছিল। কোম্পানীৰ লালবন্দী দিবলৈ ধন তুলিবলৈ মানুহক নানান ধৰণে হেঁচা দিছিল। সোৱণ-শিৰীৰ নৈৰ সোণ কমোৱা সোণোৱালে ৫ টকা কৰ দিব লাগিছিল আৰু আঠ অনা মিচিঙক পচা দিব লাগিছিল। গতিকে সকলো প্ৰজাই পিছলৈ ৰজাৰ কৰ-কাটলৰ ব্যৱস্থাক কটু সমালোচনা কৰিছিল আৰু ৰজাৰ কৰ-কাটলৰ অব্যৱস্থাৰ ফলতে বহুত মানুহে গাওঁ এৰি উঠি গৈছিল। এই সময়তে চিচি নামৰ এখন সমৃদ্ধিশালী গাওঁ আছিল। ইয়াৰ বছেৰেকীয়া ৰাজহ আছিল ৭ হেজাৰ টকা। এই গাওঁখন জনসংখ্যাৰ ফালৰ পৰা বৃহৎ আছিল বাবে চিচি বৰ গাওঁ নামে খ্যাতি হৈছিল। কিন্তু নিৰাপত্তাৰ অভাৱ, শোষণ আৰু ৰজাৰ দাৰোগাজনৰ দুৰ্নীতিৰ ফলত মানুহ ইমানেই ভাগি গ'ল যে পিছত তিনি চাৰি হেজাৰ টকাহে ৰাজহ আদায় হয়। ১৮৩৮ চনৰ ১৬ ছেপ্তেম্বৰত ইংৰাজ চৰকাৰৰ সিদ্ধান্ত অনুসৰি কেপ্টেইন হোৱাইটে পুৰন্দৰৰ ৰাজ্যখণ্ডৰ প্ৰশাসনীয় দায়িত্ব নিজৰ হাতলৈ আনি আহোম সামন্ততন্ত্ৰৰ উত্থানৰ সম্ভাৱনা চিৰদিনলৈ ৰুদ্ধ কৰে।

ইংৰাজৰ পোনপটীয়া শাসনৰ অধীন হোৱাত প্ৰথম অৱস্থাত ঢকুৱাখনীয়া ৰাইজে স্বস্তিৰ নিশ্বাস এৰে। ওচৰৰ সীমান্ত পাহাৰত (বৰ্তমান অৰুণাচল) বাস কৰা আদি, ডফলা, গাছি

# অন্ধবিশ্বাস আৰু বৰ্তমান সমাজত ইয়াৰ প্ৰভাৱ

শ্ৰীইন্দ্ৰানী বৰুৱা
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)

বিংশ শতাব্দীৰ শেষ দশকত আধুনিক যুগৰ মানৱ সমাজখনক অন্ধবিশ্বাসে আৱৰি ৰখা চিন্তাধাৰা আৰু কৰ্ম্ম-কাণ্ডৰ বিষয়ে আলোচনা কৰিবলৈ গৈ মাজে মাজে বহুতো প্ৰশ্নৰ সন্মুখীন হবলগীয়া হয়। এহাতে যেনেকৈ মানৱ জাতিয়ে আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰে সফলতাৰে মানৱ সভ্যতা আৰু সংস্কৃতি গঢ়ি তুলিছে, আনহাতে তেনেকৈ এই বিশ্বৰ মানৱ সমাজখন সম্পূৰ্ণভাৱে অন্ধবিশ্বাস, কু-সংস্কাৰ আদিৰ পৰা মুক্ত হব নোৱাৰাটো এক চিন্তনীয় বিষয় বুলি উল্লেখ কৰিব পাৰি। বিশেষকৈ, আমাৰ দেশ ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ ক্ষুদ্ৰজাতি আৰু জনগোষ্ঠী সমূহৰ সমাজ জীৱনক এতিয়াও অন্ধবিশ্বাস আৰু কু-সংস্কাৰে আৱৰি ৰখা অন্ধকাৰাচ্ছন্ন অৱস্থা এটাই গ্ৰাস কৰি আছে।

অন্ধবিশ্বাস হ'ল প্ৰাচীন ৰীতি-নীতি, ধাৰণা আৰু পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত বিশ্বাস। অন্ধবিশ্বাসে যুক্তি, তৰ্ক, ন্যায়, সঁচা-মিছা আদি মানি নচলে। অজ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি যি বিষয়ৰ বা মতামতৰ প্ৰতি বিশ্বাস উৎপন্ন হয় তেনে অজ্ঞানমূলক সংস্কাৰ বা বিশ্বাসক অন্ধবিশ্বাস বোলে। "অজ্ঞানতা হ'ল মনৰ অন্ধকাৰ ৰাতি, যিটো ৰাতিত চন্দ্ৰ আৰু তৰাৰ লেখ নাই।" পৰ্য্যাবেক্ষণ পৰীক্ষাৰ চালনিৰে চালি-জাৰি নোচোৱাকৈ যুক্তিৰ ভেটিত সযতনে তুলি নোলোৱাকৈ অন্ধভাৱে যি বিশ্বাস কৰা যায়, সিয়েই অন্ধবিশ্বাস। আমাৰ দেশত সকলো ধৰণৰ মানুহৰ মাজ-তেই কু-সংস্কাৰ থকা দেখা যায়। মানুহৰ মন সাধাৰণতে দুৰ্বল। এই মানসিক দুৰ্বলতাইও কু-সংস্কাৰ বা অন্ধবিশ্বাসৰ জন্ম দিয়ে। কেতিয়াবা কেতিয়াবা অজ্ঞতাও ইয়াৰ কাৰণ হয়। সেইবাবে অজ্ঞ আৰু দুৰ্বল চিত্তৰ মানুহৰ বাবে অন্ধবিশ্বাস আশ্ৰয়স্বৰূপ। ঈশ্বৰ যেনেকৈ আশ্ৰয়, কু-সংস্কাৰ বা অন্ধবিশ্বাসো তেনে এক প্ৰকাৰৰ আশ্ৰয়। চন্দ্ৰ গ্ৰহণৰ সময়ত ৰাহুৰ গ্ৰাসৰ পৰা চন্দ্ৰক ৰক্ষা কৰিবলৈ হেজাৰ হেজাৰ মানুহে গংগা-স্নান কৰে বুলি নেহৰুৱে তেওঁৰ আত্মজীৱনীত লিখিছিল। যিবিলাক কথা বা ধাৰণা সমাজত প্ৰচলিত, কিন্তু যিবোৰক যুক্তিৰে সিদ্ধাৰ নোৱাৰি সেইবোৰেই অন্ধবিশ্বাস। এনেবোৰ ধাৰণাৰ পৰা কেতিয়াবা উদ্ভূত কাৰ্য্যাৱলীয়ে প্ৰত্যক্ষভাৱে কেতিয়াবা পৰোক্ষভাৱে সমাজ জীৱনৰ ওপৰত প্ৰভাৱ পেলায়, আনকি সমাজ আৰু ব্যক্তি জীৱনৰ গতি ধাৰাও সলনি কৰি দিয়ে। সময়ত কেতবোৰ অন্ধ-বিশ্বাস হেৰাই যায় আৰু সেইবোৰৰ অবলুপ্তি ঘটে। সময়ত কেতবোৰ নতুন অন্ধবিশ্বাস গঢ়ি উঠে; যেনে অন্ধবিশ্বাস অবিহনে সমাজ একোখন জীয়াই থাকিব নোৱাৰে।

এই অন্ধ বিশ্বাসসমূহে আমাৰ ভাৰতীয় সমাজত এক গুৰুত্ব-পূৰ্ণ স্থান অধিকাৰ কৰি আছিছে। ভাৰতীয় সমাজ পদে পদে অন্ধবিশ্বাসৰ সৈতে জড়িত হৈ আছিছে আৰু এইবোৰে আমাৰ সামাজিক প্ৰগতিত চুড়ান্ত আঘাট হানিছে। এঠাইলৈ যাত্ৰা কৰাৰ সময়ত পিছফালে হাঁচি মাৰিলে যাত্ৰা নিষিদ্ধ বুলি ধৰি লোৱা হয়। বাওঁফালৰ চকুৰ পতা নাচিলে ভাল আৰু সোঁফালৰ চকুৰ পতা নাচিলে অমঙ্গল ধাৰণা কৰা হয়। কিন্তু দৰাচলতে

মিৰি আদি সম্প্ৰদায়ৰ উপদ্ৰৱ বোধ কৰি উত্তৰ পাৰত শান্তি শৃঙ্খলা স্থাপন কৰে। এইবাবে এই অঞ্চলৰ জনসাধাৰণে বৃটিছক ধন্যবাদ জনায়। সময় যোৱাৰ লগে লগে সাম্ৰাজ্যবাদী ইংৰাজৰ স্বৰূপ বুজি পাবলৈ অসমৰ ৰাইজৰ সৰহদিন নেলাগিল। ইংৰাজৰ শোষণ আৰু শাসনত সকলো ৰাইজ অতীষ্ঠ হৈ পৰে।

প্ৰথম বিশ্বযুদ্ধৰ শেষ ভাগত জাপানৰ হাতত ইংৰাজ সেনা পৰাজয় হোৱাত আজাদহিন্দ ফৌজে অগ্ৰসৰ কৰি কোহিমাত উপস্থিত হোৱাত ১৯১৮ চনত ঢকুৱাখনাত এই বাতৰি বনজুইৰ দৰে বিয়পি পৰিল যে বিশ্বযুদ্ধত ইংৰাজ হাৰিছে আৰু ভাৰতত ইংৰাজৰ শাসন ওৰ পৰিবলৈ সৰহদিন নাই। এই অঞ্চলৰ সহজ-সৰল মানুহবোৰে বুজি পালে যে এতিয়াৰপৰা সকলো স্বাধীন হ'ল। এইবাবে উত্তৰ পাৰৰ একাংশ ৰাইজে মোহন গামৰ নেতৃত্বত ঢকুৱাখনাত থকা কেঞাৰ দোকান-পোহাৰ আৰু চহকী মানুহৰ ঘৰবোৰত লুটপাত কৰিবলৈ আৰম্ভ কৰিলে। ঢকুৱাখনাৰ মানুহে এই দিনবোৰক লুটপাতৰ দিন বুলি বহুত দিনলৈকে মনত ৰাখিছিল।[৮]

১ম মহাসমৰত মিত্ৰ শক্তিৰ জয়লাভ হোৱাত ভাৰতত ইংৰাজৰ শাসন বৰ্ত্তি থাকিল। ইংৰাজ চিপাহীয়ে লুট কৰা বহুতো যুৱকক ধৰি শাস্তি দিয়ে আৰু বহুতে ইংৰাজৰ ধৰা নিদি আত্মগোপন কৰে। ইয়াৰ ফলত পিছৰ বছৰ (১৯১৯ চনত) ফাট বিহু মাৰিবলৈ মানুহ নহা হ'ল। বা... প্ৰথম সপ্তাহত জনাৰণ্য ঢকুৱাখনাৰ থানা মুখ যেন শ্মশান পৰিণত হ'ল।

এনেকৈয়ে ঢকুৱাখনাৰ এটা ধুনীয়া বৰ্ণাঢ্য উৎসৱৰ অকাল মৃত্যু ঘটাত সমাজকৰ্মী পৰমা বৰাৰ পৰা লিখকে জানিব পাৰি যে স্থানীয় ৰাইজে এই উৎসৱ পুনৰ অনুষ্ঠিত কৰিবলৈ ইচ্ছা ... সমাজকৰ্মী সৰ্বৰবাহী লোক ইন্দ্ৰ বৰগোহাঞিৰ সভাপতি... এখন ৰাজহুৱা সভা অনুষ্ঠিত হয় আৰু সেই সভাতে ১৯... চনৰপৰা ফাট বিহু পুনৰ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত ... কৰে। সেই বছৰতো ফাট বিহুত অসংখ্য লোকৰ সমা... হৈছিল। সেইবাৰো উৎসৱৰ মাজতে গোলমাল হয় আৰু এচাম সমাজবিৰোধী লোকে দোকান-পোহাৰ লুটপাত কৰিবলৈ ললে। ইয়াৰ ফলস্বৰূপে ঢকুৱাখনাৰ ফাট' বিহু নামৰ ... বৰ্ণাঢ্য উৎসৱৰ অকাল মৃত্যু হয়।

---

১। অমিয় কুমাৰ সন্দিকৈ, বিহুতলী এটি চিন্তা, বিহুৱান, নৱম সংখ্যা, ১৯৮৮ পৃঃ ১
২। ৺ইন্দ্ৰ বৰগোহাঞি, এখেত প্ৰখ্যাত সাহিত্যিক হোমেন বৰগোহাঞিৰ পিতৃ।
৩। হোমেন বৰগোহাঞি, ঢকুৱাখনাৰ ফাট বিহু, "প্ৰকাশ", ১২ শ বছৰ, ৭ম সংখ্যা, ১৯৮৭; পৃঃ ৬০
৪। ডিম্বেশ্বৰ গগৈ, দেহা গৰকিলে প্ৰেমে, পাতনি
৫। ডঃ লীলা গগৈ, কেপ্টেইন জেনকিন্সৰ ডায়েৰী, উজনী অসম ভ্ৰমণ, প্ৰকাশ, ১৩ শ বছৰ, তৃতীয় সংখ্যা, পৃঃ ৪৪
৬। হেৰম্ব বৰপূজাৰী, Assam In the days of the Company P—100
৭। চন্দ্ৰ শেখৰ দাস, চিন্তা তৰঙ্গিনী, পৃঃ ১৪
৮। হোমেন বৰগোহাঞি, পূৰ্বোক্ত গ্ৰন্থ।

এইবোৰ ধাৰণাৰ কোনো যুক্তি নাই। এঠাইলৈ যাবলৈ ওলালে মেকুৰী দেখিলে বেয়া আৰু ক'লা মেকুৰী দেখিলেতো সাংঘাতিক দুৰ্ঘটনাৰ সংকেত বুলিয়েই কোৱা হয়। কিন্তু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি বিল ক্লিনটনৰ প্ৰিয় হ'ল কলা মেকুৰী। যিটোক তেওঁ সকলো সময়তে লগত ৰাখে। ক'লা মেকুৰী মাৰিলে সোণৰ মেকুৰী দিব লাগে এইবোৰ ধাৰণাৰ কোনো যুক্তি নাই। কু-সংস্কাৰ আৰু অন্ধবিশ্বাসবোৰ আমাৰ সমাজত পাৰম্পৰিকভাৱে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সঞ্চাৰিত মূল কাৰণ হল ভ্ৰান্তৰ ধাৰণা। উদাহৰণস্বৰূপে আমাৰ সমাজত প্ৰচলিত এটা উপদেশ হল—

মঙ্গলে উষা বুধে পাও।
যাহা ইচ্ছা তাহা যাও॥

মঙ্গলবাৰে পুৱাৰ ভাগত যিকোনো কাম কৰাৰ সিদ্ধান্ত লৈ বুধবাৰে সেই কামৰ শুভাৰম্ভ কৰিলে, সেই কামত ফলৱতী হ'বই। আকৌ বৃহস্পতিবাৰে বাৰবজাৰ পিছত হ'ল "বাৰবেলা"। এই সময়ছোৱাত কাৰ্য্য সিদ্ধি নহয় বুলি ধাৰণা এটা আছে, সেইবাবেই বহুতেই এনে বাৰবেলাত শুভ কাম আৰম্ভ নকৰে। ইয়াৰ অৰ্থ হল এয়ে যে, কোন সময়ত কাম কৰিলে কৰ্মোতাজন লাভবান হব, সেই সম্পৰ্কে সচেতন কৰা। এনে প্ৰবাদ বাক্য মানি চলা সকলোৱেই যে লাভবান হৈছে, সেই কথাৰ হিচাব নিশ্চয় কোনেও ৰখা নাই আৰু পৰীক্ষাও কৰি চোৱা নাই। কিন্তু আমি আনবাৰত আৰম্ভ কৰা কামবোৰত সদায়েই সাফল্য অৰ্জন কৰোনে? এতিয়াও কোনো কোনো সম্প্ৰদায়ৰ লোকৰ মাজত এনে ধাৰণা আছে যেন হাইজা, বসন্ত আদি ৰোগ ভূত-প্ৰেত, দেৱতা আদিৰ বাবেহে সোঁচৰে আৰু দেৱ-দেৱীক সন্তুষ্ট কৰিব পাৰিলে এনেবোৰ ৰোগৰ পৰা আৰোগ্য লাভ কৰাটো সম্ভৱ হয়। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই এহাতে মানৱ সমাজলৈ অভাৱনীয় সাফল্য কঢ়িয়াই আনিলেও আজিও আদিম মানুহৰ-দৰে অন্ধবিশ্বাসে বেছিভাগ মানুহৰেই মন ঢাকি ৰখা দেখা গৈছে।

আনহাতে মানৱ ইতিহাসৰ সুদীৰ্ঘ কালছোৱাত সত্যানুসন্ধানী বহুতেই চৰম নিৰ্য্যাতন ভুগিব লগা হৈছিল। উদাহৰণস্বৰূপে গেলিলিঅ'ৰ কথাই আঙুলিয়াব পাৰি। গেলিলিঅ'ৱে ১৬৩২ খ্ৰীত প্ৰমান কৰিলে যে সূৰ্য্য নহয় পৃথিৱীখনহে সূৰ্য্যৰ চাৰিওফালে ঘূৰে। খ্ৰীষ্টান ধৰ্মযাজকসকলে এই সত্যতা মানি নললে। তেওঁলোকৰ দৃষ্টিত গেলিলিঅ' হৈ পৰিল বিধৰ্মী নাস্তিক। তাৰবাবে তেওঁ জীৱনৰ শেষ কালছোৱাত বন্দী জীৱন কটাবলগীয়া হয়। পবিত্ৰ বাইবেল চুই গেলিলিঅ'ই শপত খাবলগাও হ'ল। আজিৰপৰা ৩৬০ বছৰৰ পাছতহে খ্ৰীষ্টান ধৰ্মগুৰু সকলে গেলিলিঅ'ৰ আৱিষ্কাৰ সত্য বুলি স্বীকাৰ কৰিলে। গেলিলিঅ'ৰ আৱিষ্কাৰ সম্পৰ্কে অনুসন্ধান কৰাৰ উদ্দেশ্যে এটি কমিটিও গঠন কৰা হয়। শেষত্বত ১৯৯২ ৰ ১২ অক্টোবৰত ভেটিকান নগৰত বিজ্ঞানী, ধৰ্মপ্ৰাণ ব্যক্তি আৰু নোবেল বঁটা বিজয়ী বিজ্ঞানীসকলৰ সভা এখনত পোপ জন প'লে গেলিলিঅ'ৰ আৱিষ্কাৰ শুদ্ধ বুলি স্বীকাৰ কৰে। অৱশ্যে এই তথ্য সত্য আছিল বুলি প্ৰমাণ কৰিবলৈকো ১২ বছৰকাল অনুসন্ধান কৰিবলগা হয়। কিন্তু মন কৰিবলগীয়া কথা এইটোৱেই যে, অন্ধবিশ্বাস আমাৰ ধৰ্মীয় আচাৰ-অনুচাৰৰ সৈতেও জড়িত হৈ আহিছে।

প্ৰাচীন কালৰ পৰাই বৰুণ দেৱতাই পানীৰ যোগান ধৰে বুলি ধাৰণাটো চলি আহিছে। সোয়হে বৰুণ দেৱতাক সন্তুষ্ট কৰিবলৈ পূজা পাৰ্বনবো ব্যৱস্থা কৰি অহা হৈছে। আমাৰ অসমতো খৰাং বতৰত ভেকুলীৰ বিয়া পাতি বৰষুণ নমাবলৈ চেষ্টা কৰা হয়। এনেবোৰ কাৰ্য্যৰ সৈতে যে, এচাম অশিক্ষিত মানুহৰেই ধ্যান-ধাৰণা জড়িত হৈ আহিছে সি নহয়; উদাহৰণ স্বৰূপে ১৯৮৮ ৰ মে'ৰ ঘটনা এটিৰ ওপৰত দৃষ্টিপাত কৰিব পাৰি। সিদিনা মথুৰাৰ আৰ্য্যসমাজ মন্দিৰ প্ৰাঙ্গনত ৮৪ বছৰীয়া বৈদিক পণ্ডিত হৰিপ্ৰসাদ শৰ্মাই ধৰিত্ৰীলৈ বৰষুণ নমোৱাৰ উদ্দেশ্যে যজ্ঞ আৰম্ভ কৰে। পণ্ডিত গৰাকীয়ে দাবী কৰে যে, যজ্ঞ আৰম্ভ হোৱাৰ ৪৮ ঘণ্টাৰ পৰা ৭২ ঘণ্টাৰ ভিতৰতেই আকাশত মেঘ দেখা দিব আৰু গিৰ গিৰকৈ বৰষুণ পৰিব। তেওঁৰ যজ্ঞৰ মন্ত্ৰ পাঠ কৰাৰ প্ৰতি ছঘণ্টাৰ মূৰে মূৰে বায়ুৰ তাপ, আৰ্দ্ৰতা, বতাহৰ গতিবেগ আদি নিৰ্ণয়ৰ বাবে ভাৰত চৰকাৰৰ বতৰ বিজ্ঞান আৰু গ্ৰীষ্ম মণ্ডলীয় বতৰ বিজ্ঞান বিভাগৰ বিশেষজ্ঞসকল ব্যতিব্যস্ত হৈ পৰে। তেওঁ-লোকৰ ধাৰণা আছিল যে, যজ্ঞৰ মন্ত্ৰই বৰষুণ নমাবই; কিন্তু নিৰ্দ্দিষ্ট সময় পাৰ হৈ গ'ল এটোপ বৰষুণো নপৰিল, বতাহৰ আৰ্দ্ৰতাও বৃদ্ধি নাপালে। আনকি এসপ্তাহৰ পিছতো বৰষুণ

হোৱা দেখা নগ'ল     কিন্তু এইটোৱেই অন্ধবিশ্বাস নহয় জানো ?

ভূত-প্ৰেত, পিশাচ, যখিনী ইত্যাদি তথাকথিত অশৰীৰী জীৱবোৰ সম্পূৰ্ণ ৰূপে কল্পনাপ্ৰসূত। এইবোৰ অতীজতো নাছিল আৰু বৰ্তমানেও নাই। এইবোৰ দেখিবলৈ পোৱাটো মানসিক প্ৰক্ৰিয়াতে। এইবোৰৰ কোনো ভৌতিক অস্তিত্ব থাকিব নোৱাৰে। মৃত ব্যক্তিৰ আত্মা মাতি আনি ভৱিষ্যতৰ বিষয়ে প্ৰশ্ন কৰি জানিব পৰা কথাটো সম্পূৰ্ণ মিছা।

আমাৰ সমাজত এচাম ধুৰন্ধৰ মানুহে ব্যৱসায়ৰ উদ্দেশ্যে ৰোগ-বস্তুৰ বিভিন্ন প্ৰচলন কৰিছে। এক সৰহ সংখ্যক মানুহে ৰোগ-ব্যাধি, দুখ-দুৰ্দশা আদিৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে বস্তু পৰিধান কৰে। এই কথাত বহুতো উচ্চ শিক্ষিত লোকেও পতিয়ন যায়। একন শিক্ষিত মানুহৰ আঙুলিত যদি প্ৰৱাল, গোমেদ আদি বস্তুই শোভাবৰ্দ্ধন কৰে তেন্তে তেওঁৰ শিক্ষাৰ মৰ্য্যাদা ক'ত ?

পুৱাই উঠি বা যাত্ৰাকালত এটা শালিকা দেখাটো শুভলক্ষণ নহয় বুলি ধৰা হয়; কিন্তু দুটা দেখাটো ভাল আৰু শুভ বুলি ধৰা হয়। কলা-সংস্কৃতিত একৰ ধাৰণাৰ সৈতে বহুধৰণৰ দুখদায়কতা আৰোপ হয়। সেইবাবেই এই ভ্ৰান্ত ধাৰণা আমাৰ সমাজত চলি আহিছে।

আমাৰ জাতিটোৰ নাৰীসমাজলৈ লক্ষ্য কৰিলে দেখা যায় যে, এতিয়াও আমাৰ অধিক সংখ্যক নাৰীয়েই নাৰী মুক্তিৰ কথাবোৰ উচ্চাৰণ কৰিলে বাস্তৱ ক্ষেত্ৰত নাৰী মুক্তিৰ প্ৰধান অন্তৰায়স্বৰূপ কুসংস্কাৰ তথা অন্ধবিশ্বাসসমূহৰ পৰা মুক্ত হব পৰা নাই। নাৰীয়ে এইটো কৰিব নেপায়; সেইটো চুব নাপায়; অমুকটো কৰিলে সমাজে হাঁহিব, অমুকটো কৰিলে সমাজচ্যুত হব লাগিব — আদি সমাজ-জীৱনত প্ৰচলিত অন্ধবিশ্বাস তথা কু-সংস্কাৰসমূহে আমাৰ নাৰী জাতিটোক বাস্তৱ দৃষ্টিভংগী গ্ৰহণ কৰাৰ পৰা আঁতৰত থকাৰ লগতে নাৰীৰ মানসিকতাক মুক্ত আৰু স্বাধীন হোৱাৰ পৰা বন্ধন কৰি ৰাখিছে।

আমি এইখিনিতে আৰু এটা কথা কব খোজো যে, মানৱ সমাজত ধৰ্ম্মীয় চিন্তা-চৰ্চ্চা প্ৰৱল হৈ অহাৰ লগে লগে নিৰক্ষৰ লোকসকলে ভক্তিবাদৰ ছত্ৰ-ছায়াত কোনো যুক্তি তৰ্কৰ প্ৰতি সচেতন নোহোৱাকৈ ধৰ্ম্মীয় গোড়ামিৰে অন্ধবিশ্বাস, কু-সংস্কাৰসমূহকে জীৱন ধাৰণৰ অপৰিহাৰ্য্য বৈশিষ্ট্য হিচাপে আকোঁৱালি ললে আৰু সামাজিক ৰীতি-নীতি, প্ৰথাবোৰক সমাজৰ লাগতিয়াল গাথনি হিচাপে গ্ৰহণ কৰিলে।

আকৌ সংগী নিৰ্বাচনৰ ক্ষেত্ৰতো আমাৰ সমাজত অন্ধ-বিশ্বাসে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছিছে। আমাৰ সমাজত মানসিক তথা শাৰীৰিক উপযুক্ততা (Compatibility) ৰ কোনো বিজ্ঞানসন্মত পৰীক্ষা নকৰাকৈয়ে আমাৰ দৰা-কন্যা সাজু হব লগা হয় যুগ্ম জীৱনৰ বাবে গ্ৰহ-নক্ষত্ৰৰ নিৰ্দেশমতে। ফলত কেনেবোৱা হব লগা হয় সন্তানহীন, বিকলাঙ্গ সন্তানৰ পিতৃ-মাতৃ। কোনোবাই গোটেই জীৱন বঞ্চিত হব লগা হয় দাম্পত্য সুখৰ পৰা। দেশ-বিদেশত এনেধৰণৰ বিজ্ঞানসন্মত ৰাশি-যোৰা চোৱা প্ৰথা আৰম্ভ হৈছে যদিও আমাৰ অন্ধবিশ্বাসী সমাজ ব্যৱস্থাই এনে বিজ্ঞানসন্মত ব্যৱস্থাৰ বাবে পৰিবেশ আজিও সৃষ্টি কৰিব নোৱাৰিলে। সাধাৰণ মানুহৰ কথাতো বাদেই উচ্চশিক্ষিত ব্যক্তি, বিজ্ঞানী নিজকে প্ৰগতিশীল বুলি দাবী কৰা যুৱক-যুৱতীসকলো নিজ জীৱন-সংগীনি নিৰ্বাচনৰ ক্ষেত্ৰত আজিও জ্যোতিষীৰ কৃপা-প্ৰাৰ্থী।

এতিয়া প্ৰশ্ন হয় — বিয়াৰ ক্ষেত্ৰত এই প্ৰাচীন ৰাশি-যোৰা চোৱা প্ৰথা, জ্যোতিষী গণনা কৰা ইত্যাদিবোৰ প্ৰয়োজনীয়নে ? এই ধৰণৰ ধ্যান ধাৰণাৰ বিৰুদ্ধে বিশ্বজুৰি এচাম লোকে যুক্তিৰ পথেৰে মানুহক আগবঢ়াই নিবলৈ চেষ্টা কৰি আহিছে। ভাৰতবৰ্ষৰো ডঃ আব্ৰাহাম কুভুৱে সুদীৰ্ঘকাল ধৰি এই ধৰণৰ ভণ্ডামিৰ বিৰুদ্ধে এককভাৱে যুঁজ কৰিছিল। সুখৰ কথা যে, অসমতো এই বিষয়ে জনসাধাৰণক সজাগ কৰি তুলিবলৈ এদল লোকে ওলাই আহিছে। সংখ্যাত কম হলেও তেওঁলোকৰ এই প্ৰচেষ্টা যে আদৰণীয় তাৰ প্ৰমাণ সদ্য প্ৰকাশিত "বিজ্ঞান, অন্ধবিশ্বাস আৰু সমাজ" নামৰ পুথিখনিয়েই ডাঙি ধৰিছে। যোগেন্দ্ৰ প্ৰভাৱতী ফাউণ্ডেচন ট্ৰাষ্টৰ অৰ্থ-সাহাৰ্য্যত প্ৰকাশিত উক্ত প্ৰবন্ধ সংকলনটো সম্পাদনা কৰিছে পৰমানন্দ মজুমদাৰ, যোগেশ চন্দ্ৰ ডেকা, অতনু কুমাৰ চৌধুৰী আৰু জগন্নাথ পাটগিৰিয়ে। এই পুথিখনিক অন্ধবিশ্বাস

আৰু কু-সংস্কাৰৰ বিৰুদ্ধে এক বলিষ্ঠ পদক্ষেপ বুলি কব পাৰি। অন্ধবিশ্বাসবোৰৰ এটা নিজস্ব স্বয়ংক্রিয় প্রক্রিয়া আছে। এই প্রক্রিয়া সময় সাপেক্ষ। প্রতিটো অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ জন্ম আৰু শ্রীবৃদ্ধিৰ অন্তৰালত একো একোটা নির্দিষ্ট পটভূমি থাকে। ইয়াৰে সকলোবোৰ যে ধর্মীয় গোড়ামী আৰু সামাজিক ৰীতি-নীতিৰেই ফল সেই কথা কোৱা টান। ভ্রান্ত ধাৰণা, ভুল ব্যাখ্যা আৰু শোষণৰ কৌশল আদি নানান কাৰকে কেতিয়াবা এককভাৱে আৰু কেতিয়াবা সমূহীয়াভাৱে এনেবোৰ প্রক্রিয়াত ভাগ লোৱা দেখা যায়। গতিকে এই প্রক্রিয়াটোক জটিলতৰ কৰি তুলিছে ব্যক্তিগত মনস্তত্ত্ব আৰু জনগণৰ সামূহিক মনঃস্তত্বৰ জটিলতাই।

গতিকে আমাৰ মনবোৰ সংস্কাৰমুক্ত কৰি বৈজ্ঞানিক মানসিকতাৰ অধিকাৰী হৈ পৃথিৱীৰ প্রগতিৰ সমানে সমানে আগবাঢ়ি যোৱা সকলো জনগণই আত্মমর্যাদা আৰু আত্ম প্রত্যয়েৰে সুস্থ মানসিকতাৰ গভীৰতা প্রতিষ্ঠা কৰি লব লাগিব আধুনিক জীৱনৰ সত্যৰ উপলব্ধিক।

# আমাৰ পৰম শ্ৰদ্ধাৰ



অধ্যাপক/অধ্যাপিকাসকলৰ একাংশ



মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষৰে সৈতে মহাবিদ্যালয়ৰ কৰ্মচাৰীসকলৰ একাংশ

# অমৰ চিত্ৰশিল্পী ভিনচেণ্ট ভেনগগ



শ্ৰীমতী ৰীণা স্নুত

স্নাতক ৩য় বাৰ্ষিক (কলা)

পৃথিৱীখনে তেতিয়াও সাৰ পাই উঠা নাছিল যেতিয়া চিত্ৰশিল্পী ভিনচেণ্ট ভেনগগে যুগজয়ী তৈলচিত্ৰ "ছানফ্লাৱাৰ"ৰ সৃষ্টি কৰিছিল তন্দ্ৰাচ্ছন্ন পৃথিৱীখনৰ সেইটো প্ৰজন্মৰ এচাম মানুহে শিল্পীজনক ঘোষণা কৰিছিল— উন্মাদ বুলি সগৌৰৱেৰে। অথচ তেওঁৰ কৰ্ম্মজীৱনৰ বাছকবনীয়া শিল্পসৃষ্টিসমূহক ভাল চকুৰে এপলক চাবলৈ তেওঁলোকৰ অৱসৰ নাছিল। ওৰেটো জীৱনত পোৱা লাঞ্ছনা, হতাশা আৰু চৰম দাৰিদ্ৰৰে পীড়িত আকলুৱা প্ৰাণটোক শেষত তেওঁ বাধ্য হল মহাকালৰ বুকুত জিৰণী দিবলৈ। দক্ষিণ ফ্ৰান্সৰ সেউজী চহৰ আৰ্লচ্। ডাঃ গ্যাচ নামৰ এজন চিকিৎসকৰ লগত সাধাৰণ কথাতে তৰ্কাতৰ্কি লাগি শিল্পীজনে আত্মহত্যা কৰিছিল নিজৰ দেহত নিজে গুলি কৰি এই আৰ্লচ্ৰ বুকুতেই। মৃত্যুৰ আগমুহূৰ্তত ভিনচেণ্টে ডাঃ গ্যাচক মাথো এযাৰ কথা কৈছিল—"গুলিটো বুকুৰ ঠিক ঠাইত নালাগিল বোধহয়।"

এইগৰাকী শিল্পীৰ জন্ম হৈছিল— ১৮৫৩ চনৰ ৩০ মাৰ্চত হলেণ্ডৰ জুনদাৰ্থ নামৰ এখন সৰু গাৱঁৰ এক ৰুচিবান অভিজাত পৰিয়ালত। ভিনচেণ্টৰ মাকৰ নাম আছিল আনা কনিলিয়া আৰু দেউতাকৰ নাম আছিল থিঅ'ডৰ ভেনগগ। ভিনচেণ্ট ভেনগগৰ ভৱিষ্যত উপজিব্য সম্পৰ্কে পৰিয়ালৰ সকলোৱেই বিচাৰিছিল ভেনগগে শিক্ষকতা কিম্বা ধৰ্মযাজকৰ নিচিনা এক বৃত্তিৰ কাৰণে লিখা-পঢ়া কৰক। কিন্তু অতি কম বয়সৰে পৰা ভেনগগে নিজকে অধিক সময় বিচাৰি পাইছিল চিত্ৰ বিষয়ক আলোচনা আৰু চিন্তা-চৰ্চ্চাৰ মাজেৰেহে। ১৯৬৯ চনত গগে কৰ্মজীৱনৰ পাতনি মেলিলে হেগৰ কপি নামৰ এটুকুৰা ঠাইৰ এজন চিত্ৰকৰৰ সহায়কাৰী হিচাপে। ভিনচেণ্টৰ বিচিত্ৰ চাৰিত্ৰিক বৈশিষ্ট্য আছিল। তেওঁ গ্ৰাহকক বেয়া ছবি কিনাত বাধা দিছিল। সাধাৰণতে এজন বিক্ৰেতাই গ্ৰাহকক নানা চলাহী কথাৰে পতিয়ন নিয়াই দোকানৰ সামগ্ৰীবিলাক বিক্ৰী কৰিবলৈ প্ৰয়াস কৰে। এই ক্ষেত্ৰত ভেনগগ আছিল ব্যতিক্ৰম। সেইবাবে তেওঁ সহায়ক পদটোৰ পৰা অব্যাহতি লব লগাত পৰিল। আৰু লগে লগে আৰম্ভ হৈছিল তেওঁৰ যাযাবৰী জীৱন।

সংঘাট আৰু ব্যৰ্থতা আছিল তেওঁৰ নীৰৱ সময়ৰ সংগী। তেওঁৰ মাক আৰু দেউতাকে পুত্ৰৰ যাযাবৰী অৱস্থাৰ অৱসানৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰি চিন্তান্বিত হব লগা হৈছিল। ভেনগগেও বুজিছিল তেওঁৰ অক্ষম জীৱনৰ অস্থিৰ অপূৰ্ণ প্ৰাপ্তিৰ কথা। মনৰ এই তুষুবালি বেদনাৰ কথা প্ৰকাশ কৰি তেওঁ ভায়েক থিঅ'লৈ প্ৰায়ে চিঠি লিখিছিল। ভেনগগৰ জীৱনৰ এই এজন মাত্ৰ ভাই থিঅ' যিয়ে ভেনগগৰ মনৰ প্ৰতিটো অনুভূতিক বুজি পাইছিল

আৰু ধুমুহাৰ মৰ্য্যাদা লভিছিল। ভেনগগৰ চিত্ৰত [illegible] আৰু শক্তিশালী ষ্ট্ৰোকৰ প্ৰয়োগ হৈছিল। তাৰ বাদেও কেতবোৰ বক্ৰৰেখাৰ সমাহাৰ ঘটিছে তেওঁৰ ছবিত। যেনে "ষ্টেৰী নাইট"। চুলিৰ নিচিনা ঢৌ খেলি যোৱা বক্ৰৰেখাই সৃষ্টি কৰিছে ধুমুহাৰ চাকনৈয়া "ষ্টেৰী নাইট"ত। গগৰ অধিকাংশ চিত্ৰত থকা এই আকু-বাকুবোৰ বস্তুতে উন্মাদনাৰ প্ৰকাশ বুলিছে কব খোজে।

শোভাৰ মাজতো কেৱল হালধীয়া ৰঙকেই বেছি প্ৰত্যক্ষ কৰিবলৈ ধৰিলে। আৰ্লচলৈ এদিন বসন্ত আহিল আৰু ফুলি উঠিল প্ৰচুৰ সূৰ্য্যমুখী ফুল। ভেনগগ এইবাৰ সূৰ্য্যমুখী ফুলৰ প্ৰতি আকৰ্ষিত হ'ল। আৰ্লচৰ সূৰ্য্যৰ অশান্ত প্ৰখৰতাত ফুলি উঠিল ভেনগগৰ যুগজয়ী 'চানফ্লাৱাৰ' প্ৰশান্তিৰ গভীৰতা লৈ।

ভেনগগৰ এই দুৰ্নিবাৰ ব্যস্ততাৰ মাজতো প্ৰেম আৰু ভাল-পোৱাৰ নিসংগতাই মাজে মাজে তেওঁক কোবাই লৈ যায়হি। প্ৰাৰম্ভিক

খুজিছিল। কিন্তু ব্যৰ্থ হোৱাত নিজৰ কাণ এখনকে কাটি তেওঁ বণিতা ৰাচেলক উপহাৰ হিচাবে দিয়ে।

অৱশেষত তেওঁক ভায়েক থিঅ'ই অভাচ'ৰ মানসিক চিকিৎসালয়ত ভৰ্ত্তি কৰে। ভেনগগৰ মানসিক অসুস্থতা ধাৰাবাহিক নোহোৱাত সুস্থ সময়ত তেওঁ ছবি আঁকাত লাগি গৈছিল। মৃত্যুৰ ছব্বিছটা ঘণ্টাৰ প্ৰাক্‌মুহূৰ্ত্তত কেনভাচৰ বুকুত চিত্ৰিত হৈ ৰ'ল "সোণালী শস্য পথাৰত উৰন্ত কাউৰীৰ জাক', নিসংগ আত্মাৰ কবিতাময় যেন লগা ভেনগগৰ জীৱনৰ শেষ ছবি।

সংঘাট আৰু ব্যৰ্থতা আছিল তেওঁৰ নীৰৱ সময়ৰ সংগী। তেওঁৰ মাক আৰু দেউতাকে পুত্ৰৰ যাযাবৰী অৱস্থাৰ অৱসানৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰি চিন্তান্বিত হব লগা হৈছিল। ভেনগগেও বুজিছিল তেওঁৰ অক্ষম জীৱনৰ অস্থিৰ অপূৰ্ণ প্ৰাপ্তিৰ কথা। মনৰ এই তুমুবালি বেদনাৰ কথা প্ৰকাশ কৰি তেওঁ ভায়েক থিঅ'লৈ প্ৰায়ে চিঠি লিখিছিল। ভেনগগৰ জীৱনৰ এই একজন মাত্ৰ ভাই থিঅ' যিয়ে ভেনগগৰ মনৰ প্ৰতিটো অনুভূতিক বুজি পাইছিল; যিজনে ভৱিষ্যতক মহৎ শিল্পপ্ৰাণ ভিনচেণ্ট ভেনগগক একজন যুগজয়ী চিত্ৰকৰ হিচাপে আৰু আধুনিক চিত্ৰকলাৰ পথ প্ৰদৰ্শক হিচাপে চৈজান গগাঁ, চুৰাট আদিৰ লগতে স্থান দখল …

আৰু ধুমুহাৰ মৰ্য্যাদা লভিছিল। ভেনগগৰ চিত্ৰত … আৰু শক্তিশালী ষ্ট্ৰোকৰ প্ৰয়োগ হৈছিল। তাৰ বাদেও … বক্ৰৰেখাৰ সমাহাৰ ঘটিছে তেওঁৰ ছবিত। যেনে "ষ্টেৰী নাইট" … চুলিৰ নিচিনা ঢৌ খেলি যোৱা বক্ৰৰেখাই সৃষ্টি কৰিছে … চাকনৈয়া "ষ্টেৰী নাইট"ত। গগৰ অধিকাংশ চিত্ৰত … আকৃ-বাকৃবোৰ ৰঙতে উন্মাদনাৰ প্ৰকাশ বুলিছে … অৱশ্যে এইবোৰ গগৰ এটা তাৎপৰ্য্যপূৰ্ণ বৈশিষ্ট্য। তেওঁ … বিজাৰৰ দ্বাৰা যেন বুজাবলৈ চেষ্টা কৰিছিল জীৱনত … দুখ, শোকৰ মৰ্মবেদনাৰ …

শোভাৰ মাজতো কেৱল হালধীয়া ৰঙকেই বেছি প্ৰত্যক্ষ কৰিবলৈ ধৰিলে। আৰ্লচলৈ এদিন বসন্ত আহিল আৰু ফুলি উঠিল প্ৰচুৰ সূৰ্য্যমুখী ফুল। ভেনগগ এইবাৰ সূৰ্য্যমুখী ফুলৰ প্ৰতি আকৰ্ষিত হ'ল। আৰ্লচৰ সূৰ্য্যৰ অশান্ত প্ৰখৰতাত ফুলি উঠিল ভেনগগৰ যুগজয়ী 'ছানফ্লাৱাৰ' প্ৰশান্তিৰ গভীৰতা লৈ।

ভেনগগৰ এই ঘূৰ্ণিবাৰ ব্যস্ততাৰ মাজতো প্ৰেম আৰু ভাল-পোৱাৰ নিসংগতাই মাজে মাজে তেওঁক কোবাই লৈ যায়হি। তেওঁ আছিল অত্যন্ত ৰুক্ষ কিন্তু প্ৰচণ্ড আবেগিক। প্ৰাৰম্ভিক জীৱনচোৱাত তেওঁ নিজৰ প্ৰেম আৰু আদৰ্শক কিভাৱে গ্ৰহন কৰিব বিচাৰিছিল, সেই কথা বিশ্লেষণ কৰাটো কঠিন। প্ৰেম … উৰন্ত কাঙাল

খুজিছিল। কিন্তু ব্যৰ্থ হোৱাত নিজৰ কাণ এখনকে কাটি তেওঁ বণিতা ৰাচেলক উপহাৰ হিচাবে দিয়ে।

অৱশেষত তেওঁক ভায়েক থিঅ'ই অভাচ'ৰ মানসিক চিকিৎসালয়ত ভৰ্ত্তি কৰে। ভেনগগৰ মানসিক অসুস্থতা ধাৰা-বাহিক নোহোৱাত সুস্থ সময়ত তেওঁ ছবি আঁকাত লাগি গৈছিল। মৃত্যুৰ ছব্বিছটা ঘণ্টাৰ প্ৰাক্‌মুহূৰ্ত্তত কেনভাচৰ বুকুত চিত্ৰিত হৈ ৰ'ল "সোণালী শস্য পথাৰত উৰন্ত কাউৰীৰ জাক', নিসংগ আত্মাৰ কবিতাময় যেন লগা ভেনগগৰ জীৱনৰ শেষ ছবি। পিছদিনাই ভেনগগে আত্মহত্যা কৰিলে। তেওঁ আছিল মাৰাত্মক-ভাৱে অনুভূতিপ্ৰৱণ। ভিনচেণ্ট ভেনগগে জীৱনত এখনো প্ৰদৰ্শনী পতা নাছিল। বন্ধু বৰ্গৰ শত অনুৰোধ পিছ পেলাই

সংঘাট আৰু ব্যৰ্থতা আছিল তেওঁৰ নীৰৱ সময়ৰ সংগী। তেওঁৰ মাক আৰু দেউতাকে পুত্ৰৰ যাযাবৰী অৱস্থাৰ অৱসানৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰি চিন্তান্বিত হব লগা হৈছিল। ভেনগগেও বুজিছিল তেওঁৰ অক্ষম জীৱনৰ অস্থিৰ অপূৰ্ণ প্ৰাপ্তিৰ কথা। মনৰ এই তুমুবালি বেদনাৰ কথা প্ৰকাশ কৰি তেওঁ ভায়েক থিঅ'লৈ প্ৰায়ে চিঠি লিখিছিল। ভেনগগৰ জীৱনৰ এই এজন মাত্ৰ ভাই থিঅ' যিয়ে ভেনগগৰ মনৰ প্ৰতিটো অনুভূতিক বুজি পাইছিল; যিজনে ভৱিষ্যতক মহৎ শিল্পপ্ৰাণ ভিনচেণ্ট ভেনগগক এজন যুগজয়ী চিত্ৰকৰ হিচাপে আৰু আধুনিক চিত্ৰকলাৰ পথ প্ৰদৰ্শক হিচাপে চেঁজান গগাঁ চুৰাট আদিৰ লগতে স্থান দখল কৰাৰ ক্ষেত্ৰত তিলে তিলে গঢ়ি উঠিবলৈ ইন্ধন যোগাইছিল।

১৮৭৮ চনত তেওঁ বৰিনেজলৈ যায় এজন ধৰ্মপ্ৰচাৰক হিচাপে। তাতেই তেওঁ কয়লা খনিৰ শ্ৰমিকসকলৰ দুখৰ জীৱন যাত্ৰা দেখি কঢ় বাস্তৱৰ নিষ্ঠুৰতা উপলব্ধি কৰে। বৰিনেজৰ কোনো এটা পুৱাবেলা ভেনগগ গৈ বহিছিল মাৰ্কাচৰ কয়লা-খনিৰ এটা মামৰে ধৰা লোহাৰ পাইপৰ ওপৰত। হঠাৎ তেওঁৰ চকুত পৰিল পকৱাবদৰে ক'লা জধলা পোচাক পিন্ধা এজন মানুহ খনিৰ প্ৰৱেশ দ্বাৰেদি ওলাই আহিছে। মানুহটোৰ প্ৰতি হঠাৎ তীব্ৰ আকৰ্ষণবোধ কৰিলে তেওঁ। একো নভবাকৈয়ে এখন চিঠিৰ খামৰ পিঠিত শ্ৰমিকজনৰ অপসৃয়মান ছবিটো আঁকি পেলালে। তাৰ পাছতো তেনেধৰণৰ কেইবাটাও স্কেচ কৰি তেওঁ উদ্বেলিত উত্তেজনা অনুভৱ কৰিলে। সেয়াই আছিল আৰম্ভণি। দুৰ্নিবাৰ গতিত শ্ৰমিকসকলৰ ধুম্ৰায়িত অৱয়বৰ স্কে্ছ কৰি যাবলৈ ধৰিলে। প্ৰতিটো ৰেখা বিন্যাসৰ মাজেদি ফুটি উঠিছিল বৰিনেজৰ বাসিন্দাসকলৰ পৰিচ্ছন্ন বৈশিষ্ট্য।

চিত্ৰকলাৰ ইতিহাসলৈ প্ৰতীকবাদৰ বিকাশ ঘটোৱাত গগাঁ আৰু গগৰ যোগদান আছিল অভূতপূৰ্ব। দুয়োৰে ছবিবিলাকত প্ৰতীকী অভিব্যঞ্জন ব্যৱহৃত হৈছিল বিভিন্ন অৰ্থত। উভয়ে ইম্প্ৰেশ্ব'নিষ্ট শিল্পীসকলৰ আবেষ্টনীত থাকিলেও ছবি আঁকিছিল স্বতন্ত্ৰৰীয়াকৈ নিজস্ব ষ্টাইলত। আদি অৱস্থাত ভেনগগৰ ছবি সমূহত বৰ্ণময় প্ৰকৃতিৰ সুন্দৰ উপস্থাপনা দেখা গৈছিল যদিও তেওঁৰ চিত্ৰবোৰত শেহলৈ চন্দ্ৰ আৰু বতাহে কালান্তক যম আৰু ধুমুহাৰ মৰ্যাদা লভিছিল। ভেনগগৰ চিত্ৰত ডা আৰু শক্তিশালী ষ্ট্ৰোকৰ প্ৰয়োগ হৈছিল। তাৰ বাদেও কেৱ বক্ৰৰেখাৰ সমাহাৰ ঘটিছে তেওঁৰ ছবিত। যেনে "ষ্টেৰী নাই চুলিৰ নিচিনা ঢৌ খেলি যোৱা বক্ৰৰেখাই সৃষ্টি কৰিছে চাকনৈয়া "ষ্টেৰী নাইট"ত। গগৰ অধিকাংশ চিত্ৰত থকা আক্-বাক্-বাৰ বক্ৰতে উন্মাদনাৰ প্ৰকাশ বুলিহে কৰ যো অৱশ্যে এইটো গগৰ এটা তাৎপৰ্য্যপূৰ্ণ বৈশিষ্ট্য। তেওঁ বিলাকৰ দ্বাৰা যেন বুজাবলৈ চেষ্টা কৰিছিল জীৱনত দুখ, শোকৰ মৰ্মবেদনাৰ ৰেখা। বৰ্তমান প্ৰায় এশকোটি বিক্ৰী হোৱা 'Portrait of vincent vengogh' ইয়াৰ উদাহৰণ।

ভেনগগে জীৱনৰ চাল্লিছটা বসন্ত অৰ্থৰ কাৰণে ভা ওপৰত নিৰ্ভৰ কৰি থাকিবলগা হয়। তেওঁ আমষ্টাৰডামত সৰু ঘৰ ভাড়াত লৈ ষ্টুডিঅ' হিচাবে ব্যৱহাৰ কৰি থকা' অৱস্থা দেউতাকৰ মৃত্যু হয়। দেউতাকৰ মৃত্যুৰ পাছত তেওঁ মাকে ম ঘৰলৈ গৈছিল। কিন্তু ভনীয়েক এলিজাবেথে নিষ্কৰ্মা ভেন ঘৰলৈ যাবলৈ বাধা দি নিজৰ পথ বাচি লবলৈ কোৱাত এই ভিনচেণ্ট ভেনগগ হ্যানেনত থাকিবলৈ লয়। হ্যানেনত ডি নামে এটা কৃষক পৰিয়ালৰ লগত তেওঁৰ বন্ধুত্ব গঢ়ি উঠ ডি গ্ৰ্ৰুটৰ পৰিয়ালৰ আলুখায়েই গ্ৰ্ৰুটৰ পৰিয়ালতে পি এটি কোঠাত ভাড়াত থাকি ছবি আঁকাৰ কামত ভেনগগ নি মনে ৰাতিয়ে দিনে কাম কৰে। এই দৰিদ্ৰ পৰিয়ালটো আলুখোৱাৰ এক দৃশ্য তেওঁ আৱদ্ধ কৰি ৰাখিলে "পটেট' ইটাৰ ছবিত। সেইখনেই আছিল ভেনগগৰ প্ৰথম বৃহৎ তৈল ছবি ভিনচেণ্টে বিচাৰিছিল ছবিৰ মাজত জীৱনৰ আৰু বাস্তৱৰ গ্লানি দৰিদ্ৰ আৰু পৰিশ্ৰমৰ সঁচা ৰূপ। "পটেট' ইটাৰ"ৰ মা তাৰ এক পূৰ্ণতা বিচাৰি পাই বহুদিনৰ মূৰত ভেনগগ এবাৰ তৃপ্ত হ'ল।

আৰ্লচ! ভিনচেণ্টৰ জীৱনৰ শিল্পৰবি উদয় আৰু জীৱনৰ অস্তগামী হোৱাৰ সাফল্যতম অভিশপ্ত ঠাই। আৰ্লচৰ হাল সূৰ্য্যক তেওঁ ছবিৰ মাজত বন্দী কৰিবৰ বাবেই ভেনগগে অক্ হাতেৰে হালধীয়া ৰং কেন্‌ভাচৰ বুকুত সানিবলৈ ধৰিলে আৰ্লচৰ সূৰ্য্যৰ উত্তাপত ভেনগগৰ দুচকুৱে প্ৰকৃতিৰ শ্যা

শোভাৰ মাজতো কেৱল হালধীয়া ৰঙকেই বেছি প্ৰত্যক্ষ কৰিবলৈ ধৰিলে। আৰ্লচলৈ এদিন বসন্ত আহিল আৰু ফুলি উঠিল প্ৰচুৰ সূৰ্য্যমুখী ফুল। ভেনগগ এইবাৰ সূৰ্য্যমুখী ফুলৰ প্ৰতি আকৰ্ষিত হ'ল। আৰ্লচৰ সূৰ্য্যৰ অশান্ত প্ৰখৰতাত ফুলি উঠিল ভেনগগৰ যুগজয়ী 'ছানফ্লাৱাৰ' প্ৰশান্তিৰ গভীৰতা লৈ।

ভেনগগৰ এই ঘূৰ্ণিবাৰ ব্যস্ততাৰ মাজতো প্ৰেম আৰু ভাল-পোৱাৰ নিসংগতাই মাজে মাজে তেওঁক কোবাই লৈ যায়হি। তেওঁ আছিল অত্যন্ত ৰুক্ষ কিন্তু প্ৰচণ্ড আবেগিক। প্ৰাৰম্ভিক জীৱনচোৱাত তেওঁ নিজৰ প্ৰেম আৰু আদৰ্শক কিভাৱে গ্ৰহন কৰিব বিচাৰিছিল, সেই কথা বিশ্লেষণ কৰাটো কঠিন। প্ৰেম আৰু ভালপোৱাৰ আকাশত ভেনগগ আছিল এক উৰন্ত কাঙাল পখী। আৰ্লচত তেওঁ লগ পায় কিশোৰী বণিতা ৰাচেলক। গ'গৰ ৰ'দে পোৱা চেহেৰা, ৰঙা চকু, টপামূৰ, জধলা পোছাক আৰু দেহৰ বিসংগতি সৰু সৰু কাণ দেখি আৰ্লচৰ লৰা-ছোৱালী বিলাকে তেওঁক লালপাগল বুলি জোকাইছিল। ৰাচেলে ধেমালিতে প্ৰায় তেওঁক কৈছিল—"তোমাৰ কাণ এখন মোক দিবানে লাল পাগল ?

প্ৰখৰ সূৰ্য্যৰ তাপকো আওকাণ কৰি একেৰাহে কাম কৰি থাকোতে তেওঁৰ মগজুৰ বিকৃতিয়ে দেখা দিলে আৰু এদিন অস্থিৰ হৈ তেওঁ সহবাসী শিল্পী বন্ধু প'ল গগাৰ কাণ এখন কাটিব খুজিছিল। কিন্তু ব্যৰ্থ হোৱাত নিজৰ কাণ এখনকে কাটি তেওঁ বণিতা ৰাচেলক উপহাৰ হিচাবে দিয়ে।

অৱশেষত তেওঁক ভায়েক থিঅ'ই অভাচ'ৰ মানসিক চিকিৎসালয়ত ভৰ্ত্তি কৰে। ভেনগগৰ মানসিক অসুস্থতা ধাৰা-বাহিক নোহোৱাত সুস্থ সময়ত তেওঁ ছবি আঁকাত লাগি গৈছিল। মৃত্যুৰ ছবিছটা ঘণ্টাৰ প্ৰাক্‌মূহুৰ্ত্তত কেনভাচৰ বুকুত চিত্ৰিত হৈ ৰ'ল "সোণালী শস্য পথাৰত উৰন্ত কাউৰীৰ জাক', নিসংগ আত্মাৰ কবিতাময় যেন লগা ভেনগগৰ জীৱনৰ শেষ ছবি। পিছদিনাই ভেনগগে আত্মহত্যা কৰিলে। তেওঁ আছিল মাত্ৰাত্মক-ভাৱে অনুভূতিপ্ৰৱণ। ভিনচেণ্ট ভেনগগে জীৱনত এখনো প্ৰদৰ্শনী পতা নাছিল। বন্ধু বৰ্গৰ শত অনুৰোধ পিছ পেলাই ছবিসমূহ আঁকি থৈছিল হোটেলৰ বেৰত "টানঞ্জৰীয়া কাফেত। আজি সেই সমাজৰ পৰা পৰিত্যক্ত, অৱহেলিত উন্মাদজন শিল্প-জগতৰ অন্যতম দিগ্বিজয়ী বীৰ গগে তেতিয়াই ভৱিষ্যত পুৰুষে তেওঁ স্বীকৃতি দিব বুলি অনুমান কৰিছিল। ভাতৃ থিঅ'লৈ চিঠিত লিখিছিলও, কিন্তু নিশ্চিত নাছিল।

কবি নৱকান্ত বৰুৱাৰ ভাষাত—

"সমদলৰ শেষৰ মানুহজনে জনা নাছিল
তেওঁ যে এটা নতুন সমদলৰ আগশাৰীত।"





# ড° লীলা গগৈৰ জীৱন আৰু সাহিত্য

শ্ৰীতুষাৰ জ্যোতি দত্তবৰা
স্নাতক, তৃতীয় বাৰ্ষিক (কলা)

ড° লীলা গগৈ অসমীয়া সাহিত্য জগতৰ ...

অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত গৱেষক হিচাপে নিযুক্তি লাভ কৰাৰ পিছত ১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা আৰু জনজাতীয় সংস্কৃতি বিভাগত গৱেষক হিচাপে নিযুক্তি লাভ কৰে। সেই একে বছৰতে গগৈদেৱে "নতুন অসমীয়া" সংবাদ পত্ৰৰ সম্পাদনা বিভাগত যোগদান কৰে। ১৯৬০ চনত গগৈদেৱে পুনৰ পুৰণি কৰ্মস্থল শিৱসাগৰ চৰকাৰী হাইস্কুললৈ ঘূৰি আহি প্ৰধান শিক্ষক হিচাপে যোগদান কৰে যদিও ১৯৬৩ চনত আকাশবাণী 'গুৱাহাটী কেন্দ্ৰত 'স্প'কেন ৱৰ্ড প্ৰডিউচাৰ' (Spoken Word Producer) হিচাপে যোগদান কৰে। সেই একে বছৰতে গগৈদেৱে গড়গাওঁ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। গড়গাওঁ মহাবিদ্যালয়ত এবছৰ কাল অধ্যাপনা কৰাৰ পাছত পুনৰ ১৯৬৪ চনত শিৱসাগৰ মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে যোগদান কৰে। এনেদৰে প্ৰায় ওঠৰ বছৰ কাল বিভিন্ন স্থানত, বিভিন্ন বিভাগত, বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰাৰ পাছত গগৈদেৱে ১৯৬৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰবক্তা হিচাপে স্থায়ী নিযুক্তি লাভ কৰে। ১৯৭৩ চনত উক্ত ... সমিতিৰ সচিব হিচাপে ...

চনৰ পৰা ১৯৮০ চনলৈকে তেখেতে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পদত অধিষ্ঠিত আছিল। ১৯৮০-৮১ বৰ্ষত তেখেতে সাহিত্য সভাৰ উপসভাপতি নিৰ্বাচিত হৈছিল। ১৯৮৩ চনত বঙ্গাইগাৱঁত অনুষ্ঠিত অসম সাহিত্য সভাৰ 'বুৰঞ্জী অধিবেশন'ৰ তেখেতে সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৭৩ চনৰপৰা ১৯৯০ চন পৰ্যন্ত সৰ্বভাৰতীয় পাঠ্যপুথি প্ৰণয়ন সমিতিৰ সদস্য, ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য, শিৱসাগৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য, নতুন দিল্লীৰ সাহিত্য একাদেমীৰ পুথি পৰ্য্যা-লোচক আৰু নেশ্যনেল বুক ট্ৰাষ্টৰ অনুবাদক হিচাপেও দায়িত্ব পৰিচালনা কৰিছিল। মৃত্যুৰ সময়লৈকে ড° গগৈদেৱে অসম সাহিত্য সভাৰ সভাপতি পদবীতে আছিল।

ড° লীলা গগৈদেৱৰ সাহিত্যিক জীৱন আৰম্ভ হয় ১৯৫৪ চনত "থঁৰা শিয়ালৰ বিয়া" শীৰ্ষক শিশু কবিতা পুথি প্ৰকাশেৰে। সেই একে বছৰতে "সোণতৰা" শীৰ্ষক শিশু উপযোগী চুটি গল্প সংকলন এটিও প্ৰকাশ পায়। পৰৱৰ্তী বৰ্ষত ১৯৫৫ চনত "পোনাকনৰ সপোন" শীৰ্ষক শিশু কাহিনী পুথি প্ৰকাশ হয়। এনেদৰে মাত্ৰ দুটা বছৰতে তিনিখন শিশু সাহিত্যৰ গ্ৰন্থ প্ৰকাশ কৰি উলিয়াই ড° গগৈদেৱে সাহিত্যিক হিচাপে আত্মপ্ৰকাশ



# ড° লীলা গগৈৰ জীৱন আৰু সাহিত্য

শ্ৰীতুষাৰ জ্যোতি দত্তবৰা
স্নাতক, তৃতীয় বাৰ্ষিক (কলা)

ড° লীলা গগৈ অসমীয়া সাহিত্য জগতৰ এটা পৰিচিত নাম। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে হাস্য-ব্যংগ ৰচনাৰে পাঠক-শ্ৰোতাৰ মনৰ মাজত হাঁহিৰ থুনপাক জগাই তোলা আৰু তত্ত্ব-গধুৰ ৰচনাৰে তত্ত্ব সন্ধানীমূলক পাঠকৰ মনত চিন্তাৰ উদ্ৰেক কৰিবপৰা বিৰল গুণৰ অধিকাৰী সু-সাহিত্যিক, সাংবাদিক, গীতিকাৰ, বুৰঞ্জীবিদ তথা ১৯৯৪ চনৰ অসম সাহিত্য সভাৰ যাঠিতম মৰিগাওঁ অধিবেশনৰ সভাপতি ড° লীলা গগৈক চিনি নোপোৱা লোক নাই বুলিব পাৰি। সৌ সিদিনা ২৩।৭।৯৪ তাৰিখে তেখেতৰ বিয়োগৰ বাতৰিয়ে গভীৰ শোক সাগৰত পেলাই থৈ গ'ল।

এই গৰাকী মণিষী কথা শিল্পীৰ জন্ম হৈছিল শিৱসাগৰ জিলাৰ চেবেকাপাৰ হাতীমুৰীয়া গাৱঁত ১৯৩০ চনৰ ২৫ নৱেম্বৰত। পিতৃ ৺ধনীৰাম গগৈ আৰু মাতৃ ৺সৰুমলা গগৈৰ সুযোগ্য পুত্ৰ লীলা গগৈৰ সৰুতে নাম আছিল "নীলকণ্ঠ"। গগৈদেৱৰ শিক্ষা জীৱন আৰম্ভ হৈছিল ১৯৩৫ চনৰ চেবেকাপাৰ প্ৰাথমিক বিদ্যালয়ত। "যি মূলা বাঢ়িব তাৰ দুপাততে চিন"—এই কথাৰ প্ৰমাণ দাঙি ধৰে তেৰ বছৰীয়া লীলা গগৈয়ে ১৯৪৩ চনত শিৱসাগৰ চৰকাৰী মজলীয়া বিদ্যালয়ৰপৰা উচ্চ গণিত আৰু উচ্চ অসমীয়াসহ প্ৰথম হৈ উত্তীৰ্ণ হয়। ইয়াৰ পাছত পুনৰ ১৯৫০ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰপৰা সংস্কৃতত লেটাৰসহ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৫৩ চনত গগৈদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা আই এ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত ১৯৫৮ চনত একেখন বিশ্ববিদ্যালয়ৰপৰা সম্পূৰ্ণ অনিয়মীয়া শিক্ষক পৰীক্ষাৰ্থী হিচাপে বি. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। চাৰি বছৰৰ পাছত ১৯৬২ চনত গগৈদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা সম্পূৰ্ণ প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে অসমীয়া সাহিত্য বিষয়ত এম. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। "অসমীয়া বুৰঞ্জী সাহিত্যৰ সমালোচনামুলক অধ্যয়ন"—বিষয়ৰ ওপৰত গৱেষণা কৰি গগৈদেৱে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা পি. এইচ- ডি ডিগ্ৰী লাভ কৰে।

ড° লীলা গগৈদেৱৰ কৰ্মজীৱন আৰম্ভ হয় ১৯৫১ চনত শিৱসাগৰ টাউন হাইস্কুল সহকাৰী শিক্ষকৰূপে। ১৯৫৪ চনত

অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত গৱেষক হিচাপে নিযুক্তি লাভ কৰাৰ পিছত ১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা আৰু জনজাতীয় সংস্কৃতি বিভাগত গৱেষক হিচাপে নিযুক্তি লাভ কৰে। সেই একে বছৰতে গগৈদেৱে "নতুন অসমীয়া" সংবাদ পত্ৰৰ সম্পাদনা বিভাগত যোগদান কৰে। ১৯৬০ চনত গগৈদেৱে পুনৰ পুৰণি কৰ্মস্থল শিৱসাগৰ চৰকাৰী হাইস্কুললৈ ঘূৰি আহি প্ৰধান শিক্ষক হিচাপে যোগদান কৰে যদিও ১৯৬৩ চনত আকাশবাণী 'গুৱাহাটী কেন্দ্ৰত 'স্প'কেন ৱৰ্ড প্ৰডিউচাৰ' (Spoken Word Producer) হিচাপে যোগদান কৰে। সেই একে বছৰতে গগৈদেৱে গড়গাওঁ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। গড়গাওঁ মহাবিদ্যালয়ত এবছৰ কাল অধ্যাপনা কৰাৰ পাছত পুনৰ ১৯৬৪ চনত শিৱসাগৰ মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে যোগদান কৰে। এনেদৰে প্ৰায় ওঠৰ বছৰ কাল বিভিন্ন স্থানত, বিভিন্ন বিভাগত, বিভিন্ন পদবীত কাৰ্য্যনিৰ্বাহ কৰাৰ পাছত গগৈদেৱে ১৯৬৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰবক্তা হিচাপে স্থায়ী নিযুক্তি লাভ কৰে। ১৯৭৩ চনত উক্ত বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব হিচাপে নিযুক্তি লাভ কৰে। ১৯৮৩ চনত উক্ত বিশ্ববিদ্যালয়ৰে অসমীয়া বিভাগৰ ৰীডাৰ নিযুক্তি লাভ কৰাৰ লগতে পুনৰ অতিৰিক্ত ভাৱে পাঠ্যপুথি প্ৰণয়ন সমন্বয় সমিতিৰ সচিব হিচাপে দায়িত্ব-ভাৰ বহন কৰে আৰু অৱসৰ গ্ৰহণৰ সময়লৈকে এই অতিৰিক্ত দায়িত্বত কাৰ্য্যনিবাহ কৰে। ১৯৯০ চনত তেখেতে অধ্যাপক পদলৈ পদোন্নতি লাভ কৰে যদিও সেই বছৰতে অৱসৰ গ্ৰহণ কৰে। বিশ্ববিদ্যালয়ৰ চাকৰিত কাৰ্য্যনিবাহ কৰি থকাৰ সময়তে অসম চৰকাৰে তেখেতক বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ অবৈতনিক সঞ্চালক হিচাপে নিযুক্তি দিয়ে আৰু ১৯৯১ চনলৈ উক্ত পদত কাৰ্য্যনিবাহ কৰে। ১৯৯১ চনত ড° গগৈয়ে পূৰ্ণ-কালীন সঞ্চালক হিচাপে নিযুক্তি লাভ কৰে আৰু ১৯৯৩ চনলৈ এই দায়িত্ব পালন কৰে।

১৯৫১ চনৰপৰা ১৯৯৩ চনলৈ এই সুদীৰ্ঘ কৰ্ম জীৱনৰ মাজতে ড° লীলা গগৈদেৱে বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতো জড়িত থাকি একনিষ্ঠভাৱে সেৱা আগবঢ়াইছিল। ১৯৭৮ চনৰ পৰা ১৯৮০ চনলৈকে তেখেতে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পদত অধিষ্ঠিত আছিল। ১৯৮০-৮১ বৰ্ষত তেখেতে সাহিত্য সভাৰ উপসভাপতি নিৰ্বাচিত হৈছিল। ১৯৮৩ চনত বঙাইগাৱঁত অনুষ্ঠিত অসম সাহিত্য সভাৰ 'বুৰঞ্জী অধিবেশন'ৰ তেখেতে সভাপতিৰ পদ অলংকৃত কৰিছিল। ১৯৭৩ চনৰপৰা ১৯৯০ চন পৰ্যন্ত সৰ্বভাৰতীয় পাঠ্যপুথি প্ৰণয়ন সমিতিৰ সদস্য, ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য, শিৱসাগৰ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য, নতুন দিল্লীৰ সাহিত্য একাদেমীৰ পুথি পৰ্য্যা-লোচক আৰু নেশ্বনেল বুক ট্ৰাষ্টৰ অনুবাদক হিচাপেও দায়িত্ব পৰিচালনা কৰিছিল। মৃত্যুৰ সময়লৈকে ড° গগৈদেৱে অসম সাহিত্য সভাৰ সভাপতি পদবীতে আছিল।

ড° লীলা গগৈদেৱৰ সাহিত্যিক জীৱন আৰম্ভ হয় ১৯৫৪ চনত "থৰা শিয়ালৰ বিয়া" শীৰ্ষক শিশু কবিতা পুথি প্ৰকাশেৰে। সেই একে বছৰতে "সোণতৰা" শীৰ্ষক শিশু উপযোগী চুটি গল্প সংকলন এটিও প্ৰকাশ পায়। পৰৱৰ্তী বৰ্ষত ১৯৫৫ চনত "পোনাকনৰ সপোন" শীৰ্ষক শিশু কাহিনী পুথি প্ৰকাশ হয়। এনেদৰে মাত্ৰ দুটা বছৰতে তিনিখন শিশু সাহিত্যৰ গ্ৰন্থ প্ৰকাশ কৰি উলিয়াই ড° গগৈদেৱে সাহিত্যিক হিচাপে আত্মপ্ৰকাশ কৰি অসমীয়া সাহিত্যত বুৰঞ্জী, সংস্কৃতি, লোক সাহিত্য, লঘু-ৰচনা, শিশু সাহিত্য, গীত আৰু কবিতা, উপন্যাস সংকলন আৰু সম্পাদনা আৰু অনুবাদ গ্ৰন্থকে ধৰি বিবিধ পুথি ৰচনা কৰি থৈ গৈছে। ড° গগৈদেৱৰদ্বাৰা ৰচিত বুৰঞ্জীমূলক গ্ৰন্থ কেইখন হ'ল— (১) বুৰঞ্জীয়ে পৰশা নগৰ (১৯৫৭), (২) হেৰুৱা দিনৰ কথা (১৯৫৭), (৩) শৰাইঘাটৰ যুদ্ধৰ কথা (১৯৭৭), (৪) বেলিমাৰ গ'ল (১৯৮৩), (৫) বুৰঞ্জী সাহিত্য (১৯৮৮), (৬) বুৰঞ্জীয়ে কথা কয় (১৯৯১) ইত্যাদি।

ড° গগৈ আছিল প্ৰকৃতাৰ্থত এজন লোক সংস্কৃতিৰ গৱেষক। তেখেত এগৰাকী উজনি অসমৰ খাচ্ গাৱঁৰ মানুহ হিচাপে গাৱেঁ-ভুঞে ঘূৰি ফুৰি লোক সংস্কৃতিৰ সমল গোটাইছিল। সংগৃহীত সমলেৰে লোক সংস্কৃতিৰ বিষয়ক ভালেকেইখন গ্ৰন্থ তেখেতে ৰচনা কৰিছিল। সেই সংস্কৃতিমূলক গ্ৰন্থকেইখন হ'ল— (১) আহোম জাতি আৰু অসমীয়া সংস্কৃতি (১৯৬১) (২) বিহু

এটি সমীক্ষা (১৯৬৯) (৩) 'টাই' সংস্কৃতিৰ ৰূপৰেখা (১৯৭১) (৪) সাহিত্য-সংস্কৃতি বুৰঞ্জী (১৯৭২) অসমৰ সংস্কৃতি (১৯৮২)। তেখেতৰ লোক সাহিত্য সম্পৰ্কীয় গ্ৰন্থবোৰ হ'ল—(১) অসমৰ লোক গীতি (১৯৫৭), (২) মণিৰাম দেৱানৰ গীত (১৯৫৭), (৩) জোনবাই এ, এটি তৰা দিয়া (১৯৫৭), (৪) অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা (১৯৬৮), (৫) বিহুগীত আৰু বনঘোষা (১৯৬৯) ইত্যাদি। লোক সাহিত্যৰ সংগ্ৰহৰ ক্ষেত্ৰত তেখেতক সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে অনুপ্ৰেৰণা যোগাইছিল। ডঃ লীলা গগৈদেৱৰ "অসমৰ সংস্কৃতি" নামৰ আলোচনাত্মক গ্ৰন্থ আৰু "বিহুগীত আৰু বনঘোষা" নামৰ সংগ্ৰহ সংকলনটি উল্লেখযোগ্য। সাংস্কৃতিক কৰ্মী হিচাপে তেখেতে বৃহত্তৰ অসমৰ প্ৰায় সকলো ঠাই ভ্ৰমণ কৰিছিল। ১৯৮৩ চনত অসম সাহিত্য সভাৰ দ্বাৰা অনুষ্ঠিত অসমৰ জাতিগত আৰু সমন্বয়ৰ আদৰ্শযুক্ত চিন্তামূলক পুথি "অসমৰ সংস্কৃতি" গ্ৰন্থৰ বাবে "সাতানাথ বৰুচৌধুৰী বঁটা" লাভ কৰি তেখেতে নিজস্ব প্ৰতিভাৰ স্বাক্ষৰ ডাঙি ধৰিবলৈ সক্ষম হৈছিল। গগৈদেৱে ভালেখিনি গীত আৰু কবিতাৰ পুথিও ৰচনা কৰিছে। তেখেতৰ গীতৰ পুথিকেইখন হ'ল—(১) গীতি মালঞ্চ (১৯৬৪), (২) সোণালী (১৯৭৮), (৩) জোনাকৰ গীত (১৯৭৯)। ৰোমাণ্টিক সুৰীয়া এই গীতত সমাজ জীৱনৰ চিত্ৰও ফুটি ওলাইছে। ডঃ গগৈৰ উপন্যাসকেইখন হ'ল—(১) "সৰগৰ মুকুতা" (১৯৫৭), (২) "ডকাইত কোন" (১৯৫৭), (৩) "নীলা খামৰ চিঠি" (১৯৬৩), (৪) "নৈ বৈ যায়" (১৯৮৩) ইত্যাদি। "নৈ বৈ যায়" নামৰ বৃহৎ কলেবৰৰ উপন্যাসখন অসমৰ গ্ৰাম্য জীৱনৰ পটভূমিত ৰচনা কৰা হৈছে। এইখন উপন্যাসক অসমীয়া সাহিত্যৰ এখন শ্ৰেষ্ঠ উপন্যাস বুলি গণ্য কৰিব পাৰি।

ডঃ গগৈ দেৱৰ শিশু সাহিত্যবাজি হ'ল—(১) "খঁৰা শিয়ালৰ বিয়া" (১৯৫৪), (২) "সোণতৰা" (১৯৫৪), (৩) "পোনাকনৰ সপোন" (১৯৫৫), (৪) "অনুপম কোঁৱৰৰ সাধু" (১৯৫৯), (৫) "লাচিত বৰফুকন" (১৯৬২), (৬) "ৰংমনৰ কথা" (১৯৫৯), (৭) "জয়মতী কুঁৱৰী আৰু মূলাগাভৰু" (১৯৬৩) (৮) "ভাৰতৰ কথা" (১৯৭২) ইত্যাদি। এই আটাইবোৰ শিশু উপযোগী ৰচনা। শিশুসকলৰ মনৰ খোৰাক যোগোৱাৰ উপৰিও নৈতিক শিক্ষা আৰু দেশাত্মবোধ জাগ্ৰত কৰাত এই পুথিসমূহে নিশ্চিত ভাৱে সহায় কৰিছে। ইয়াৰ ভিতৰত "ৰংমনৰ কথা" পুথিয়ে ১৯৫৩ চনত শিশু সাহিত্যৰ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

ডঃ গগৈৰ সংকলন আৰু সম্পাদনাৰ ভিতৰত উল্লেখযোগ্য গ্ৰন্থ হ'ল—'আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়" আৰু যুটীয়া ভাৱে সম্পাদন কৰা সংকলন হৈছে "অসমীয়া সংস্কৃতি" (১৯৬৬), অসমীয়া গ্ৰন্থপঞ্জী (১৯৭২), "যতীন্দ্ৰ নাথ দুৱৰা: কবি আৰু কবি প্ৰতিভা" (১৯৮৭) ইত্যাদি। তেখেতে ভালেকেইখন পুৰণি পুথিও সম্পাদনা কৰিছিল। তেখেতৰ সম্পাদিত পুথিবোৰ হ'ল—(১) "কুমৰ হৰণ" (১৯৭২), (২) "কালিয় দমন" (১৯৭২), (৩) "চোৰধৰা ঝুমুৰা" (১৯৭২) আৰু (৪) "অঘাসুৰ বধ" (১৯৭৩) ইত্যাদি। ডঃ গগৈৰ নিজস্ব প্ৰবন্ধ সংকলন হ'ল—"সাহিত্য: দ্যুতিমান আলোচনা" (১৯৮৩) আৰু "চিন্তাৰ স্বাক্ষৰ" (১৯৯১)। তেখেতে অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰি অৰুণাচলৰ মানুহ আৰু নৃতত্ত্বৰ ওপৰত "সীমান্তৰ মাটি আৰু মানুহ" (১৯৬৩) নামৰ গ্ৰন্থ ৰচনা কৰিছিল। এইখন গ্ৰন্থই ১৯৬৫ চনত কেন্দ্ৰীয় গৃহ মন্ত্ৰনালয়ৰপৰা পুৰস্কাৰ লাভ কৰিছিল। তেখেতৰ অনুবাদমূলক গ্ৰন্থ হ'ল—"বঙ্গৰ লোক সংস্কৃতি।" এই পুথিখন ১৯৮৩ চনত ৰচিত হৈছিল। তেখেতে ইংৰাজী ভাষাতো ভালেকেইখন মূল্যবান গ্ৰন্থ ৰচনা কৰি থৈ গৈছে—(1) "The Tai-Khamtis of North East India" (1971), (2) "The Buranjis : Historical Literature of Assam" (1986), (3) "The History of the system of Ahom Administration" (1991) ইত্যাদি। ইয়াৰ ভিতৰত "The Burnjis : Historical Literature of Assam" নামৰ বৃহৎ কলেবৰৰ আলোচনা গ্ৰন্থখন হ'ল তেখেতৰ ডিগ্ৰীৰ বাবে ৰচনা কৰা গৱেষণা গ্ৰন্থ। এই গ্ৰন্থখন অসমৰ প্ৰাচীন বুৰঞ্জী সাহিত্যৰ ওপৰত গগৈয়ে কৰা এক তুলনামূলক অধ্যয়ন। ডঃ গগৈদেৱে ইয়াৰ উপৰিও অসমৰ বিভিন্ন পত্ৰ-পত্ৰিকাত বিভিন্ন সময়ত অসংখ্য মূল্যবান প্ৰবন্ধ লিখি থৈ গৈছে।

ডঃ গগৈ এগৰাকী হাস্যৰসিক লিখক। এই বিষয়ত তেখেতৰ যথেষ্ট প্ৰতিভা পৰিলক্ষিত হৈছে। অসমীয়া হাস্য ব্যংগ সাহিত্যৰ

গতিধাৰাত হেমচন্দ্ৰ, গুনাভিৰাম বেজবৰুৱা, দণ্ডিনাথ কলিতাৰ পাচতেই ড° লীলা গগৈয়ে স্থান অধিকাৰ কৰিছিল। তেখেতে এটা সময়ত বাতৰি কাকতত "কপলিং ছিগাবেল" নামৰ ৰচনা-লানিয়ে যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল। তেখেতৰ এনে লঘু ৰচনাসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— (১) "কপলিং ছিগা বেল" (১৯৫৯), (২) "বিয়েৰিং চিঠি" (১৯৭৬), (৩) "বৃকোদৰ বৰুৱাৰ বিয়া" (প্ৰথম আৰু দ্বিতীয়খণ্ড, (১৯৭৭), (৪) "বিশেষ কি লিখিম" (১৯৭৮), (৫) "ঘেৰঘেৰী বাচ" (১৯৮১) (৬) "মুকলি চিঠি" (১৯৮৬), (৭) "হাঁহি আৰু বাঁহী" (১৯৮৫) ইত্যাদি। বিশেষকৈ তেখেতৰ 'বৃকোদৰ বৰুৱা বিয়া' খনক গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ জৰিয়তে প্ৰচাৰিত হৈ যোৱাত অসমত যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰা শ্ৰেষ্ঠ ধাৰাবাহিকৰূপে পৰিলক্ষিত হৈছে।

মুঠ কথাত ড° গগৈয়ে সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত ইমানবোৰ গ্ৰন্থ লিখি এক অভিলেখ সৃষ্টি কৰি থৈ গৈছে। তেখেতক সাহিত্যৰ এজন সাধক নাইবা সাহিত্যযোগী হিচাপে অভিহিত কৰিব পাৰি। ডঃ গগৈৰ সাহিত্যকৃতি সম্পৰ্কে ডঃ মহেশ্বৰ নেওগদেৱে মন্তব্য কৰিছে এনেদৰে—"His publications numbering as many as forty nine include such very useful study as "Assamar Sanskriti" "Tai Sanskritir Rup-Rekha" as a teacher (Lecture and the Reader) in the Assamese department and Secretary D.U.C.C. and as Honourary Director. Dept. of Historical and Antiquarian studies, Assam, Dr. Gogoi has made Solid Contribution to study of Assam's past" তদুপৰি আকৌ এবাৰ ডঃ গগৈৰ বিষয়ে ড° নেওগদেৱে কৈছে—"He has already made his mark in the field of Assamese Literature and the History. He has brought a good mass of materials regarding Assam's History of the Ahom period of light."

অসমীয়া ভাষা সাহিত্য সংস্কৃতিৰ নিস্বাৰ্থ সেৱক লীলা গগৈৰ সাহিত্য জীৱনৰ আৰম্ভণি হয় কুৰি শতিকাৰ পঞ্চাশৰ দশকৰ পৰা। "খঁৰা শিয়ালৰ বিয়া" নামৰ শিশু পুথিখনেৰে আত্ম-প্ৰকাশ কৰা লীলা গগৈ পঞ্চাশৰ দশকত কিন্তু এগৰাকী প্ৰৱন্ধকাৰ হিচাপেহে প্ৰখ্যাত হৈ উঠিছিল। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই ১৯৫৯ চনত প্ৰকাশ কৰা "অসমীয়া সাহিত্যৰ ইতিবৃত্ত" গ্ৰন্থত লীলা গগৈৰ উল্লেখ এনেদৰে কৰিছিল—"দাৰ্শনিক, ঐতিহাসিক, ধাৰ্মিক বা আন তথ্যপূৰ্ণ প্ৰৱন্ধ ৰচনাত ভৱানন্দ দত্ত, ৰাজমোহন নাথ, পণ্ডিত মনোৰঞ্জন শাস্ত্ৰী, শৰৎ চন্দ্ৰ গোস্বামী, তীৰ্থ নাথ শৰ্মা, কেশৱ নাৰায়ণ দত্ত, লীলা গগৈ, বিশ্বনাৰায়ণ শাস্ত্ৰী, সদানন্দ চলিহা আদিৰ নাম উল্লেখযোগ্য।" উক্ত লেখকসকলৰ নামৰ লগতেই ডঃ শৰ্মাই লীলা গগৈৰ নামটো উল্লেখ কৰা কথাই গগৈৰ কলেজীয়া জীৱনতে প্ৰৱন্ধকাৰ হিচাপে স্বীকৃতি পোৱাৰ ইংগিত দিয়ে। প্ৰকৃত পক্ষে লীলা গগৈ এগৰাকী সৃষ্টিশীল সমালোচক আছিল।

ড° গগৈদেৱে সাহিত্য সৃষ্টিক সাধনা হিচাপে গ্ৰহণ কৰিছিল। শিশু কবিতা 'খঁৰা শিয়ালৰ বিয়া'ৰপৰা হাঁহিৰ থুন্‌পাক 'বৃকোদৰ বৰুৱাৰ বিয়া'লৈ" তেখেতে প্ৰায় তিনিকুৰি গ্ৰন্থ লিখি উলিয়াইছিল। বুৰঞ্জী আৰু সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰটো তেখেতৰ প্ৰতিভাই স্পষ্ট স্বাক্ষৰ ৰাখিব পাৰিছিল। উপন্যাস আৰু লঘু ৰচনা সৃষ্টি কৰি তেখেতে পাঠকক আমোদ দিব পাৰিছিল। গীত আৰু কবিতা ৰচনা কৰাৰ উপৰিও তেখেতে কেইবাখনো মূল্যবান গ্ৰন্থ সংগ্ৰহ আৰু সম্পাদনা কৰি উলিয়াইছিল। অনুবাদ সাহিত্য ৰচনা কৰিও তেখেতে সুখ্যাতি লাভ কৰিছিল। এফালে লোক-সংস্কৃতি আৰু আনফালে বুৰঞ্জীৰ গৱেষণা এই দুয়োটি দিশত ড° লীলা গগৈয়ে অসমীয়া জাতীয় জীৱনলৈ চিৰস্মৰণীয় বৰঙণি আগবঢ়াই থৈ গৈছে। "কপলিং ছিগা বেল" লিখা লীলা গগৈয়ে ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ সান্নিধ্যত আহি অসমীয়া বুৰঞ্জী সাহিত্যত মনোনিবেশ কৰিছিল। বুৰঞ্জী প্ৰীতিৰ বাবে তেখেতে শেষত ড° মহেশ্বৰ নেওগৰ তত্বাৱধানত বুৰঞ্জী সাহিত্য বিষয়ক গৱেষণা কৰি পি, এইছ, ডি, ডিগ্ৰী লাভ কৰিছিল। ভালেমান বুৰঞ্জীমূলক গ্ৰন্থ লিখাৰ উপৰিও বিভিন্ন আলোচনী আৰু বাতৰি কাকতত তেখেতে বহুতো বুৰঞ্জী বিষয়ক প্ৰৱন্ধ লিখি থৈ গৈছে।

অসম সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক আৰু বুৰঞ্জী শাখাৰ সভাপতি হিচাপে ড° গগৈদেৱে

কাৰ্য্যনিবাহ কৰিছিল। তেখেতে প্ৰধান সম্পাদক হোৱা কালচোৱাত কেইটিমান স্মৰণযোগ্য কাম কৰিছিল। ড' গগৈয়ে ১৯৭৮ চনৰ গোলাঘাট অধিবেশনৰ আৰু ১৯৭৯ চনৰ শুৱালকুছি অধিবেশনৰ প্ৰধান সম্পাদকৰ গুৰু-দায়িত্ব বহন কৰিছিল। তেখেতৰ দিনত সাহিত্য সভাৰ তৃতীয় সভাপতি "কালিৰাম মেধি"ৰ জন্ম শতবাৰ্ষিকী পালন কৰা হৈছিল। "কালিৰাম মেধি ৰচনাৱলী," "কালিৰাম মেধি স্মৃতিগ্ৰন্থ", মেধিৰ ইংৰাজী ৰচনাৱলী "ষ্টাডিজ্ ইন বৈষ্ণৱাইট লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আসাম" নামৰ গ্ৰন্থ প্ৰকাশ কৰা হৈছিল।

ড' গগৈৰ ৰচনাৰাজিকলৈ আজি অসমীয়া জাতিয়ে বিশ্ববাসীৰ আগত গৌৰৱ কৰিব পাৰে। তেখেতে অসমীয়া বুৰঞ্জী সাহিত্যৰ গদ্য আৰু তাৰ সৌষ্ঠৱ সম্পৰ্কে বিস্তৃত ব্যাখ্যা দাঙি ধৰিছিল। ড' গগৈৰ বুৰঞ্জী সাহিত্যৰ ওপৰত গভীৰ জ্ঞানৰ পৰিচয় আছিল।

ইং ১৯৩০ চনৰ ২৫ নৱেম্বৰত লীলা গগৈয়ে জন্ম গ্ৰহণ কৰি সৌ সিদিনা ইং ১৯৯৪ চনৰ ২৩ জুলাই তাৰিখে পৰলোক গমন কৰা ড' গগৈৰ তিনিকুৰি চাৰি বছৰীয়া জীৱনটোত তেখেতে অসমীয়া সাহিত্যৰ বিভিন্ন দিশত প্ৰায় দুকুৰি যোল্লখন গ্ৰন্থ ৰচনা কৰি থৈ যোৱাটো কম কথা নহয়।

অসমৰ পণ্ডিত তথা বুৰঞ্জীবিদ হেমচন্দ্ৰ গোস্বামী, কনকলাল বৰুৱা, ড' সূৰ্য্যকুমাৰ ভূঞা, বেণুধৰ শৰ্মা আদি ৰবেণ্য ব্যক্তি সকলৰ পদাংক অনুসৰি ড' গগৈয়ে অসমৰ ইমুৰ-সিমুৰ ঘূৰি ফুৰি অসমৰ প্ৰাচীন পুথি পাঁজি, বুৰঞ্জী আদি সংগ্ৰহ কৰি অসমৰ বুৰঞ্জী আৰু পুৰাতত্বৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেখেত আজি আমাৰ মাজত নাই কিন্তু তেখেতে যিবিলাক সাহিত্যৰ সম্পদ আমাক দি থৈ গৈছে, সেইবিলাকে তেখেতক অমৰত্ব দান কৰিব। ধুতি পাঞ্জাবী পৰিহিত থুলকায় পুৰুষ ড' গগৈ যেন এক সুন্দৰ ব্যক্তিত্বৰ অধিকাৰী আছিল। গগৈৰ কথা বতৰাত আৰু খোজ কাটলত গহীন গম্ভীৰ আছিল। সাজ-পোচাক আৰু আচৰণত তেখেত ভাৰতীয় সংস্কৃতিৰ ধাৰক আৰু বাহক আছিল। তেখেতৰ ব্যৱহাৰ-পাতি আছিল অমায়িক আৰু মিঠামুখীয়া। আমি তেখেতক কেতিয়াও পাহৰিব নোৱাৰো।





# অসমৰ যুৱ উশৃংখলতা ... আৰু সমা...

মানুহৰ সমাজ পৰিবৰ্তনত যুৱ সমাজৰ ভূমিকাই আটাইতকৈ বেছি। এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সু-স্থ চিন্তাধাৰাৰ বাৰ্তাবহন কৰিবলৈ হ'লে যুৱ সমাজত এটা মৌলিক আদৰ্শবোধ থকা উচিত। কিন্তু সদ্যহতে আমাৰ যুৱক যুৱতী সকলৰ নৈতিক অবক্ষয় হৈছে। যুৱ মানসিকতাই এক বিকৃত বিশৃংখল ৰূপ লৈ সমাজৰ প্ৰতি স্তৰতে আতংকৰ সঞ্চাৰ কৰিছে। আজিৰ আৰু এক দশকৰ আগৰ যুৱ মানসিকতাৰ মাজত আকাশ পাতাল পাৰ্থক্য পৰিলক্ষিত হৈছে। নিতান্তই ই চিন্তনীয় বিষয়। এই অৱক্ষয় হঠাতে সৃষ্টি হোৱা নাই। ইয়াৰ বীজ আমাৰ সমাজত কেতিয়াবাই অংকুৰিত হৈ সময়ৰ লগে লগে বৃদ্ধি হৈ আহি আছে। উত্তৰ স্বাধীন কালত শৈশৱ পাৰ কৰা যুৱক এজনৰ মনত যি দেশ প্ৰেম আৰু নৈতিকতাৰ প্ৰতি শ্ৰদ্ধা আছিল, সি সু-স্থ বাতাবৰণৰ মাজত এক দৃঢ় ৰূপ লৈছিল। কিন্তু দেশৰ আৰ্থ সামাজিক গাঁথনিৰ নিম্নগামীতাই পাছৰ চাম যুৱকৰ মনত সম্পূৰ্ণ এক বিপৰীত প্ৰকৃতিৰ মনঃস্বাতিক অৱস্থাৰ সৃষ্টি কৰিছিল। আমাৰ যুৱ চামৰ এই অৱক্ষয় আৰু উশৃংখলতাই সমাজখনক এক অন্ধকাৰ ভৱিষ্যতৰ ফালে ধাবিত কৰাইছে। অসীম শক্তিৰ ভঁৰাল এই যুৱক সকলক তেওঁলোকৰ শক্তিৰ অপচয় আৰু অপ-ব্যৱহাৰ কৰিবলৈ নিদি এক সুস্থ আৰু নিকা পথ প্ৰদৰ্শনৰ কাৰণে

চিন্তা চৰ্চা কৰাৰ প্ৰ...
আমাৰ যুৱ চামৰ মাজ...
বিয়পাৰ ভালেমান কা...
কৰা হ'ল।

পৰিসংখ্যাৰ পৰা...
প্ৰৱনতা ১৯৮৮ চনৰ...
উদাহৰণ স্বৰূপে ১৯৮...
ঘটনা ঘটিছে ৩২৩ ট...
ই মানৱ সমাজৰ ন...
সকলৰ প্ৰকৃত শিক্ষা...
ক'লা বেপাৰীসকল...
যোগিতা, স্বেচ্ছাচা...
উশৃংখলতাৰ প্ৰধান...
নিৰ্মূল কৰিব নোৱা...
পোৱাৰ আকাংশাই...

বৰ্তমান যুৱক...
উঠাৰ মূল কাৰণ হ...
যুৱকসকলক কেই...
কিছুমান পৰিয়াল...

# অসমৰ যুৱ উশৃংখলতাৰ কাৰণ আৰু সমাধানৰ উপায় ঃ

জয়ন্ত মাধৱ বৰুৱা
স্নাতক ২য় বৰ্ষ
ইংৰাজী বিভাগ

মানুহৰ সমাজ পৰিবৰ্তনত যুৱ সমাজৰ ভূমিকাই আটাইতকৈ বেছি। এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সু-স্থ চিন্তাধাৰাৰ বাৰ্তাবহন কৰিবলৈ হ'লে যুৱ সমাজত এটা মৌলিক আদৰ্শবোধ থকা উচিত। কিন্তু সদ্যহতে আমাৰ যুৱক যুৱতী সকলৰ নৈতিক অৱক্ষয় হৈছে। যুৱ মানসিকতাই এক বিকৃত বিশৃংখল ৰূপ লৈ সমাজৰ প্ৰতি স্তৰতে আতংকৰ সঞ্চাৰ কৰিছে। আজিৰ আৰু এক দশকৰ আগৰ যুৱ মানসিকতাৰ মাজত আকাশ পাতাল পাৰ্থক্য পৰিলক্ষিত হৈছে। নিতান্তই ই চিন্তনীয় বিষয়। এই অৱক্ষয় হঠাতে সৃষ্টি হোৱা নাই। ইয়াৰ বীজ আমাৰ সমাজত কেতিয়াবাই অংকুৰিত হৈ সময়ৰ লগে লগে বৃদ্ধি হৈ আহি আছে। উত্তৰ স্বাধীন কালত শৈশৱ পাৰ কৰা যুৱক এজনৰ মনত যি দেশ প্ৰেম আৰু নৈতিকতাৰ প্ৰতি শ্ৰদ্ধা আছিল, সি সু-স্থ বাতাবৰণৰ মাজত এক দৃঢ় ৰূপ লৈছিল। কিন্তু দেশৰ আৰ্থ সামাজিক গাঁথনিৰ নিম্নগামীতাই পাছৰ চাম যুৱকৰ মনত সম্পুৰ্ণ এক বিপৰীত প্ৰকৃতিৰ মনঃস্বাতিক অৱস্থাৰ সৃষ্টি কৰিছিল। আমাৰ যুৱ চামৰ এই অৱক্ষয় আৰু উশৃংখলতাই সমাজখনক এক অন্ধকাৰ ভৱিষ্যতৰ ফালে ধাবিত কৰাইছে। অসীম শক্তিৰ ভঁৰাল এই যুৱক সকলক তেওঁলোকৰ শক্তিৰ অপচয় আৰু অপ-ব্যৱহাৰ কৰিবলৈ নিদি এক সুস্থ আৰু নিকা পথ প্ৰদৰ্শনৰ কাৰণে চিন্তা চৰ্চ্চা কৰাৰ প্ৰয়োজন নিতান্তই আৱশ্যক হৈ পৰিছে। আমাৰ যুৱ চামৰ মাজত এই উশৃংখল যুৱ মানসিকতাৰ বীজ বিয়পাৰ ভালেমান কাৰণ আছে। কাৰণ সমূহ তলত আলোচনা কৰা হ'ল।


পৰিসংখ্যাৰ পৰা দেখা গৈছে যে অসমৰ সমাজত যুৱ অপৰাধ প্ৰৱনতা ১৯৮৮ চনৰ পৰা এক অনিয়ন্ত্ৰিত হাৰত বৃদ্ধি পাইছে। উদাহৰণ স্বৰূপে ১৯৮৮ চনৰ পৰা ১৯৯৩ চনৰ ভিতৰত ধৰ্ষণৰ ঘটনা ঘটিছে ৩২৩ টা, যৌতুক পণজাতিয় ঘটনা ২২ টা। গতিকে ই মানৱ সমাজৰ নগ্নতাৰ পৰিচয় নহয়নে? মুঠতে যুৱক-যুৱতী-সকলৰ প্ৰকৃত শিক্ষাৰ অভাৱ, উপযুক্ত পৰিৱেশৰ অভাৱ, সমাজৰ ক'লা বেপাৰীসকলৰ কূটনৈতিক চক্ৰান্ত, শাসক শ্ৰেণীৰ অমনো-যোগিতা, স্বেচ্ছাচাৰিতা, সমাজৰ বৈষম্য আদিৰ প্ৰভাৱেই উশৃংখলতাৰ প্ৰধান কাৰণ। এই সমস্যাসমূহ সক্ৰিয় প্ৰতিৰোধেৰে নিৰ্মূল কৰিব নোৱাৰিলে এই অপৰাধ প্ৰৱণতা ক্ৰমাৎ আৰু বৃদ্ধি পোৱাৰ আকাংশাই বেছি।

বৰ্তমান যুৱক সকলৰ মাজত উশৃংখল যুৱ মানসিকতা গঢ়ি উঠাৰ মূল কাৰণ হ'ল ঘৰুৱা পৰিৱেশ। ঘৰুৱা পৰিৱেশে আমাৰ যুৱকসকলক কেইবাপ্ৰকাৰেও বিপথগামী কৰিছে। বৰ্তমান কিছুমান পৰিয়ালত আমি দেখিবলৈ পাওঁ যে আৰ্থিক স্বচ্ছলতাৰ

শিক্ষা পোৱাৰ পাছত যুৱক সকল এক অন্ধকাৰ ভৱিষ্যতৰ সম্মুখীন হৈছে। জীৱনৰ স্বপ্ন হতাশাৰ অন্ধকাৰৰ মাজত বিলুপ্ত হ'ব বুলি শংকিত হৈছে যুৱসমাজ। এনে পৰিস্থিতিত য'ত আইন নাই, মানুহৰ কৰ্ম সংস্থাপনৰ কোনো সুস্থিৰ বাট নাই, য'ত আছে কেৱল ৰাজনৈতিক ভ্ৰষ্টাচাৰ, মাৰত্মক অস্ত্ৰেৰে জীৱিকা নিৰ্বাহৰ পথ মুকলি কৰাৰ প্ৰৱনতা, তাত মানুহৰ বিশেষকৈ যুৱ চামৰ সুস্থিৰ অৱস্থা থকাটো অসম্ভৱ হৈ পৰিছে। যুৱ মানসিকতা উশৃংখল হৈ পৰিছে। ইয়াৰ বাবে দায়ি আমাৰ কৰ্মকৰ্তা সকল আৰু আমাৰ সমাজ। সেয়েহে ভ্ৰষ্টাচাৰী ৰাজনীতি নিৰ্মূল কৰাৰ অহিৰনে এক সুস্থ যুৱ মানসিকতা জন্ম দিবলৈ কৰা প্ৰয়াস অবাস্তৱ হ'ব। ইয়াৰ বাবে আমাৰ বিবেকক সষ্টম কৰি তুলিব লাগিব। আমাৰ যুৱমানসিকতাক উশৃংখল কৰি তোলাত ইন্ধন যোগোৱা এই ভ্ৰষ্টাচাৰী ৰাজনীতিয়ে সৃষ্টি কৰা অপসংস্কৃতি আৰু সৰ্বনাশী আৰ্থসামাজিক ব্যৱস্থাক ধ্বংস কৰাৰ বাবে শিশু অথবা কিশোৰৰ ঠুনুকা মনত শাসন ব্যৱস্থাৰ প্ৰতি, সমাজৰ প্ৰতি সন্মান বোধ জগাই তুলিবলৈ প্ৰত্যেকখন ঘৰতে একো একোজন আদৰ্শ পিতৃ-মাতৃ আৰু শিক্ষানুষ্ঠানত একো একোজন আদৰ্শ শিক্ষকৰ আৱশ্যক। দেশৰ কৰ্ণধাৰ সকলো একোজন আদৰ্শ ব্যক্তি হোৱা অতীৱ প্ৰয়োজন। ব্যক্তি কেন্দ্ৰীক চিন্তাচৰ্চ্চাৰ বিপৰীতে কৰিব লাগিব সমষ্টিমুখী চিন্তা। যুৱ সমাজৰ সু ভৱিষ্যতৰ বাবে কৰিব লাগিব উপযুক্ত পৰিকল্পনা।

শেষত আমাৰ সমাজত যুৱক সকলক সু-পথে পৰিচালিত কৰিবলৈ হ'লে কেৱল চৰকাৰৰ মুখাপেক্ষী হৈ থাকিলে নহ'ব। জনসাধাৰণো একত্ৰিত হ'ব লাগিব। জনসাধাৰণে যদি সুস্থ চিন্তা চৰ্চ্চা নকৰে আৰু ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ নকৰে তেনেহ'লে আমাৰ যুৱক সকলক, তৰুণ চামক অন্ধকাৰৰ পৰা আৰু অন্ধকাৰলৈ ঠেলি দিয়া হ'ব।

বৰ্তমানৰ উশৃংখল যুৱ মানসিকতা এক জটিল চাকনৈয়াত আৱদ্ধ হোৱাৰ উপক্ৰম হৈছে। যি সকল যুৱক-যুৱতীৰ মানসিকতাত এই ব্যাধিয়ে পোখা মেলিছে তেওঁলোকৰ মানসিকতাৰ পৰা এই বীজ গজালি উভালি অনাটো যথেষ্ট কষ্টসাধ্য হ'ব। কাৰণ—"It is a made of lie a totel complex of altitude, Interest and ambition." গতিকে এই ক্ষেত্ৰত সমাজৰ সকলো শ্ৰেণীৰ লোকেই আগবাঢ়ি আহিব লাগিব। উশৃংখল যুৱ মানসিকতাৰ প্ৰধান আৰু প্ৰকৃত কাৰণ সমূহ নিৰ্মূল কৰিব পাৰিলেহে আমাৰ ইতিমধ্যে আক্ৰান্ত আৰু নবীন চামক এই মাৰাত্মক সংক্ৰামক ব্যাধিৰ পৰা ৰক্ষ কৰিব পৰা যাব।



সন্ধানত স্বামী-স্ত্ৰী, দুয়ো সন্তান আৰু ঘৰৰ পৰা আঁতৰি থাকে। ফলত আৰ্থিক স্বচ্ছলতা আছে সঁচা, কিন্তু মূল সম্পদ ল'ৰা ছোৱালী কেইটাই কোন পথে গৈছে তালৈ মাক দেউতাকৰ ভ্ৰূক্ষেপ নাথাকে। অত্যাধিক স্বচ্ছলতাই আৰু প্ৰাচুৰ্য্যই মানুহক বিলাসী কৰি তোলে। যেতিয়া ধন সংগ্ৰহৰ সীমা চেৰাই যায়, তেতিয়া অতিৰিক্ত ধন খৰছ কৰিবলৈ নতুন নতুন গুপ্ত পথৰ সন্ধান কৰা দেখা যায় এই স্বচ্ছল পৰিয়ালৰ যুৱক যুৱতী সকলক। যুৱ চামৰ মাজত নিচাযুক্ত দ্ৰব্যৰ বহুল প্ৰচলন দেখা যায়। অভিভাৱকে অসৎ উপায়েৰে সংগ্ৰহ কৰা ধনেৰে মটৰ চাইকেল, গাড়ী দৌৰাই আলাসেৰে ঘুৰি ফুৰা যুৱকো এই পথত পৰা দেখা যায়। তেওঁলোকে নিজৰ লগতে আনকো নষ্ট কৰিব খোজে। কিছুমানে হতাশা গ্ৰস্ত হৈ বাস্তৱৰ পৰা সাময়িক ভাৱে বিচ্ছিন্ন হৈ থকাৰ চেষ্টাত নিচাযুক্ত দ্ৰব্য সেৱন কৰে। যিকোনো বস্তু গঢ় দিবলৈ হ'লে ভেটিটো সুদৃঢ় হ'ব লাগিব। গতিকে সুস্থ মানসিকতাৰ যুৱক গঢ়িবলৈ হ'লে পিতৃ-মাতৃয়ে সন্তানৰ শাৰীৰিক আৰু মানসিক চৰিত্ৰ সকলো পৰা অতি সচেতনতাৰে গঢ় দিয়া উচিত। শিশুৰ চৰিত্ৰ গঢ লয় ঘৰখনৰ পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি। আজি কালি সম্ভ্ৰান্ত পৰিয়ালৰ ...
বাস্তৱতাৰ ...

সভ্যতা সংস্কৃতি ইত্যাদি ত্যাগ কৰা কাৰণে যুৱ সমাজৰ ম... বৰ্তমান উশৃংখল মানসিকতাই গা কৰি উঠিছে। আমাৰ ... য়ালয়োৰত ভয়াবহভাৱে সোমাই পৰা বিকৃত কচি, ... সংস্কৃতিৰ নামত চলোৱা দুস্কৃতি আদি নিৰ্ম্মূল কৰিবলৈ প্ৰত... যৌক্তিকভাৱে সংস্কাৰ কৰিবলৈ প্ৰচেষ্টা হাতত লব লাগিব।

দেশৰ নিবনুৱা সমস্যা, অদূৰদৰ্শী শিক্ষা ব্যৱস্থা, উকাম ... আদিয়ে যুৱ চামক কিংকৰ্তব্যবিমূঢ় কৰি তুলিছে। ফলত ... সকলৰ মাজত অপৰাধ প্ৰৱনতাই অংকুৰিত হ'বলৈ ... পাইছে। এই অপৰাধ প্ৰৱনতাৰ এটা লক্ষণ হ'ল ... যৌন মানসিকতা। এই বিকৃত যৌন মানসিকতাৰ বলি ... যুৱতী উভয়েই হৈছে বাজাৰ স্বাৰ্থই তেওঁলোকৰ ... আদায় অস্ত্ৰ হিচাপে বাচি লৈছে Sex, Vine, Marco... Crime, আদিক। ইয়াৰ লগত খাপ খুৱাকৈ গঢ়ি ... সাহিত্য আৰু সাংস্কৃতিক। আজিৰ সমাজত অশ্লীল কিতাপ ... চিনেমা (Blue flim)ৰ ব্যাপক ৰাজত্ব। যুৱ সমাজ এইবিলা... চিকাৰ হৈ নিজৰ লগতে সমা...



# ৰামানুজন আৰু অংকৰ জগতলৈ তেওঁৰ অৱদান

শ্ৰীমতী শিখাৰাণী গগৈ
দ্বাদশ শ্ৰেণী ( কলা )

আমি কুৰি শতিকাৰ শেষাৰ্ধত বিজ্ঞানৰ অভিনৱ সৃষ্টি জ্ঞান শিক্ষাৰে শিক্ষিত দীক্ষিত মানৱ-সমাজে বিজ্ঞানৰ অগ্ৰগতিৰ পম খেদিলেই প্ৰথমে দেখা পাম —"অংকৰ শাস্ত্ৰৰ বহুল প্ৰয়োগ। অংকৰ অবিহনে বিজ্ঞান সম্পূৰ্ণ হব নোৱাৰে। অংক, বিজ্ঞানত প্ৰয়োগ নকৰালৈকে বিজ্ঞান এক প্ৰকাৰৰ অস্থিৰ আছিল।"

অংক শাস্ত্ৰৰ প্ৰয়োগৰ লগে লগে বিজ্ঞানৰ সূত্ৰ তথা পৰীক্ষা-বোৰ নিৰ্ভৰযোগ্য আৰু সঠিক বুলি বিবেচনা ... মনবোৰ বৈজ্ঞানিক ...

বিকাশশীল মগজু, বহল হৃদয়, প্ৰবল মনৰ গৰাকী সকলৰ ভিতৰৰে ভাৰতবৰ্ষ গণিত আকাশৰ উজ্জ্বল জ্যোতিষ্ক শ্ৰীনিবাস ৰামানুজন আয়েংগাৰে আন্ধাৰ জগতক জ্ঞানৰ আভাৰে জ্যোতিষ্মান কৰি তুলিলে।

গণিত শাস্ত্ৰত সাধাৰণ ... শ্ৰীনিবাস



# ৰামানুজন আৰু অংকৰ জগতলৈ তেওঁৰ অৱদান

শ্ৰীমতী শিখাৰাণী গ

দ্বাদশ শ্ৰেণী (কলা)

আমি কুৰি শতিকাৰ শেষাৰ্ধত বিজ্ঞানৰ অভিনৱ সৃষ্টি জ্ঞান শিক্ষাৰে শিক্ষিত দীক্ষিত মানৱ-সমাজে বিজ্ঞানৰ অগ্ৰগতিৰ পম খেদিলেই প্ৰথমে দেখা পাম —"অংকৰ শাস্ত্ৰৰ বহুল প্ৰয়োগ। অংকৰ অবিহনে বিজ্ঞান সম্পূৰ্ণ হব নোৱাৰে। অংক, বিজ্ঞানত প্ৰয়োগ নকৰালৈকে বিজ্ঞান এক প্ৰকাৰৰ অস্থিৰ আছিল।"

অংক শাস্ত্ৰৰ প্ৰয়োগৰ লগে লগে বিজ্ঞানৰ সূত্ৰ তথা পৰীক্ষা-বোৰ নিৰ্ভৰযোগ্য আৰু সঠিক বুলি বিবেচনা কৰি মানুহৰ মনবোৰ বৈজ্ঞানিক পদ্ধতিয়ে পৰিচালিত হৈ অতীতৰ কু সংস্কাৰ অন্ধবিশ্বাসক বিসৰ্জন দি বাস্তৱ পৃথিৱী বিজ্ঞানকে নিৰ্ভৰযোগ্য সমল বুলি স্বীকৃতি দিয়া হয়। সমাজত অবৈজ্ঞানিক কোনোৱেই হব নোৱাৰে তাৰ প্ৰতি সকলো সজাগ। বিজ্ঞানৰ তুলাচালনীত তুলুঙা বুলি প্ৰমাণিত হোৱা বিষয়টোক লৈ কোনোৱে আজি মুৰ ঘমোৱা নাই। বিজ্ঞানৰ লগে লগে মানুহৰ চিন্তাধাৰা পৰিৱৰ্ত্তনৰ ই এক বলিষ্ঠ পদক্ষেপ।

বহুতো মহা মহান বিজ্ঞানীৰ আপ্ৰাণ চেষ্টাৰ ফলত আজি বিজ্ঞানে জ্ঞানৰ উচ্চ শিখৰত উপনীত হব পাৰিছে। এনে বিকাশশীল মগজু, বহল হৃদয়, প্ৰবল মনৰ গৰাকী স ভিতৰৰে ভাৰতবৰ্ষ গণিত আকাশৰ উজ্বল জ্যোতিষ্ক শ্ৰী ৰামানুজন আয়েংগাৰে আন্ধাৰ জগতক জ্ঞানৰ আ জোতিষ্মান কৰি তুলিলে।

গণিত শাস্ত্ৰত সাধাৰণ প্ৰতিভাৰ আকাৰ বৰুণ শ্ৰীনি আয়েংগাৰ দেৱে তামিলনাডু ইৰদ গাওঁৰ এটি দুখীয়া পৰি ১৮৮৮ চনৰ এটি শুভদিনত জন্ম গ্ৰহণ কৰে। চিৰ আ পিতাক কুম্বস্বামী শ্ৰীনিবাসে এখন কাপোৰ দোকানৰ কম পোৱা কেৰাণী চাকৰি কৰি আৰ্থিক দিশ পৰিচালনা কৰিছি ধৰ্ম্মপৰায়না দয়ালু ৰামনুজনৰ মাকৰ ধৰ্ম্মমুলক কথাৰে ৰামানুজনক অনুপ্ৰাণিত কৰিছিল।

পাচ বছৰ বয়সত কুম্ব কানমত থকা স্কুলতে শিক্ষা আৰম্ভ কৰি দোপত দোপে দুগুন উৎসাহেৰে আগুৱাই স্কুলত পঢ়ি থাকোতে—

: আকাশৰ তৰাবোৰ কি ?

: সিহঁত পৃথিৱীৰ পৰা কিমান দূৰত ?

: সিহঁতৰ আকাৰ কিমান ডাঙৰ ?

—এনেবোৰ নানা ধৰণৰ প্ৰশ্নৰে শিক্ষকক ব্যতিব্যস্ত কৰি তুলিছিল। শিক্ষকে বুজাইছিল যে, সমান সংখ্যাক সমান সংখ্যাৰে হৰণ কৰিলে ভাগফল এক (1) হয়। তেতিয়া ৰামানুজনে তপৰাই প্ৰশ্ন কৰিছিল — 'শূন্যক শূন্যৰে হৰণ কৰিলে ভাগফল এক হবনে ? বা নহয় কিয় ?" যি প্ৰশ্নৰ ক্ষেত্ৰত শিক্ষক সকলোৰে আজি পৃথিৱীখনেই নিমাত।

পিছলৈ Mathematical Prodigy নাম পোৱাৰ ৰামানুজন আয়েংগাৰে বহুতৰ দৰে সোণৰ কপৰ পাত্ৰত হাত দি জন্ম গ্ৰহণ কৰা নাই যদিও লগত আনিছিল এটি অমূল্য সম্পদ; সেয়া হৈছে তেওঁৰ "মেধা শক্তি"। প্ৰথম মেধাশক্তিৰ ফলত অতি কম দিনৰ ভিতৰতে এজন পৃথিৱী বিখ্যাত গণিতজ্ঞ হৈ নিজৰ পাৰদৰ্শিতাই পৃথিৱীক চমক খুৱাইছিল। ১৩ (তেৰ) বছৰ বয়সত ওচৰৰ স্নাতক বৰ্ষৰ ছাত্ৰ এজনৰ Loney's trigonometry"ৰ অংকবোৰ কোনো শিক্ষকৰ সহায় নোলোৱাকৈয়ে সমাধান কৰি দিয়ে। ১৯০৩ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ প্ৰবেশিকা পৰীক্ষাত প্ৰথম স্থান পাই কুম্বকানমৰ Government Collegeত উচ্চ শিক্ষাৰ বাবে ভৰ্ত্তি হয়। এই Collegeৰ পৰা উক্ত কৃতকাৰ্য্যতাৰ বাবে 'সুব্ৰমনিয়ম' বৃত্তি লাভ কৰে।

এনেদৰে কৃতকাৰ্য্য হয় যদিও "George Shoobridge carr A Synopsis of Elementary Result in Pure and Applied Mathematics পঢ়ি অংকৰ প্ৰতি অকৃত্ৰিম নিষ্ঠাৰে লাগি অন্য বিষয়ত চকু নোফুৰোৱাত প্ৰাক্-স্নাতক বছৰতে কেবাবাৰো অকৃতকাৰ্য্যতা লাভ কৰে। পাছত মাদ্ৰাজৰ কলেজৰ পৰা Private Candidate হিচাপে পৰীক্ষা দি অকৃতকাৰ্য্যতাকেই আকোৱালি লয়।

শেষত বলে নোৱাৰা শিক্ষক পৰি নমস্কাৰ কৰি পঢ়া জীৱন সামৰণি মাৰি আৰ্থিক জীৱন পৰিচালনাৰ বাবে এটি কেৰাণী চাকৰিত ভৰ্ত্তি হয়। ১৯০৯ চনত ৯ (ন) বছৰীয়া কন্যা জানকী দেৱীৰ লগত বিবাহ পাশত আবদ্ধ হয় যদিও অংকৰ মায়াপাশে বেছিকৈ নিকপকপীয়া কৰি বান্ধি পেলালে। কৰ্ম্ম জীৱনৰ বেছি ব্যস্ততাৰ মাজত একেনো সময় গণিতৰ পৰা আঁতৰি থকা নাছিল।

তেওঁৰ মনত উদয় হোৱা প্ৰশ্ন তথা সূত্ৰ সকলোবোৰ বহী এখনত টুকি ৰাখিছিল; যিখনে জীৱনৰ বিৱলি বেলাত, সময়ৰ বং বেথাত ৰামানুজনৰ 'নোট বুক' নামেৰে খ্যাতি অৰ্জন কৰিছিল উক্ত বহীখনে বৰ্ত্তমান সময়ত অংক জগতলৈ অতুলনীয় অৱদান আগবঢ়াইছে।

দুখীয়া পৰিয়ালত জন্ম গ্ৰহণ কৰা ৰামানুজনে প্ৰতিভা বিকাশৰ বিশেষ সুবিধা পোৱা নাছিল। এদিন তেওঁ কৰা অংকৰ বহীখন লৈ মাদ্ৰাজৰ বিখ্যাত গণিতজ্ঞ ৰামচন্দ্ৰ ৰাওৰ ওচৰ পায়গৈ। ৰামচন্দ্ৰ ৰাওৰ ওচৰত অদ্ভুত অংকবোৰে ৰামানুজনক আচৰিত ধৰণে প্ৰতিষ্ঠা কৰিলে। আৰু দুয়োৰে মাজত অংকৰ বিষয়ে নানা আলোচনা হয়। অংকৰ প্ৰতি ৰামানুজনৰ একাগ্ৰতা আৰু অনুৰাগৰ বিষয়ে জানিব পাৰি ৰামচন্দ্ৰ ৰাওৱে মাদ্ৰাজৰ পোৰ্টটাষ্টৰ সভাপতি ফ্ৰান্সিচ্ স্পিড্‌লৈ ৰামানুজৰ বিষয়ে সবিশেষ জনাই এখন চিঠি তেওঁৰ হাততে দি পঠিয়াই দিলে। স্পিডে তেওঁক হিচাপ বিভাগৰ এটি কেৰাণীৰ কাম দিয়ে। তেতিয়া মাদ্ৰাজৰ তিনিটি কলেজৰ ভূতপূৰ্ব ফেল' আৰু চিমলাৰ ডাইৰেক্টৰ জেনেৰেল অৱ অৱজাৰভেটিভ্ ডাঃ জি টি ৱাকাৰ এম. আৰ. এছ য়ে তেওঁৰ অদ্ভুত অংকবোৰ চাই তেওঁক ভালদৰে বুজি পালে।

মাদ্ৰাজ প্ৰেচিডেন্সি কলেজৰ অধ্যাপক V. P. Scheelyer আৰু অন্ধ্ৰপ্ৰদেশৰ জিলা কালেক্টৰে কৰা সহায়ত The Journal of the Indian Mathematical Societyত তেওঁৰ প্ৰৱন্ধ এটি প্ৰকাশ পায়। উক্ত প্ৰৱন্ধৰ বিষয় বস্তুৱে অংক জগতলৈ সীমাহীন অৱদান আগবঢ়াইছে। তাৰ পাছৰ সংখ্যাত গণিতৰ জগতলৈ ৰামানুজৰ বহুমূলীয়া অৱদান "Some properties of Bernoullis numbers"ৰ অসাধৰণ প্ৰতিভাত তন্ময় মানি ডাঃ জি. টি. ৱাকাৰে মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পঞ্জীয়কলৈ চিঠিৰে প্ৰশংসা কৰিলে, যিখন চিঠিয়ে তেওঁক খুবেই সহায় কৰিছিল।

"মাদ্ৰাজৰ পোৰ্টটাষ্টৰ এজন কেৰাণীৰ গণিতৰ অসাধাৰণ জ্ঞান ইমান বেছি যে, কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ অধ্যাপকৰ সমান। কম বয়সীয়া ব্যক্তিজনক এটি বৃত্তি দি সহায় কৰে যেন।" মিষ্টাৰ চেচ্ আয়াৰৰ উপদেশ মতে কেমব্ৰিজৰ তিনতি কলেজৰ "ফেল"

(D) (i) $$1+\frac{x}{1-x}+\frac{x^4}{(1-x)(1-x^2)}+\cdots\frac{x^n}{(1-x)(1-x^2)\cdots(1-x^n)}$$
$$=\frac{1}{(1-x)(1-x^6)\ (1-x^4)(1-x^9)\ldots}$$

(ii) $$1+\frac{x^2}{1-x}+\frac{x^6}{(1-x)(1-x^2)}+\cdots+\frac{x^{n(n+1)}}{(1-x^2)\ (1-x^3)(1-x^n)}$$
$$=\frac{1}{(1-x^2)(1-x^7)\ldots(1-x^3)(1-x^3)\ldots}$$

অংকৰ জগতলৈ এইয়া ৰামানুজনৰ মহান অৱদান। ওবে জীৱন অক্লান্ত পৰিশ্ৰমৰ ফলত তেওঁৰ শৰীৰত T. B ৰোগে দেখা দিয়ে। ইংলেণ্ড, ভাৰত সকলোতে নানা চিকিৎসা কৰিও আৰোগ্য হব নোৱাৰিলে। Nursing Room ত ব্যক্তিগত বন্ধু হিচাপে তেওঁ ৰাখিলে অংক শাস্ত্ৰক। প্ৰিয় লগৰীয়া হাৰ্ডি ও লিটল্ উদে তেওঁক দেখা কৰিবলৈ এদিন গৈ জক্ কৰি তেওঁক তেওঁলোকৰ গাড়ী নম্বৰ 1729 ৰ তাপৰ্য্য সোধাত তেওঁ অসুস্থ শৰীৰে উত্তৰ দিছিল যে, এইটো বৰ আমোদজনক সংখ্যা; যাক দুটা ভিন্ন উপায়ে দুটা ঘনৰ যোগফল হিচাপে প্ৰকাশ কৰিব পাৰি $(1^3+12^3)$, $(10^3+9^3)$। এই সংখ্যাটো পাছলৈ, বৰ্তমানে ৰামানুজনৰ সংখ্যা হিচাপে জিলিকি আছে।

গণিত আকাশৰ উজ্বল জ্যোতিষ্কৰ জ্ঞানৰ পূজাৰী মহান প্ৰতিভাৰ আকৰ স্বৰূপ বিখ্যাত গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজন আয়েংগাৰ কায়িক মৃত্যু হ'ল সঁচা; কিন্তু তেওঁৰ অমৰ খ্যাতি আৰু মহান প্ৰতিভা অংকৰ আকাশত মহান অৱদানৰ ফাঁকে ফাঁকে, "নোট বুক" ৰ পাতে পাতে চিৰযুগমীয়া হৈ জিলিকি আছে আৰু থাকিব।

১৯২০ চনৰ ২৬ এপ্ৰিলৰ দিনা চেতপুৰ নামৰ ঠাইত তেওঁৰ মৃত্যু হয়। তেওঁ অংকৰ আকাশত উচ্চ স্থানত বিচৰণ কৰি, এচাটি পচোৱাৰ শিহৰণৰ দৰে আমাক অনুপ্ৰাণিত তথা উৎসাহিত কৰি থৈ গ'ল।



চাৰ G. H. Hurdyৰ লগত যোগাযোগ কৰি তেওঁ Order of Infinity বিষয়ৰ প্ৰৱন্ধ পঢ়ি উত্তৰত ১২০ (এশবিশ) টা সূত্ৰ পঠিয়াই hurdyক তবধ মনালে। যি ১২০ (এশবিশ) টা সূত্ৰ, তেওঁৰ লগতে বিজ্ঞান জগতলৈ অতুলনীয় অৱদান। সাধাৰণ কেৰাণী চাকৰিত ভৰ্ত্তি হোৱা ৰামানুজন ১৯১৩ চনৰ ১৭ মাৰ্চত ইউৰোপৰ কেমব্ৰিজ বিশ্ববিদ্যালয়ত ভৰ্ত্তি হয়। তাত তেওঁ লিটল উদ আৰু বেইৱাজনো মহান বিজ্ঞানী (গণিতজ্ঞ)ৰ সংস্পৰ্শত জ্ঞান মন্দিৰ দুৱাৰে বিকাশ ঘটাইছিল। হাৰ্ডিয়ে (Hurdy) কৈছিল—"প্ৰাচ্যৰ এই পণ্ডিতৰ পৰা তেওঁহে মাত্ৰাধিক শিকিছিল।" ১৯১৪—১৮ চনলৈ তেওঁৰ প্ৰতিভা পূৰ্ণ বিকশিত হোৱা সময় চোৱাত তেওঁ কাগজত মৰা আঁক এটাত বৰ্তমানে মহৎ অৱদান দি গৈছে। ১৯১৮ চনত "Fellow of Royal Society" উপাধিৰে বিভূষিত হোৱা প্ৰথম ভাৰতীয় হিচাপে সন্মান অৰ্জন কৰাৰ উপৰিও তিনিটি কলেজৰ "ফেল" নিৰ্বাচিত হয়।

অংকৰ জগতলৈ আগবঢ়োৱা মহৎ অৱদানৰ কিছু নমুনা দেখুওৱা হৈছে।

**Generalised hypergeometric series:**

1. $F\binom{a_1a_2 \dots a_p n}{B_1B_2 \dots B_q} = \sum_0^{\infty} \frac{1}{\lfloor n} \frac{\sqrt{a_1+n}\sqrt{a_2+n}\dots\sqrt{a_p+n}\sqrt{B_1}\dots\sqrt{B_q}}{\sqrt{B_1+n}\sqrt{B_2+n}\dots\sqrt{B_q+n}\sqrt{a_1}\sqrt{a_2}\dots\sqrt{a_p}} x^n$

**Extracts from Ramannjan's note Book**

1. (A) $3 = \frac{2^2(2^2-1)}{4}$ $18 = \frac{3^2(3^2-1)}{4}$ $60 = \frac{4^2(4^2-1)}{4}$

$150 = \frac{5^2(5^2-1)}{4}$ $315 = \frac{6^2(6^2-1)}{4}$

(B) $2 = 1+1$

$5 = 1+1,\ 1+2$

$15 = 1+3,\ 1+3,\ 2+5$

$52 = 1+4,\ 1+10,\ 2+10,\ 5+5,\ 15+52$

(C) Ramanujan gave six approximation to the Irration number $\pi$.

(1) $\frac{19}{16} \times \sqrt{7} = 3.14180$

(2) $\frac{355}{113}\left(1 - \frac{0003}{3533}\right)$

(3) $4\sqrt{97\frac{1}{2}} - \frac{1}{\pi}$

(4) $\frac{7}{3}\left(1 + \frac{\sqrt{3}}{5}\right) = 3.14162$

(5) $\frac{9}{80}\left(\frac{7}{7-\sqrt{\ }}\right) = 3.1415927$

(6) $\frac{63}{25}\left(\frac{17-15\sqrt{5}}{7+15\sqrt{3}}\right) = 3.1415926$

# a brief history of taekwondo

Pranjal Gog
T.D.C. 1st Ye

Taekwondo, The native korean martial art derives its name from the korean root words. The meaning "to kick", kwon meaning "to punch" and do meaning "art". Thus when taken together, Taekwondo means "The art of kicking and punching". Its Uniqueness from other martial art is its prominent use of legs of and varied kicking techniques.

About 2000 years ago, the Taekwondo was originated in Korea, but this martial art now turned in to a universal spot. It has been independently developed over the 20th centuries in Korea. The main feature of this sports is free-fighting combet sports using bare hands and feet to repel an opponent. It is a defence against enemy attacks and it serves to improve health, physical fitness. The Taekwondo trained men or women have developed superior techniques for self defence by using fists elbows, knees, feet or any other part of bodies or a weapon to attack and beat an aggressor. But their codes forbid unfair assault or un-necessary use of force.

Healthy bodies make men or women more active and powerful and with such, the mental and physical self-confidence are beneficial to individual life as well as to their families, neighbours and nation as a whole. The Taekwondo practice gives and individual th mental attitude of modesty and the virtues modesty and generosity are fundament based on self confidence.

There are various instances of a Taekwo "poomse" (kata) and each are blending, thr ting and kicking are Taekwondo "poomse and these are carried out with hands fis feet to the vital spot of the body at whi they are aimed. The Palgye I—VIII. Taeg I—VIII, Koryo, Kumgang, Taeback pyong-wo shipjin, Jitae, chunkwon, Hansoo & Ilyeo ar most kyoruki (sparring) and kyukpa (breaking is for demonstration and for test of power. The Taekwondo requires great mental con-centration and it produces almost incredible power.

At presant, Taekwondo has became a mordern amature spot with tradition on spirit of martial science maintained. It was Incor-poratel into regular curriculam of Tackwondo traning schools, and integral part of traning in one Military and it enter as a major atheletic having constitution, rules, regulations and promotion tests to meet the international emature sport requirements.

There are eight (8) weight classification of this martials art as under :

| Male | Categories | Weight |
|---|---|---|
| 1. | Fin | Not exceeding 50 kgs. |
| 2. | Fly | Over 50 kgs. not exceeding 54 kgs |
| 3. | Bentam | 54—58 kgs. |
| 4. | Feather | 58—64 " |
| 5. | Light | 64—70 " |
| 6. | Welter | 70—76 " |
| 7. | Middle | 76—83 " |
| 8. | Heavy | Over 83 " |

| Femal | Categories | Weight |
|---|---|---|
| 1. | Fin | Not exceeding 43 kgs. |
| 2. | Fly | Over 43 kgs. not exceeding 47 kgs. |
| 3. | Bentam | 47—51 kgs. |
| 4. | Feather | 51—55 " |
| 5. | Light | 55—60 " |
| 6. | Welter | 60—65 " |
| 7. | Middle | 65—70 " |
| 8. | Heavy | over 70 kgs. |

The competitions are conducted in 3 rounds of 3 minutes each with 60 seconds recess between rounds. Protective gears (Hogoo) developed and licenced by World Taekwondo Federation is meandatoay in all sanctioned contest in accordance with the rules of World Taekwond Fedaration (W.T.F).

The match is decided by scoring point system with superiority principles under supervision of two (2) Juries, One (1) referee, four (4) corner Judges. The competition area shall be covered with wooden and Ethed foam pleats disignated by W.T.F and have a flat surface.

The area shall measure 12 m × 12 m in metric system and be free any obstructing projections. The area may be installed or plat from less then 20 cm high from the base and ground.

The demarcation of 8m × 8m in the inter part of the competition area shall be indicated in line 7·5 c.m wide coloured WHITE and be called boundary line called contest area.

The official duration of contest shall be three round of 3 minutes with 1 minutes of rest. The contest in each round shall start with the declaration of "shijak" (start) by referee and shall end with declaration of "KEUMAN" (stop) by referee at the sign of the end of duration from the time keeper.

The international council of sports and physical education admitted World Taekwondo Fedaretion in 1981 General assembly meeting of pen Americal Sports Organisation adopted Taekwondo on 12-8.83 as its official sport in the 10th Pen Americal Games and played in the 10th Pen Americal Games held in Indiana polis. U.S.A. with participation of 26 countries.

The Olympic Council of Asia (O.C.A.) adopted Taekwondo as its officials game in Sept 84 and played in the 10 Asian Games held in Sept 86 in Seoul with participation of 17 countries. In Seoul Olympic Games Taekwondo was adopted as demostration sport in 1988.

Exchange of visits, booklets, international referee seminars instructors under the auspices of World Taekwondo Federation are held in different countries to meet the day to day of Taekwondo sport.

The uniform is neither expensive nor luxurious. It is esigned to fit for free body action The white colour of uniform signifies the purity and origin and conversance. There are blets i.e black (adult) red/black (childern) red, blue, green, yellow and white, each colour designating the degree of grade proficiency possessed by the one wearing the belt.

A white belt is for the beginner. Blue signifies youth and ambition, red is for


trainers graded 3rd to 1st and black belt (Signifying dignity) is for a Taekwondo expert who holds the fast grade of Dan.

WORLD TAEKWONDO FEDERATION CHAMPIONSHIP.

| Place | Date | No of participants | No of country |
|---|---|---|---|
| 1st. W.T.F.— korea (seou!) | 25—27 Mey 1973 | 200 | 20 |
| 2nd Seoul | 28—31 Aug 1975 | 256 | 30 |
| 3rd chicago (U.S.A.) | 15—17 Sep 1977 | 720 | 45 |
| 4th stuttagart (F.R. Germany) | 26—28 Oct 1977 | 453 | 38 |
| 5th Guayaquil (Ecuador) | 24—27 Feb 1982 | 456 | 50 |
| 6th Conpen Hagan (denmark) | 20—33 Oct 1933 | 692 | 64 |
| 7th Seoul korea | 4—8 Sept 1985 | 776 | 63 |
| 8th Barcelone (spain) | 7—11 Oct 1987 | 986 | 62 |

In India, T.F.E as a juridical National and Apex Taekwondo Organisation, duly recognised by Goverment of India affiliated with W.T.F./A.T.U./I.O.C. (Indian Olympic Association) is going ahead to words its obj tives, overcoming numerous hurdles a problems. It is committed to promote a propagate T.K.D. as a highly benefi physical culture, an art of self defence a a recognise sport in all parts of the cou under the guidance and directives of Indi Olympic Association and Goverment of Ind and its constituent member Association.

In Assam, The All Assam Taekwo Association was formed in the year 1982, 10 August under the tachnical directorship Mr. Y. Khemchand the 3rd Dat Black B under the supervision and guidance of T.F. At present there are about 16 district Tae wondo Training Schools in Assam where mo than one thousand students are practic regularly which are conducted by Black B holders under the supervision and control All Assam Taekwondo Association. The pe formance of our students in the Natio Taekwondo Championship are well encourag securing 4th and 3rd position in the year 19 and 1992 respectively.



# পানী মেটেকাঃ এবিধ অৱহেলিত উদ্ভিদ


অচ্যুৎ কুমাৰ গগৈ

প্ৰবক্তা, উদ্ভিদ বিজ্ঞান বিভাগ


অসমখন বনজ তথা জলজ সম্পদেৰে ভৰপুৰ। অসমৰ জলাশয়ত বিভিন্ন প্ৰকাৰৰ জলজ উদ্ভিদ পোৱা যায়। তাৰ ভিতৰত সকলোৰে চকুত আবৰ্জনা যেন লগা এবিধ জলজ উদ্ভিদ হ'ল পানী মেটেকা। বৰ্তমান যুগত অন্য উদ্ভিদতকৈ পানী মেটেকাৰ গুৰুত্ব কোনো গুণে কম নহয়।

মেটেকা এবিধ একবীজপত্ৰী জলজ উদ্ভিদ। ইয়াৰ বৈজ্ঞানীক নাম Echhornia crassipes. এই উদ্ভিদৰ আদি বাসস্থান আছিল আমেৰিকাৰ আমাজান উপত্যকাত। উনৈশ শতিকাৰ শেষ দশকত মৰগেন নামৰ এজন ইংৰাজ বিষয়াই ইয়াৰ ফুলসহ গছ প্ৰথমতে ভাৰতলৈ আনিছিল। ইয়াৰ প্ৰজনন ক্ষমতা ইমানেই দ্ৰুত যে খুউব কম সময়ৰ ভিতৰতে ই বহুত অঞ্চল আগুৰি ধৰিব পাৰে। ফলত খুউব কম সময়তে ভাৰতৰ জলাশয় পানীমেটেকাৰে পৰিপূৰ্ণ হৈ উঠে। ইয়াৰ বৃদ্ধিৰ পৰিমাণ ইমানেই দ্ৰুত যে ইয়াক সকলোৱে এবিধ মাৰাত্মক অপতৃণ বুলি ভাবে। ইয়াৰ প্ৰভাৱত জলপথ বন্ধ হয়, খেতি নষ্ট হয়, জলসিঞ্চনৰ নলা অকমিলা কৰে আৰু ইয়াত আশ্ৰয় লৈ থকা পতঙ্গ বীজানুৰ দ্বাৰা মানুহ আৰু পশু পক্ষী ৰোগত আক্ৰান্ত হয়।

এই বিলাক অপকাৰিতাৰ বাবে পানী মেটেকাক কৃষকৰ শত্ৰু বুলি গণ্য কৰা হয় যদিও অপকাৰিতাৰ বিপৰীতে মানৱ সমাজত ইয়াৰ গুনাগুণ তথা উপকাৰিতানো কিমান তাৰ বিষয়েহে ইয়াত আলোচনা কৰাৰ মানস কৰা হৈছে।

## মেটেকাই প্ৰদূষণৰ পৰা পৰিৱেশ মুক্ত কৰেঃ

বিভিন্ন উদ্যোগ, কলকাৰাখানা, চহৰ আদিৰ পৰা ওলোৱা অলাগতিয়াল ৰাসায়নিক আৰু লেতেৰা দ্ৰব্যই নলা নৰ্দমা আৰু জলাশয়ৰ পানী দূষিত কৰে। এই দূষিত পানী জৈৱ ৰাসায়নিক ভাৱে শোধন কৰাৰ ক্ষমতা পানী মেটেকাৰ আছে। ইয়াৰ চুলি শিপাবোৰে ফিল্‌টাৰৰ দৰে কাম কৰে। এই মেটেকাই প্ৰদূষিত পানীৰ 40% প্ৰস্বেদন প্ৰক্ৰিয়াৰ দ্বাৰা শোধন হয়। তাৰোপৰি পানী থকা অপকাৰী লৱণ সমূহ মেটেকাই শিপাৰ দ্বাৰা গ্ৰহন কৰে। মেটেকা থকা পানী ৰাসায়নিক ভাৱে কোমল বাবে কাপোৰ ধোৱা কাৰ্য্যৰ বাবে উপযোগী।

## কৃষি অৰ্থ নৈতিক দিশত মেটেকাৰ অৰিহণাঃ

মেটেকা সাৰ হিচাপে ব্যৱহাৰ কৰিলে অতি সুফল পোৱা যায়। ইয়াত বিভিন্ন প্ৰকাৰৰ ৰাসায়নিক মৌল থাকে। তাৰ ভিতৰত পটাচিয়ামৰ মাত্ৰা অত্যাধিক। তদুপৰি ইয়াত জিবা-ৰিলিন নামৰ এবিধ শস্য বৃদ্ধি কাৰক হৰ্মন থাকে। ৰবি শস্যত মেটেকা প্ৰয়োগ কৰিলে মাটিৰ আৰ্দ্ৰতা অটুট থাকে। মেটেকাত থকা ৰাসায়নিক মৌল বিলাকে শস্য শ্ৰীবৃদ্ধিত অৰিহণা যোগায়। কাঠফুলা খেতি ব্যৱসায়িক ভাৱে কৰাত ধান খেৰতকৈ মেটেকা প্ৰয়োগ কৰিলে বেছি সুফল পোৱা যায়।

মেটেকাৰ গাত ৭০% পানী থাকে। এই পানী যান্ত্ৰিক ভাৱে মুক্ত কৰিলে এক টন কেঁচা মেটেকাৰ পৰা মাত্ৰ ৫০ কেজিহে শুকান মেটেকা পোৱা যায়। এই শুকান দ্ৰব্য ঘৰচীয়া

পশু পক্ষীৰ উত্তম খাদ্য। এই খাদ্যত ভিটামিন আৰু খনিজ লৱন যথেষ্ট পৰিমাণে থাকে। নিষ্কাষণ কৰা পানীখিনি পতঙ্গ-নাশী আৰু বীজাণুনাশী ঔষধৰ লগত মিহলাই কৃষিত প্ৰয়োগ কৰিলে খেতি ৰোগ মুক্ত হোৱা উপৰিও পৰোক্ষভাৱে আৱশ্যকীয় লৱণ যোগান ধৰা হয়।

### শিল্প উদ্যোগত মেটেকাৰ প্ৰয়োগ :

বায়গেছ উৎপানত এই মেটেকা ব্যৱহাৰ কৰা হয়। মেটেকা কিম্বন প্ৰক্ৰিয়াৰে উৎপন্ন কৰা গেছত 70% মিথেন ($CH_4$) আৰু 30% কাৰ্বন-ডাই-অক্সাইড ($Co_2$) থাকে। এই গেছ ঘৰুৱা ইন্ধন হিচাপে ব্যৱহাৰ কৰা উপৰিও ৰসায়ন বিজ্ঞানাগাৰত বুনচেন বাৰ্ণাৰত ব্যৱহাৰ কৰা হয়। কাৰ্বন-ডাই-অক্সাইড থকা বাবে বিস্ফোৰকৰ দৰে বিপদৰ পৰা ৰক্ষা পৰে। এই গেছ হাইড্ৰাবাদৰ পৰীক্ষাগাৰত ব্যৱহাৰ কৰা হৈছে। মেটেকাৰ পৰা উৎপন্ন হোৱা আঁহৰ পৰা হাৰ্ডবৰ্ড, চিলিং বৰ্ড, ৰেইনফৰ্ড চিমেন্ট বৰ্ড, পানী নিৰোধক বৰ্ড, পেপাৰ বৰ্ড, কাগজ আদি তৈয়াৰ কৰা হয়। তাৰোপৰি এনাইন' এছিড ঔষধ, গ্লাইক' চাইড, প্ৰটিন' সক্ৰিয় কাৰ্বন, লীপিড আৰু বিভিন্ন মৌলি নিষ্কাষণ কৰা হয়।

মেটেকাৰ লগত অন্তৰ্নিহিত গুণাৱলীকৰ বাবে বিশ্বৰ বিভিন্ন ঠাইত এই উদ্ভিদ বিধৰ বিষয়ে গৱেষণা চলি আছে তাৰে দুটা প্ৰধান সংগঠন হ'ল কমনৱেলথ বিজ্ঞান পৰিষদ আৰু ৰাষ্ট্ৰ সংঘৰ পৰিৱেশ কাৰ্য্যসূচী। আমি আশা কৰিছো ভৱিষ্যতে সকলোৰে ব্যৱহাৰ যোগ্য আৰু নতুন দ্ৰব্য মেটেকাৰ পৰা পাম

মানৱ সমাজত আৱৰ্জনা যেন লগা তথা এলাগী বুলি থ্যাত এই উদ্ভিদবিধৰ উপকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ সদ্ব্যৱহাৰৰ বিষয়ে প্ৰত্যেকজন ব্যক্তিয়েই এতিয়া সচেতন হ'বৰ হ'ল।



# বানপ্ৰাণী



দিলীপ হাতীবৰুৱা
প্ৰবক্তা, পদাৰ্থ বিজ্ঞান

...পৰীয়া এই মানুহবোৰৰ স্থায়ী ভেটি বুলিবলৈ নাই। ৰৰবৈ...

বানপানীৰ পলসত সিহঁতৰ জীৱন গঢ় লৈ উঠে। মানুহখিনি কৰ্মক্ষম। খেতি পথাৰ নাই যদিও সিহঁত ঘৰত সোমায় নাথাকে, নগৰত ধন ঘটিবলৈ যায়গৈ। চৰকাৰী আশা পালি বহি নাথাকে। কিন্তু! আজি গাওঁখনৰ দুৰৱস্থা দেখি বেয়া লাগিল। চিনাকী মানুহ কাকো লগ নাপালো। অচিনাকী যি দুই এজন লগ পাইছো তেওঁলোকৰ মুখতো মাত নাই। নাই, সেই আগৰ বলিষ্ঠ মনোবল। নাই কোনো কাম কৰাৰ উদ্যম। জীৱন যুদ্ধত যেন এইবাৰ তেওঁলোক হাৰি গৈছে, দেখিলে এনে ভাব হয়। আগলৈ অলপ আগবাঢ়ি গৈ থমকি ৰ'লো। দূৰলৈ চাই পঠিয়ালো। কিন্তু! ই কি? কেৱল ধোঁৱা আৰু ধোঁৱা; আৰু আগ নাবাঢ়িলো। পলম নকৰি ঘৰলৈ উভতিলো। মনৰ এল বামত সযত্নে ৰখা অতীতৰ জীৱন্ত স্মৃতি কেইটামান যাওঁতে, মনতে জুকিয়াই গ'লো ......।

...... সেইদিনা আছিল দেওবাৰ। বজাৰ কৰি আহি আমি দুয়ো বিক্সা এখনৰ কাৰণে অপেক্ষা কৰি আছো, তেনেতে "আৰে দোস্ত! ইয়াত দেখোন" এই বুলি কৈ দাঢ়িৰে চুলিয়ে ভোবোকাৰ এটা গজেন্দ্ৰ চেহেৰাৰ মানুহে মোক সাবত মাৰি ধৰিলে। জেঠ মহীয়া চৌফলীয়া ৰ'দত, তাৰ গাৰ ঘামৰ ভেকেটা ভেকেট গোন্ধ-টোৱে; ওচৰতে বৈ থকা শ্ৰীমতীৰ নাক কোঁচ খুৱাই নিলে। থত্‌মত্‌ খাই মই তাৰ মুখলৈ চালো। "আৰে তই" এইবুলি মইও তাৰ প্ৰতি সঁহাৰি জনালো। ফেঁহু বৰণৰ ডালিম গুটিয়া দাঁত দুপৰিয়ে, শ্ৰীমতীয়ে নিজৰ হেঙুলীয়া ওঠ দুটিৰ এটিক সজোৰে কামোৰ মাৰি ধৰিলে। গাৰপৰা হাত দুখন আঁতৰাই নি এইবাৰ সি অলপ দালমুট আৰু চানাচুৰ মোলৈ আগবঢ়াই দিলে। চানাখিনি হাতত লৈ শ্ৰীমতীলৈ লক্ষ্য কৰিলো, গাখীৰত তেজ মিহলালে হোৱা ৰঙৰ তেওঁৰ মুখখন ৰ'দত তিৰ্‌বিৰাই উঠিল। বুজিলো, তেওঁ আমনি পাইছে।

"চাওঁ বন্তী! অলপ এইফালে আহাচোন" শ্ৰীমতীক ক'লো। "এইয়া বন্তী দেই" নই তাক চিনাকী কৰি দিলো। "সি উত্তেজিত মনেৰে কৈ উঠিল। "আৰে, হয়নেকি? তেন্তে হৰিভকতনী। মই তোমাক...... "

হেৰি! হ'ব হ'ব, বুইছে ভদ্ৰতাৰো এটা ...... তাৰ কথা শেষ নহওঁতেই বন্তীয়ে ক'লে। বন্তী ... ই! মই ডাঙৰকৈ চিঞৰি দিলো। "তুমি কনা উচিক ই মোৰ পুৰণি দিনৰ ... ইক্‌বাল। অবিবাহিত জীৱন তোমাক তুমি নাথাকোতে ইয়ে মোৰ একমাত্ৰ বন্ধু আছিল, সি এতিয়াও আগৰ দৰেই আছে।" শ্ৰীমতীক উদ্দেশ্যি কথাষাৰ কৈ গ'লো।

ইক্‌বালে তাৰ বিক্সাখনেৰেই আমাক ঘৰৰ ওচৰত অন... হকাৰৰা স্বত্বেও লৈ গ'লহি ... বাটত আহোতে তাৰ ... পানী নসৰকা কথা। ... "তোমালোকৰ বিয়াত মই ইয়া... নাছিলো। নহয়, নহ'লেনো আজি চিনাকী হ'বলৈ থাকেনেকি! বহুত জঞ্জাল বুজিছা কোনোৰকম বাচি আছো—বাৰু, ভালে... হ'ল বহুত দিনৰ মূৰত যে আজি লগ হ'লো। ই মোৰে... সৌভাগ্য।" বন্তীক সি কৈ গ'ল—আমাৰ বন্ধু কালৰ ইটো... সিটো কথা। সময়ত আমি বিক্সাৰপৰা নামিলো। সি ... নাথাকিল। "আজি নোসোমাও অহা দেওবাৰে ভাত খোৱাকৈ আহিম।" যাওঁতে সি কৈ গ'ল।

'তিৰোতাৰ মন বুজি পোৱাতো অত্যন্ত দুৰূহ।" মনতে ভাবিলো। ঘৰত সোমাই বন্তীক ক'লো আম আৰু আপেল দুটা কাটিবা—মই বাথ্‌ৰুমৰপৰা আহো। বাথ্‌ৰুমৰপৰা ঘূৰি আহি ডাইনিং টেবুলত সজাই থোৱা গাখীৰ আৰু ফলমূলৰ প্লেটৰ সন্মুখত বহিছোহে, তেনেতে কাষৰ কোঠাত কাৰোবাৰ উচুপনি শুনিলো। সোমাই গৈ দেখিলো বন্তীয়ে উচুপিব লাগিছে। কেইবাবাৰো মাতিলো, কিন্তু বন্তীয়ে মাত নিদিলে। মনে মনে গৈ তাইৰ সুকোমল বাহু এটাত লাহেকৈ চিকুটি দিলো। উচাৎ মাৰি তাই হাতখন কোঁচাই নিলে। ককাললৈকে পৰি থকা কিচ্‌কিচিয়া ক'লা চুলিধাৰীত লাহেকৈ হাতখন বুলাই দিলো। তাই জোৰেৰে মোৰ হাতখন আঁতৰাই দিলে। খঙৰ অভিনয়ৰে মই এইবাৰ আঁতৰি গ'লো। বন্তী—শুনা মেজত সজাই থোৱা আপেল আৰু গাখীৰখিনি খাবা, মোৰ দেখিয়েই ভোক গুচিল। যাওঁতে ডাঙৰকৈ কৈ গ'লো। ঘূৰি চাই দেখিলো—তাই মোলৈকে লক্ষ্য কৰিছে। উলটি গৈ মুখখন পোনাই দিলো আৰু ঘামত অৰ্ধসিক্ত মোৰ বগা ৰুমালখনেৰে গাললৈ বৈ অহা তাইৰ অশ্ৰু দুধাৰী লাহেকৈ মোহাৰি দিলো। ফুল ফুলাৰ প্ৰাক্ মুহূৰ্তৰ অৰ্ধ বিকশিত পদুমৰ কলিটোৰদৰে তাইৰ চকুহালে এইবাৰ মিচিকিয়াই উঠিল। প্ৰভাতী সুৰুমৰ ...

আভাৰে আলোকিত, ছুবৰীবনৰ আগৰ নিয়ৰৰ কণিকাবোৰৰ দৰে, তাইৰ চকু পানীখিনি তিৰ্‌বিৰাই উঠিল

বস্তীক এইবাৰ বুজাবলৈ আৰম্ভ কৰিলো—"আমি তেতিয়া চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। এদিন মহাশয়ে বানপানীৰ বিষয়ে এখন ৰচনা লিখিবলৈ দিছিল। মাত্ৰ এটা ল'ৰাইহে ৰচনাখন লিখিব পাৰিলে, সি ৰচনাখন পাঠ কৰিও শুনালে। সেইদিনাখনিৰে পৰাই মোৰ তাৰ লগত চিনাকী হ'ল। সিয়েই আছিল, আজি আমাক বিচ্ছাত লৈ অহা বন্ধু ইকবাল। তেতিয়াৰ পৰাই ছুয়োটা একেখন বেঞ্চত বহোঁ, একেলগে ফুৰোঁ, পিছত এনে হ'ল—এটাই আনটোক এৰিব নোৱাৰা হ'লো। কোনো বছৰ পৰীক্ষাত সি প্ৰথম হয়, কোনো বছৰ মই। মনত অফুৰন্ত আশা আৰু মধুৰ কল্পনা। এইদৰে আমি ভৱিষ্যতৰ ফালে আগুৱাই গ'লো।

"কি, তহঁতি দুটা ককাই-ভাইনেকি অ'? একে চালচলন, একে ৰঙৰ পোচাক। এদিন ৰজনী চাৰে বাটতে দুয়োটাকে লগ পাই সুধিলে। "নহয় চাৰ, আমি একে শ্ৰেণীত পঢ়োহে সহপাঠী"—আমি ক'লো। অ' ক্লাচফেণ্ড, চাৰে ক'লে। আমি মূৰ দুপিয়ালো।

এবাৰ স্কুলৰ খেলপথাৰত চাৰ্কাচ এখন চলিছিল। সকলো ছাত্ৰই মিলি এদিন চাৰ্কাচ চোৱাৰ সিদ্ধান্ত কৰিলো। "চাৰ্কাচখন চালে তহঁতে বহুত শিকিব পাৰিবি, জানিব পাৰিবি।" মহাশয়ে কৈছিল। চাৰ্কাচৰ বাওনা কেইটাৰ খেল চাবলৈ আমাৰ বৰ হেঁপাহ। সিহঁতৰ খেলে দৰ্শকক আমোদ দিয়ে, হাঁহিত দৰ্শকৰ পেটৰ নাড়ী চিঙে। চাৰ্কাচৰ ছোৱালীকেইজনীমানে সিহঁতক কোলাত লৈ ঢোপ্‌ খেলে। মাজতে তিনিখনমান মেজ্‌ জোৰা দি তাৰ ওপৰত উঠি সিহঁত ছোৱালীকেইজনীৰ সমান ওখ হৈ পৰে। দৰ্শকে দেখি আমোদ পায়, কেওঁফালে হাত চাপৰি আৰু হাঁহিৰ খলকনি উঠে। সিহঁতে কিন্তু নাহাঁহে। হাঁহিবই বা কিয়? সেয়াটো সিহঁতৰ জীৱনৰ প্ৰকৃত খেল নহয়। সিহঁতে ভাৱে—চাৰ্কাচৰ খেলৰ পুতলা হৈ পেটৰ ভাত মোকোলোৱাৰ যোগ্যতাকণহে গৰাকীয়ে সিহঁতক দিছে।

চাৰ্কাচখনে সকলো প্ৰকাৰৰ আনন্দৰ খোৰাক যোগাইছিল কিন্তু সকলো পায়ো কিবা এটা নোপোৱা যেন লাগিল। সকলো ল'ৰাৰ মাজত ইকবালক নেদেখি মনটো বৰ অকলশৰীয়া যেন অনুভৱ হ'ল। খেল শেষ নৌহওঁতেই মই তাৰপৰা ওলাই আহিলো।

পিছদিনা ইক্‌বালহঁতৰ ঘৰ পালোগৈ। ঘৰটো বিচাৰি উলিওৱাত কষ্ট নহ'ল। সৰু ল'ৰা এটাই আঙুলিয়াই দেখুৱাই দিলে। সেই যে তামোলৰ চকোৰা দিয়া ইকৰাৰ বেৰখন দেখিছে, সেইটোৱেই সিহঁতৰ ঘৰ।" ঘৰটোৰ ভিতৰত দপ্‌-দপকৈ জ্বলি থকা জুইকুৰাৰ পোহৰ ঘৰৰ বেৰখনে বাহিৰলৈ নহাকৈ বাধা দি ৰাখিব পৰা নাছিল। জুইৰ কাষত বহি থকা বুঢ়াজনক বাহিৰৰ পৰাই দেখিলো। পিছত গম পালো, সেইজন ইক্‌বালৰ আব্বাজান। সেই ক্ষীণ দেহৰ বুকুৰ কামিহাড় লিখিব পৰা ইক্‌বালৰ আব্বাজানে মোক দেখি কৈছিল "বোপাই—তুমি ছাগে কালি বেয়াই পাইছা, সি মোক কৈছিল, পিছে এসাজ খোৱাৰ পাছত যাব পিছৰ সাজলৈ চিন্তা—সি কেনেকৈ দুটকা খৰছ কৰি চাৰ্কাচ চাবগৈহে, তুমিয়েই কোৱাচোন বোপাই? তুমি মোৰ পো-লগৰ পো।" কাহি কাহি বুঢ়াই কোনোৰকম কথাকেইটা কৈ গ'ল। বুঢ়াৰ বিষাদভৰা কথা কেইটাৰ উত্তৰ মই দিব নোৱাৰিলো। শিল পৰা কপৌৰ দৰে একে ঠাইতে বৈ থাকিলো।

"সঁচাকৈয়ে দৰিদ্ৰতা এক অভিশাপ" ইমানপৰে মোৰ কথা শুনি-শুনি ক্লান্ত হৈ পৰা বস্তীয়ে মন্তব্য কৰিলে। এই প্ৰথম বস্তীৰ মুখৰপৰা মাত ওলাল। মই তাইৰ গালত চুমা এটা আঁকি দিলো। কথাবোৰ ভাবি আহি থাকোতে দীঘল বাটটো কেতিয়া চুটি হ'ল, গমকে নাপালো। আহি ঘৰ পালোহি।

নাকে মুখে ভাত দুটা মান গিলি নগৰলৈ বুলি ৰাওনা হ'লো। ঠেলা হেঁচাৰ মাজতে যেনে তেনে বাছখনলৈ উঠি গৈ খালি চিট্‌ এটা পাই বহিছোহে মাত্ৰ, ৰুমালখন উলিয়াই মুখৰ ঘামখিনি মচিবলৈ পোৱাই নাই; তেনেতে ল'ৰা এটাই কৈ উঠিল—"দিয়ক দাদা আমাৰ নিচিনা নিঃকিন শিশুক দুই চাৰি পইচা দিলে আপোনাৰ একো হানি নহয়, দিয়ক দাদা দিয়ক।" সি মোলৈ হাতখন আগবঢ়াই দিলে। ল'ৰাটোক আধলি এটা দি মনিবেগটো সামৰিবলৈ নৌ পাওঁতেই, এখন আঙুলিবিহীন হাত মোৰ ফালে আগুৱাই আহিল। হাতৰ আঙুলি কেইটা গুৰিতে কটা, পলম নকৰি; হাতখনৰ

ভাঁজলগা অংশতে সিঁকি এটা গুজি দিলো। ইতিমধ্যে ...

ভাঁজলগা অংশতে সিঁকি এটা গুজি দিলো। ইতিমধ্যে বাছখন চলিবলৈ আৰম্ভ কৰিলে। ভাবিলো এইবাৰলৈ ৰক্ষা, "এবাৰ সাপে খুটিলে লেজুলৈকে ভয়" গতিকে এনে মানুহবোৰৰ লগ পালে মই পূৰ্বৰ অভিজ্ঞতাৰ কথা সুৱঁৰি সোনকালে আঁজৰি হওঁ, পৰাপক্ষত সিহঁতৰ পৰা আঁতৰি থাকিব বিচাৰো। অৱশ্যে দিব্যালোচনৰ কথা বেলেগ, মহানগৰীখনত তাক নিচিনা নাই। সকলোৱে তাৰ পৰিচয় লয়, আলাপ কৰে। অন্ধ হ'লেও নগৰখনৰ সকলো বাট পথ তাৰ চিনাকী। সুন্দৰ বাঁহী বজাব জানে সি। সেই বাঁহীৰ সুৰে তাৰ মনৰ কথা কয়। তাৰ কলিজাৰ পৰা নিগৰি-নিগৰি ওলোৱা মনৰ ভাৱবোৰ বাঁহীটোৰ গোল-গোল ফুটাবোৰৰ মাজেদি সুৰ হৈ ওলাই আহে। বহুদিনৰ পুৰণি ঘটনা এটা মনত ভাঁহি উঠিল সেইদিনা আজৰি পৰত ছাত্ৰাবাসৰ পৰা বন্ধু এজনৰ লগত ষ্টেচন অভিমুখে আহি আছো, বাটতে জীৱনত মনৰ পৰা মচিব নোৱাৰা ঘটনাটোৰ নায়িকা জনীক লগ-পালো। অসংযত সাজ পোছাক, আউল বাউল চুলি এই বেশভূষাৰে তাইক পাগলি যেনেই লাগিছিল। মনৰ কৌতুহল সামৰিব নোৱাৰি, তাইক মাত এষাৰ দিব খোজোতেই মোৰ লগৰজনে হাঁহি দিলে। মই তলকিবই নোৱাৰিলো। তাইৰ মুখৰ পৰা মাৰি পঠিওৱা থু-খিনিৰ চিটিকণি আহি আমাৰ কাপোৰত পৰিলহি। কোলাৰ কেঁচুৱাটো মাটিত থেকেচ্ মাৰি থৈ তাই কাষৰ নৰ্মদালৈ নামি গ'ল। বোকা এসোপা হাতত লৈ তাই তাৰ পৰা উঠি আহোঁতেই; আমি পিছলৈ দৌৰ মৰিলো। তাই যেদি আহিছিল, পিছত একে ঠাইতে ইফালে সিফালে ঘুৰি-ঘুৰি আমাক অশ্লীল গালি-গালাজ কৰিবলৈ ধৰিলে। তাইৰ বিগত জীৱনৰ কৰুণ কাহিনী অতি ক্ষোভেৰে চিঞৰি চিঞৰি গালিৰ মাধ্যমেদি প্ৰকাশ কৰিলে। মুখখন তাইৰ এনেকৈ চলিছিল, যেন-চাইববৰণীয়া গৰম কেটেলি এটাৰ মুখেদি অহৰহ্ বাষ্পহে নিৰ্গত হৈ আছে। কিন্তু! তাইৰ সেইবোৰ কোনে শুনি...

সময় কেতিয়া পাৰ হৈ গ'ল তলকিবই নোৱাৰিলো... চিকিৎসালয়ৰ সন্মুখ পালোহি। ৰিক্সাৱালাটোক বিদায়... চিগাৰেট এটা জলালো। খৰখৰকৈ ফলমূলৰ দোকানৰ... বুলি আগ বাঢ়িছোঁতে, তেনেতে ডুকুনমান জনেক... কোৱা শুনিলো "বেচৰা ইক্বালটো দেহি! জাহানাৰাৰ... বিয়া হোৱা এবছৰেই হোৱা নাই, নগৰত কাম কৰি... গৈ কালি ঘুৰি আহিছিল। জাহানাৰালৈ সি এখন বজা... কিনি আনিছিল কপালৰ ঘাম মাটিত পেলাই বিক্সা... কিনা শাৰী সি পৰি থকা অৱস্থাতে মোনাৰ পৰা শাৰী... উলিয়াই সিহঁতে জুইত দলিয়াই দিলে। "বানপানীত সি... নাহৰি ডাঙৰ হোৱা মানুহখিনিৰ এইবাৰ কঁকাল... সিহঁতৰ মনোবল একেবাৰে ভাগি গ'ল। ভাতৃঘাতী সংঘ... সিহঁত আজি জৰ্জৰিত মানুহখিনিৰ সঠিক হিচাপ এতি... ওলোৱা নাই। কেওফালে কেৱল আধপোৰা মৃতদেহৰ... ধোঁৱা আৰু ধোৱা।"

ইক্বাল-ইক্বাল বুলি তিনিবাৰ মাতিলো। জিলি... মুৰত, কোটৰৰ মাজত সোমাই থকা তাৰ চকুহাল... কোনোৰকম মেলিলে। ক'ব নোৱাৰাকৈ মোৰ দুগাল... তুধাৰি চকুলো বৈ আহিল। নানা ভাৱ মনলৈ আহি... হাজাৰ শ্ৰম কৰক লাগিলে, পাহুৱাল ডেকাতো কেতিয়া... ক্লান্ত নহয়, খোজৰ তালে তালে তাৰ পেশীবোৰ নাচি উঠে... মনত অদম্য উদ্যম। এনেহেন চফল ডেকাটোৰ আজি চকু... মেলিবলৈকো শক্তিৰ অভাৱ, আজি সি ক্লান্ত। মনটো বেয়া... লাগিল, ডাক্তৰক আহি লগ কৰিলো। "কি কৰিব, সকলো... তেওঁৰেই ইচ্ছা, বাওঁ ভৰিত কেইবাটিও গুলি সোমাইছে... ভৰিখন কাটিব লাগিব,......।" ডাক্তৰে ক'লে। বাহিৰলৈ... ওলাই আহিলো পৃথিৱীলৈ তেতিয়া অন্ধকাৰ নামি আহিছিল...

"মানুহৰ জীৱনলৈ কিছুমান সংকট পূৰ্ণ সময় আহে, তথাপি আমি এই ভাবি সান্ত্বনা লভিব পাৰো যে সংগ্ৰাম যিমানেই কঠিন হ'ব জয়লাভো হ'ব সিমানেই গৌৰৱময়।"

—টমাছ পেইন—

# ছাত্ৰ একতা সভাৰ ১৯৯৩-৯৪ চনৰ কাৰ্য নিৰ্বাহক সমিতি



**(বহি বাওঁফালৰ পৰা)**

অধ্যাপক ভোলা গগৈ (উপদেষ্টা, সমাজ সেৱা), অধ্যাপক পূৰ্ণানন্দ গগৈ (উপদেষ্টা, ক্ৰীড়া বিভাগ), অধ্যাপক দিলীপ হাতীবৰুৱা (উপদেষ্টা, তৰ্ক ও আলোচনা), অধ্যাপক অচ্যুৎ কুমাৰ গগৈ (উপদেষ্টা, শৰীৰ চৰ্চা বিভাগ), উপাধ্যক্ষ দশৰথ পাঠক (উপদেষ্টা, ছাত্ৰ একতা সভা), অধ্যক্ষ শিৱপ্ৰসাদ গগৈ (সভাপতি, ছাত্ৰ একতা সভা), অধ্যাপক কোষেশ্বৰ দত্ত (শিক্ষক, ঢঃ মহাবিদ্যালয়), অধ্যাপক ৰমেন বৰগোহাঞি (উপদেষ্টা, ছাত্ৰ জিৰণি কোঠা), অধ্যাপক ডিম্বেশ্বৰ গগৈ (উপদেষ্টা, সাহিত্য ও আলোচনী), দিগন্ত কুমাৰ গগৈ (উপ-সভাপতি, ছাত্ৰ একতা সভা), হৰেন বৰুৱা (সাধাৰণ সম্পাদক), বাবুল গগৈ (সহঃ সাঃ সম্পাদক), ডেভিদ গগৈ (সঃ সাহিত্য ও আলোচনী), অপূৰ্ব গগৈ (সঃ সমাজ সেৱা বিভাগ)

(থিয় হৈ বাওঁফালৰ পৰা)

দীপক দুৱৰা (সঃ শৰীৰ চৰ্চা বিভাগ), ৰমেন চুতিয়া (সঃ ক্ৰীড়া বিভাগ) বিজয়কৃষ্ণ পেগু (শ্ৰেণী প্ৰতিনিধি), প্ৰশান্ত চুতীয়া (শ্ৰেণী প্ৰতিনিধি), জীৱন জ্যোতি দত্ত বৰা (সঃ তৰ্ক ও আলোচনা বিভাগ), জিতু চমুৱা (শ্ৰেণী প্ৰতিনিধি), ভূপেন গগৈ (সম্পাদক ছাত্ৰ জিৰণি কোঠা), নুৰুলমণি পাএগ (শ্ৰেণী প্ৰতিনিধি), গুণমনি সন্দিকৈ (সঃ সাংস্কৃতিক বিভাগ)

অনুপস্থিত— অধ্যাপিকা বাসন্তী মৰাং (গগৈ) (উপদেষ্টা, ছাত্ৰী জিৰণী কোঠা) অধ্যাপক ইশ্বৰপ্ৰসন্ন বুঢ়াগোহাঁই (উপদেষ্টা, সাহিত্য ও আলোচনী, ইংৰাজী বিভাগ) অধ্যাপক চন্দ্ৰ বৰুৱা (উপদেষ্টা সাংস্কৃতিক বিভাগ)

# এজাক বৰষুণ লাগে

**নন্দ চুতীয়া**



দুৰ্গোৎসৱৰ দিন চমু চাপি আহিছে। মহাষ্টমী আৰু মহা নৱমী দিনা স্থানীয় ৰংঘৰ নাট্য মন্দিৰত দুনিশাকৈ থিয়েটাৰৰ আয়োজন কৰা হৈছে। উৎপল কেইবাদিনো ৰিহাৰ্চেললৈ অহা নাই। ইফালে অভিনয়ত সি হ'ল নতুন মানুহ। হাতত ধৰি ধৰি শিকাব বুজাব লগীয়া হৈছে। আনফালে গুৰুত্বপূৰ্ণ জটিল চৰিত্ৰ এটাকৈ তাৰ ভাগত দিয়া হৈছে। অৱশ্যে একান্ত অভিনয়ৰ দিশত যথেষ্ট শিকাব লগীয়া হৈছে। অৱশ্যে একান্ত বাধ্য ছাত্ৰৰ দৰে আগ্ৰহেৰে শিকি বুজি লৈ সেই মতেই অনুশীলন কৰি চৰিত্ৰটো ৰূপায়ন কৰিবলৈ যথেষ্ট কষ্ট কৰিছে। উৎপলে চৰিত্ৰটো ফুটাই তুলিব পাৰিব বুলি আমি আটায়ে বিশ্বাস ৰাখিছো। দৰ্শকৰ চিত উত্তাৱল কৰি মন জয় কৰিব পৰাকৈ অৰ্থবহভাৱে অভিনয় কলা নিখুত ভাৱে ৰাখি নাটকৰ কাহিনীভাগ আৰম্ভণিৰ পৰা শেষ পৰিনতিলৈ আগুৱাই নি মঞ্চত সাৰ্থকভাৱে দাঙি ধৰিব পৰাতোতেই আছে এজন পৰিচালকৰ মহত্ব, কৃতিত্ব আৰু গৌৰৱ। পৰিচালকৰ গুৰু দায়িত্ব বহন কৰি ময়ো বিশেষ কষ্ট কৰি খাটিব লগীয়া হৈছে। উৎপল তিনিদিন একেলেঠাৰীয়ে ৰিহাৰ্চেললৈ নহাত তাৰ লগত ওলাব লগীয়া দৃশ্যসমূহৰ চৰিত্ৰ কেইটাই ৰিহাৰ্চেল কৰাত বিশেষ অসুবিধাৰ সন্মুখীন হৈছে। উৎপলৰ দায়িত্বহীনতাৰ আচৰণত মই ক্ষুব্ধ হ'লো। তাক উদ্দেশ্য গালি পৰিলো বহুত সময়। পিছদিনা ৰাতিপুৱাই ন মান বজাত তাক খবৰ কৰিবলৈ সিহঁতৰ ঘৰলৈ বুলি চাইকেলেৰে ওলাই আহিলো। আদ বাটতে লগ পালো তাৰ ভায়েকক। উৎপল কিয় ৰিহাৰ্চেললৈ অহা নাই তাক সুধিলো। মোৰ কথা শুনি সি

দেখোন বিস্ময়াবিভূত হ'ল। মোলৈ নিৰ্ব্বাক দৃষ্টিৰে এনেকৈ চাই পঠিয়ালে যেন মই এই গ্ৰহৰ প্ৰাণীয়েই নহয়। অথবা বোবা বুলি জানিও তাৰ লগত কথা পাতিবলৈ গৈ মই যেন তাক পেংলাইহে কৰিছো তেনে এক অভিব্যক্তিলৈ মোৰ ফালে চাইয়েই আছে। মোৰ অস্বস্তি লাগিল। তাক টানি সুধিলো— উৎপল বিহাৰ্চেললৈ কিয় যোৱা নাই? উত্তৰত সি যিমান কথা ক'লে বুকুত নগা যাঠিৰে শালি পেলোৱা যেন বিষ অনুভৱ হ'ল। 'ককাইদেউ আপুনি গম নেপালে নেকি? তাক পুলিচে গৰু পিটন দিলে নহয়। গোটেইটো কঁদোৱে কামোৰা মানুহৰ দৰে ভীমটোকা দি উথহি আছে। এতিয়া অৱশ্যে জামবিছে। গাৰ বিষত সি এতিয়া বিচনাকে এৰিব পৰা নাই। অৱশ্যে চিকিৎসা কৰাই আছো।' ভায়েকৰ কথাখিনি শুনি মোৰ মুখৰ মাত মৰিল। উৎপল আমাৰ নাট্যগোষ্ঠীৰ সদস্য। তাক পুলিচে মাৰিলে অথচ এই কথাটোকে আমি ইমানদিনে জনা নাই। আমি মানুহবোৰ কেৱল নিজকলৈয়ে ব্যস্ত আছো। ক্ৰমে ক্ৰমে যেন আমি আত্মকেন্দ্ৰিকতাত বিলীন হৈ গৈছো। নিজৰ বাদে আনৰ খবৰ জানিবলৈ কাবোয়েই সময় নাই। যন্ত্ৰ যুগত মানুহ যেন যন্ত্ৰবৎ হৈ গৈছে। মানুহ আজি বৰ স্বাৰ্থপৰ হ'ল। মোৰ নিজকে অপৰাধী যেন লাগিল। সি আকৌ কলে—'আলফা ছালফা বুলি তাক পুলিচে মৰা নাই। সি বোলে তাচ খেলি আছিল। তাকো বাতি নহয় দিনত। আমাৰ গাৱঁৰ নামঘৰৰ ...

সি বিহাৰ্চেললৈ যাব পৰা নাই। বেয়া নেপাব ককাই... ভায়েকৰ মুখত উৎপলৰ এনে অবাঞ্চিত দুৰ্দশাৰ কথা শুনি ... বেয়া লাগিল। ওচৰলৈ আক নগ'লো। তাৰ পৰাই ... উভতিলো। আজি আবেলিলৈহে তাৰ ওচৰলৈ যোৱা... ঠিক কৰিলো। কিয়নো এতিয়া গৈ উৎপলৰ লগত ... সম্পৰ্কে কথা পতা মানে যথেষ্ট সময় লব। ইফালে ... অফিচৰ সময় হৈ আহিছে। গতিকে আলবাটৰ পৰাই ঘূৰি... ঘৰ পাই দেখিলো বকুতৰ ঘৈণীয়েকজনী বাৰাণ্ডাত বহি ... মোক দেখিয়েই তাই সকাতৰে ক'লে—'দদাইদেউ, মই ... পৰা আপোনাক লগ পাবলৈ আহি বৈ আছো। ... মোক এটা ডাঙৰ উপকাৰ কৰি দিব লাগে।' ভাবিলো ... বিচাৰি আহিছে ছাগে। মানুহৰ শেষ, হাতত এটা পইচা... মইহে জানিছো কেনেকৈ চলিছো। ইফালে ওলাইছে, ... অসম চৰকাৰৰ আৰু বি আইৰ ওচৰত অভাৱ ড্ৰাফট (... উন্নয়ন মূলক কোনো কাম কৰা আঁচনি চকুত পৰা নাই) ... বেঙ্কে এটা পইচাও নিদিয়ে. চৰকাৰে ট্ৰেজাৰি অফিচলৈ ... পেঞ্চনকে আদি কৰি সকলো ধৰণৰ বিল বন্ধ ৰাখিবলৈ ... জাৰি কৰিছে। মৰ এতিয়া ক'ত মৰ! ইফালে নিত্য ব্য... বস্তুৰ দাম অভাৱনীয়ভাৱে বৃদ্ধি হৈয়েই আছে। দৰ্মহাৰ যিকেইটা টকা পাওঁ আগদিনা চুই পিছদিনালৈ উদং। ... দোকানীৰ ...

থবোৱাবলৈ জুৱা খেলুৱৈক গৰু পিটন দিয়ে, হাজোত ভৰাই শাস্তি দিয়ে, আকৌ সেই পুলিচেই যদি বেবেকত সেই সৰ্ব্বনাশী দুৰ্কৰ্মকে গোপনে কৰি নিজে সৰ্ব্বস্বান্ত হোৱাৰ লগতে পৰিয়ালৰ জীৱন বিধ্বস্ত কৰে তেনে নৈতিকতা বিহীন আদৰ্শ পুৰি খোৱা লোক পুলিচত চাকৰি কৰাৰ অধিকাৰ আছেনে? আইন শৃংখলা ৰক্ষাকাৰীয়ে নিজেই যদি আইন ভাঙে তেনে সমাজ জীৱন কেনেকৈ বাচি থাকিব? মদ খাই মাতালামী কৰা লোকক পুলিচে এশিকনি দিলে সমাজখনে সমাদৰ কৰে। কিন্তু পুলিচে মদখাই মাতলামী কৰিলে কথাটো গ্ৰহনীয় হ'বনে? কথাবোৰ ভাবি এইমূহুৰ্ত্তত এনে লাগিছে গোটেই দেশখনতে সকলো কালে কিবা আউল লাগিছে। সৎ সুন্দৰ বিবেকবান সংস্কৃতি পৰায়ণ ন্যায় নিষ্ঠাবান দায়িত্ববোধে মানুহৰ অপমৃত্যু ঘটিছে। প্ৰতিটো বিভাগ স্বাৰ্থম্বেষী দুৰ্নীতি পৰায়ণ বিষয়া কৰ্ম্মচাৰী ভৰি গৈ নৰকত পৰিণত হৈছে। সৰ্ব্বসাধাৰন মানুহ আজি এই বাৱস্থাত সাংঘাটিক ভাৱে বিপৰ্য্যস্ত হৈছে। সমাজ জীৱন উকখাছালৰ দৰে দিনে দিনে উৱলি গৈছে। ৰজতৰ ঘৈণীয়েকক আকাশ পাতাল বুজালো—'বুইছ, মুখ আৰু মুখা দুয়োটা সকলো মানুহেই যদি প্ৰভেদৰ দৰেই পাৰ্থক্য আছে। সকলো মানুহেই যদি মুখাকেই পিন্ধে তেনেহ'লে ঘৰখন, সমাজখন, দেশখন ৰক্ষা পৰে কেনেকৈ! দুৰ্নীতিত পোত যোৱা এই সমাজযন্ত্ৰটো ধুই পথালি নিকা কৰি এখন সঁচা সমাজ গঢ়িবলৈ সঁচাকৈয়ে আজি এটা বিপ্লৱৰ খুবেই প্ৰয়োজন হৈছে। যিখন সমাজত অসৎ অসুন্দৰ মানুহৰ ঠাই নেথাকে তেনে এখন সমাজ আমি গঢ়িব লাগিব। নহ'লে এনেদৰে থাকিবলৈ দিলে সৰ্ব্বসাধাৰন মানুহৰ বিলৈ বিপত্তিৰে পানীত হাঁহ নচৰা অৱস্থা হব। তাৰ বাবে প্ৰতিজন সৎ মানুহ গৰ্জিব লাগিব। দুৰ্নীতিক সাৰি মচি পুতিবলৈ ওলাই আহিব লাগিব। তেতিয়াহে সমাজখন সমাজ হৈ ৰক্ষা পৰিবগৈ।' মোৰ এই মূহুৰ্ত্তত ভাব হ'ল মই যিখিনি কথা ক'লো হোজা নিৰক্ষৰ ৰজতৰ ঘৈণীয়েকে বুজি পালেনে বাৰু? যিদিনালৈকে সংখ্যা গৰিষ্ঠ এই শ্ৰেণীটোৱে এইবোৰ কথা বুজি নেপাব, সকলোফালে আপোনাৰ বিচাৰ বুদ্ধিৰে সচেতন নহব, সেইদিনালৈকে এইখন দেশত কোনো বিপ্লৱ সফল নহয়। ৰজতৰ ঘৈণীয়েকক আৰু ক'লো। 'বুইছ নিতাই মাক, (সিহঁতৰ লৰা ডাঙৰটোৰ নাম) ঘৰৰ কোনোবাই বেয়া কাম কৰিলে তাক ঘৰখনে লুলুকোৱাই পৰিয়ালটোৱে গোপন নকৰি যদি মুখ ফুটাই ঘৃণা কৰে সি মনত আঘাট পাই ভাল হ'বলৈ যত্ন কৰিবই। ঘৰৰ কোনোবাই নিজৰ সামৰ্থ্যতকৈ বেয়া পথেৰে বেছি আৰ্জ্জন কৰা দেখিও আমি যদি প্ৰতিবাদ নকৰি আলাসতে জীৱন উপভোগৰ আনন্দত চকু মুদি দিও দেখাক দেখি আনেও তাক অনুকৰণ কৰিবই। ঠিক সেইবোৰ দুৰ্ব্বতলতাৰ বাবেই আজি আমাৰ সমাজ জীৱন ভ্ৰষ্ট হৈছে। গতিকেই প্ৰতিজন সৎ মানুহে ঘৰত পৰত দুৰ্নীতি দেখিলেই তাক বোধিবলৈ সঁচা আন্তৰিকতাৰে যুঁজ কৰিব লাগিব। মনত ৰাখিবি নিতাই মাক, প্ৰতিঘৰ মানুহ লগ লাগিহে সমাজখন হৈছে। ৰজতৰ দুষ্কৰ্মৰ কথা অ, চি, ক তই নিজমুখে কবি।'

আকাশলৈ চকু গ'ল—পুৱাৰে পৰা ৰ'দে জিলমিলাই থকা ফৰকাল বতৰটো এইমাত্ৰ গোমা হৈ গৈছে। ঠায়ে ঠায়ে ছটাছট ক'লা মেঘে আকাশখন ঢাকি পেলাইছে। গুৰুং ... ............। কোনোবা ফালে মেঘে গাজিছে। হয়তো বৰষুণ আহিব আহক। দুৰ্নীতিৰ আবৰ্জনাৰে মলিয়ন হোৱা মোৰ দেশৰ মাটি ধুবলৈ এজাক বৰষুণ লাগে। প্ৰচণ্ড এজাক বৰষুণ।

মহৎ লোকৰ বাণী

যি সকলে সমাজখন পৰিবৰ্তন কৰিব নিবিচাৰে তেওঁলোকৰ সেইটো ভুল নহয়, অপৰাধহে।"

মাও চেং তুংগ

# ভয়

দিগন্ত কুমাৰ গগৈ



আজিকালি অংকুৰে ঘৰত বৰ বেছিকৈ ...

# ভয়

দিগন্ত কুমাৰ গগৈ



আজিকালি অংকুৰে ঘৰত বৰ বেছিকৈ কথা নাপাতে। মাকৰ লগতহে দুই-এষাৰ পাতে। তাকো নিতান্তই প্ৰয়োজনীয় কেইষাৰহে। বি এ পাছ কৰা চাৰি বছৰ হ'ল। এতিয়া বেকাৰ। পাৰ্য্যমানে চেষ্টা কৰিও সি সামান্য সক চাকৰি এটাও যোগাৰ কৰি ল'ব নোৱাৰিলে। সি ঘৰখনত এটা উপাৰ্জনহীন, অকৰ্ম্মণ্য। দেউতাকৰ ভাষাৰে অপদাৰ্থ। সেয়ে ঘৰখনত তাৰ উপস্থিতি মাকৰ বাহিৰে কাৰো সিমান প্ৰয়োজনীয় নহয়। মাত্ৰ মাকেহে তাক, তাৰ ভিতৰখনক বুজি পোৱা যেন তাৰ অনুভৱ হয়। ...

দেউতাক ডিচি অফিচৰ হেডক্লাৰ্ক হিচাপে যোৱা বছৰ ৰিটায়াৰ হৈছে। চাকৰি জীৱনত এজন কেৰাণী হিচাপে তাৰ দেউতাকে যিমান ঘটিব লাগিছিল তাতকৈ বহুত বেছি ঘটিলে। দাদাক ব্লক অফিচত ডি আৰ ডি এ এক্সটেনচন অফিচা... দাদাকৰ চাকৰিও এবছৰ নৌ হওঁতেই ঘৰলৈ নতুন চিকচিকি... গাড়ী আহিল, ৰঙীন টি ভি. আহিল, আৰু বহুত কিবাকি... আহিল। ইমান সোনকালে এইবোৰ কেনেকৈ আহিল তা... কাৰণ বিচাৰি হাবাথুৰি খাব নালাগে। পুৱা গধূলি সিহঁত... ঘৰলৈ আহি থকা মানুহবোৰে দিয়া ডাঙৰ মাছটো, গাখীৰ... টেকেলিটো আৰু বৌৱেকৰ হাতত চাৰক দিব বুলি দিয়া বিশে... খামটো দেখিয়েই সি বুজি পায়। দেউতাকে তাকো এটা... চাকৰি ঠিক কৰি দিছিল। কিন্তু সি স্পষ্টকৈ কৈ দিলে যে... সেইটো চাকৰি সি নকৰে সি জনিছিল তাৰ বন্ধু অঞ্জনেও সেই... চাকৰিটোৰ বাবে আবেদন কৰিছিল। সকলো ফালৰ পৰা... অঞ্জন সেই চাকৰিটোৰ বাবে তাতকৈ অধিক উপযুক্ত! সি...

ভালদৰে বুজিছিল দেউতাকে তাক চাকৰিটো কেনেদৰে ঠিক কৰি দিছিল। সেয়ে সি নকৰিলে। দাদাক বৌয়েকহঁতে কেতিয়াবা ইতিকিং কৰি পতা শুনে "আমাৰ এইজন আদৰ্শ-বান পুৰুষ ওলালেহি চোৱা।" সি একো নকয়, শুনি থাকে। কিবা কবলৈ ইচ্ছা থাকিলেও নকয়।...

স্কুলীয়া বা কলেজীয়া জীৱনত অংকুৰ খুউব বেছি মেধাবী ছাত্ৰ নাছিল সঁচা কিন্তু কোনো এটা শ্ৰেণীতো সি ৰব লগীয়া হোৱা নাছিল। নিয়মীয়াকৈ গৈ আছিল। সাধাৰনতে মেধাবী ছাত্ৰ-ছাত্ৰীৰ প্ৰতি শিক্ষকৰ আকৰ্ষণ বেছি হোৱা দেখা যায়। কিন্তু অধিক মেধাবী নোহোৱা স্বত্বেও অংকুৰৰ প্ৰতি শিক্ষক তথা বন্ধু বান্ধৱীবোৰ অধিক আকৰ্ষিত হোৱাৰ কাৰণ আছিল অংকুৰৰ অতিশয় নম্ৰতা মাৰ্জিত ব্যৱহাৰ আৰু আনৰ দুখত দুখী হ'ব পৰা গুণৰ বাবে। তাৰোপৰি অংকুৰে সুন্দৰ অভিনয় কৰিছিল, গীত লিখিছিল কবিতা

গীত, কবিতা এইবোৰৰ কথা ভাবিলেই সি জুলিৰ কথা ভাবিবলৈ বাধ্য হৈ পৰে। এই জুলি নামটো সি বহু চেষ্টা কৰিও পাহৰিব পৰা নাই। এই কবিতাৰ মাজেদিয়েই এদিন জুলি তাৰ কাষলৈ আহিছিল। বৰ কাষলৈ আহিছিল। কিন্তু... জুলিয়ে তাক লৈ গৈছিল দূৰলৈ... বহু দূৰলৈ... অংকুৰে কবিতাৰ মাজেৰে গোটেই পৃথিৱীখনকে চাব খোজা জুলিক এখোজ দুখোজকৈ তাৰপৰা আঁতৰি যাব খোজা জুলিক পুনৰবাৰ চাব নোৱাৰিলে! কিয়নো সি বেকাৰ। জুলি গুছি গৈছে, তাৰ কাষৰ পৰা। জুলিয়ে সঘনাই কোৱা কথা এষাৰ মনত পৰিল, কৈছিল "তোমাক বাদ দি মই মোৰ কোনো কথাই চিন্তা নকৰো। প্ৰতিটো চিন্তাই তোমাক কাষত ৰাখিহে কৰো" অথচ সেই জুলিয়ে দুবছৰে কি কোনো চিন্তা নকৰাকৈয়ে আছে?...

জ্বলি থকা চিগাৰেটটোৱে হাতত পুৰিলতহে সি বাস্তৱলৈ ঘূৰি আহিল। চিগাৰেটটোৰ শেষৰ হোপাটো মাৰি মুঢ়াটো বাহিৰলৈ দলিয়াই দিলে। আবেলিয়েই হ'ল। আজি স্থানীয় সেইজী সংঘৰ এখন মিটিং আছিল। তাকো মাতিছিল। নাটক কৰিবলৈ লৈছে, তাৰে পাৰ্ট বিতৰণ কৰিবৰ বাবেই আজি মিটিংখন পাতিছে। মিটিং দুই বজাৰ পৰাই দিছিল এতিয়া চাৰি বাজিল। অৱশ্যে মিটিংলৈ যোৱাৰ তাৰ ইচ্ছা নাই। কাৰণ যিটো উদ্দমেৰে প্ৰথমে নাটকৰ ৰিহাচেল আৰম্ভ কৰিব সেইটো উদ্দাম পাছলৈ নাথাকে। দুই এদিন যোৱাৰ পাছত লাহে লাহে ৰিহাৰ্চেল কৰা মানুহৰ সংখ্যা কমি আহে সকলোকে ডাঙৰ পাৰ্টটো কৰিবলৈ লাগে। আচলতে নাটক এখন কৰিব লাগে সেয়া যেন একান্তই কৰ্তব্যবোধহে, নাটক এখনেৰে সমাজখনক যে কিবা এটা দিব লাগে, তেনেকুৱা এক হৃদয়ৰ তাগিদা কাৰো নাই। সকলো ক্ষেত্ৰতেই ঠিক এনেকুৱাই হৈছে। শিল্প সংস্কৃতিৰ প্ৰতি আন্তৰিক স্পৃহা কাৰো নোহোৱা হৈ গৈছে।

বহুদিনীয়া চকলেট ৰঙৰ চোলাটো আৰু কফি ৰঙৰ পেণ্টটো পিন্ধি সি বাহিৰলৈ ওলাই গ'ল। এই কাপোৰ যোৰ এদিন তাক জুলিয়েই পচন্দ কৰি দিছিল। যিদিনা এই কাপোৰ যোৰ সি প্ৰথম পিন্ধিছিল সেইদিনা জুলিয়ে...

নাই থাকক। এইবোৰ কথা সি নাভাবে। চোলা কাপোৰ যোৰ যেনেকৈ পুৰণি হৈ গ'ল এই কথাবোৰো ঠিক তেনেকৈ বহুত পুৰনি হৈ গ'ল। নেভাবে থাকক। মণিকাই দোকানৰ পৰা চিগাৰেট এটা জ্বলাই লৈ সি চিনেমাহলৰ ৰাস্তাটোৰে খোজ ললে। লাহে লাহে গৈ থাকোতে সি কেতিয়ানো চিনেমা হলৰ ওচৰ পালেগৈ গমকে নাপালে। চিনামা হলত বৰ ভিৰ হৈছে। কিবা অশ্লীল চিনেমা নিছে। প্ৰাপ্তবয়স্কৰ বাবে। প্ৰাপ্তবয়স্কৰ বাবে বুলি দিছেহে কিন্তু তাত কিশোৰৰ সংখ্যাই বেছি নিয়ম-বোৰ বান্ধিহে দিয়ে। নিয়ম পালোতা কোনো নাই। আনকি নিয়ম বান্ধোতাইও নিয়ম নামানে। এনেকুৱাই। "মেটিনী শ্বো ভাগিছে। চিনামাখন আৰু অলপ দীঘলীয়া হ'লে" তেনে এক ভাবেৰেই দৰ্শকৰবোৰ ওলাই আহিছে। চকুত তিনিঘণ্টিয়া আমেজ ... অ' সেইজনী দেখোন কমী, তাৰ ভনীয়েক। ডেকা এজনৰ সৈতে হাতত ধৰাধৰিকৈ চিনেমা হলৰ পৰা ওলাই আহিছে। হয়তো কোনোবা বয়ফ্ৰেণ্ড। কলেজলৈ বুলি ওলাই আহি অশ্লীল চিনেমা চাইছে। অংকুৰে নেদেখাৰ ভাও ধৰি আঁতৰি আহিল। অৱশ্যে ভনীয়েকে তাক দেখা হ'লেও একো ফিল্ নকৰিলেহেতেঁন। কিয়নো ভনীয়েকৰ মতে সি এটা মস্ত আনকালচাৰড তাৰোপৰি সি যে উপাৰ্জনহীন... সি অলপ

খবৰ খোজেৰেই আগবাঢ়িল। ভাবিলে ৰাজুৰ ওচৰলৈকে যাব। বন্ধু বুলিবলৈ ৰাজুহে আছে। আচলতে অংকুৰৰ নিচিনা চেন্‌চিটিভ মানুহবোৰৰ বন্ধু সীমিত হ'বই। ৰাজুৰ কেচুৱাতেই দেউতাক মৰিল। মাকে তাক বৰ কষ্ট কৰি পঢ়ুৱাইছিল। কিন্তু সিও আজিলৈকে কোনো এটা সংস্থাপন লব নোৱাৰিলে ৰাজু সকৰে পৰা খুউব মেধাৱী ছাত্ৰ আছিল। শ্ৰেণীত কোনো দিনেই দ্বিতীয় হৈ নোপোৱা ৰাজু আজি বেকাৰ। নিজৰ সৰ্বস্ব ত্যাগ কৰি পঢ়োৱা একমাত্ৰ মাক জনীককো ৰাজুৱে এমুঠি আহাৰৰ যোগান ধৰিব পৰা নাই।

অংকুৰে ৰাস্তাটো পাৰ হওঁতেই খুউব জোৰেৰে তাৰ গাৰ কাষেদিয়েই এখন ফিয়েট পাৰ হৈ গ'ল। ফিয়েট খন তাৰেই বন্ধু প্ৰবীৰৰ। লগত সদ্য বিবাহিতা পৰিবাৰ। প্ৰবীৰে কনট্ৰেক কৰে। খুউব কম দিনতেই বহুত কিবাকিবি কৰিলে। প্ৰবীৰে ঠিকা লোৱা দলংখন এমাহ নৌ হওঁতেই ভাগিল। বহুত মানুহ মৰিল বহুত জখমো হ'ল, দুদিনমান খবৰ কাকতবোৰ উত্তপ্ত। খুউব সমালোচনা হৈছিল। কিন্তু সকলো ফুটুকাৰ ফেন। ডাঙৰ মানুহৰ কথা। টকাৰ বলত সকলো তল পৰিল। প্ৰবীৰ আকৌ আগৰ দৰেই ঘূৰি ফুৰিছে।

সি ৰাজুহতঁৰ ঘৰৰ ওচৰ পালেহি। নঙলামুখৰ ওচৰ পাওঁতেই ৰাজুহঁতৰ ঘৰৰ পৰা পুলিচৰ গাড়ী এখন ওলাই যোৱা দেখিবলৈ পালে। গাড়ী পাছফালে চাই দেখি হেণ্ডকাফ লগাই ৰাজুক বান্ধি নিছে। সি খৰখৰকৈ ৰাজু ঘৰলৈ সোমাই গ'ল। ভিতৰত ৰাজুৰ মাকে দুৰ্বল শৰীৰে ভুকুৱাই কান্দিছে। মাকৰ অসুখ কান্দি কান্দি মাকে ক তেওঁৰ হেনো পাচঁ দিনমানৰ পৰা অসুখ, ডাক্তৰে টি বি বুলি কৈছে চিকিৎসাৰ বাবে টকা নাই ৰাজুৱে হেনো উপ নাপাই কোনোবা হোটেল এখনৰ পৰা টকা চুৰি কৰিছি ধৰা পৰিল। অংকুৰ মূক হৈ গ'ল। কোনোদিন আদৰ্শৰ প বিচলিত নোহোৱা ৰাজুৱে কেনেকৈ চুৰ কৰিবলৈ আগবাঢ়ি ৰাজুৰ বিবেকে বাধা নিদিলে? অভাৱত কি আদৰ্শৰ কো মূল্য নাথাকে নেকি? সি অস্থিৰ হৈ পৰিল। ৰাজুৰ মাক কি বুলি শান্তনা দিব ভাষাকে বিচাৰি নাপালে। সি বাহিৰলৈ ওলাই আহিল। ঘৰলৈকো যাবলৈ তাৰ মন যোৱা নাই। কি জানো ভাৱ হৈছে ঘৰলৈ গ'লে সি হয়তো বৌয়েক-ভনীয়েকহঁতে পাতি থকা শুনিব—"আমাৰ আদৰ্শবান মহাপুৰুষজন এতিয়াহে আহিছে; বাঢ়ি যোৱা ভাত খাবলৈ—" এইবোৰ শুনি শুনি হয়তো সিও এদিন · কিজানি সিও এদিন চোৰ কৰিব লগা হয়; কিজানি কবৰ দিবলগীয়া হয় তাৰ আদৰ্শক···তাৰ ঘৰলৈ যাবলৈ ভয় লাগিল।

মহৎ লোকৰ বাণী

"হতাশাক প্ৰশ্ৰয় নিদিবা, এবাৰ প্ৰশ্ৰয় দিলে ই তোমাৰ অভ্যাসৰ অংশ হৈ পৰিব।"

ছিড্‌নিস্মিথ্‌



# সভাপতিৰ মন্তব্য

**শুভ দাস** স্নাতক- ৩য় বর্ষ।

দুৰ্ভগীয়া অসহায় গাভৰুজনীক যেন অকলে অকলে নৈৰ পাৰত কোনোবা দুৰ্বৃত্তই আক্ৰমণহে কৰিলে। কলেজৰ চৌদিশ ৰজনজনাই গ'ল। এটা প্ৰলয়ংকাৰী শব্দত। চাৰিওফালে হুৱা হুৱা লাগি পৰিল। ...... সুপ্ত সমুদ্ৰৰ বুকুত যেন প্ৰলয়ংকাৰী কোটি কোটি নাগিনীৰ উন্মুক্ত আস্ফালন। প্ৰতিযোগিতা, গান সভাপতিৰ অনুৰোধ আদি সকলো যেন এই শব্দৰ আগত তুচ্ছ, ম্লান হৈ গ'ল। কলেজৰ বিৰাট হলঘৰটোৰ পিছফালে ইমান সময়ে গিজনি মাৰি থকা দুষ্ট লৰা কেইটাই যে এনেকুৱা কাণ্ডখন কৰিবগৈ, সেইটো কোনেও ভবাই নাছিল। অৱশ্যে আজিৰ পৰিবেশটোৱেই কিছু মতলীয়া। মতলীয়া মানে... বাৰুকৈয়ে। হলেও এনে অভাৱনীয় পৰিস্থিতিৰ সম্ভাৱনাৰ কথা কোনেও কল্পনা কৰা নাছিল। ... মই ইমান হলস্থুলৰ মাজত কেইটামান আৰ্তনাদ শুনাৰ বাহিৰে, পৰিস্থিতিৰ বিষয়ে আধিককৈ জনাৰ কোনো সুবিধাই নাপালো ·····"এই ধৰ ধৰ... ··পানী... পানী······হস্পিতাললৈ নিব লাগে······গাড়ী গাড়ী... আদি শব্দবোৰহে মাথো ভাঁহি আহিল।

মানুহৰ ধৈয্যৰো এটা সীমা আছে। সীমা আছে চিন্তাৰ। কিন্তু আমাৰ অধ্যক্ষ চাৰৰ ধৈৰ্য্য আৰু চিন্তা শক্তিয়ে যেন কাহানিবাই সীমা চেৰাই গ'ল। এনেয়ে লৰাহঁতৰ উদ্ভাণ্ডলি কিৰিলি আদিত তেওঁৰ মগজুৱে কাম নকৰাৰ দৰে হৈ আছিল, তেনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই ঘটনাটোৱে যেন তেওঁক এটা আগ্নেয়গিৰিৰ দৰে ফালি চিৰাচিৰ কৰি দিলে। অনুষ্ঠান

আৰম্ভ হোৱাৰে পৰা তেওঁ লৰাহঁতক আমাৰ কলেজৰ ছাত্ৰ সকলক মই সভাৰ কাম নিয়াৰিকৈ চলাই নিয়াৰ ক্ষেত্ৰত নিয়ম শৃংখলাৰ মাৰি চলিবলৈ টানি অনুৰোধ জনালো······"। কিন্তু নাই; হুলস্থুল ক্ৰমক চাৰি ছুগুণ বাঢ়িলহে।

কলেজৰ অধ্যাপক, ছাত্ৰ সভাৰ সম্পাদক সকলে হুলস্থুল টো শাম কটাবলৈ বিভিন্ন ঘোষণা জাৰি কৰিলে। দিবৰে কথা ইয়াৰ লগত কলেজখনৰ মান-সন্মানৰ কথা আছে। আছে স্থানীয় অঞ্চলটোৰ মান-সন্মানৰ প্ৰশ্ন জড়িত হৈ। আজিৰ এই ক্ষুদ্ৰ ঘটনাটোৰ কথাই অসমৰ প্ৰতিখন কলেজৰ বাবে মুখৰোচক কাহিনী হৈ পৰিব পাৰে। ৰাজ্যৰ প্ৰধান প্ৰধান বাতৰি কাকত-বোৰে টৌ টৌ বৌ টৌ গৰম গৰম বাতৰি পৰিবেশন কৰিব। অমুক কলেজত হৈ থকা সদৌ অসম আন্তঃ মহাবিদ্যালয় সাংস্কৃতিক সমাৰোহত এনেকুৱা ঘটনা ঘটে বহুতো লোক গুৰুতৰ ভাৱে আহত হৈছে। আহত সকলক স্থানীয় চিকিৎসা-লয়ত ভৰ্ত্তি কৰোৱা হৈছে যদিও –"মানে চেৰ কিবা কিবি সকলোৱে স্থানীয় এই কলেজ খনক লৈ চিঃ চিঃ কৰিব। তাৰ বাবে দায়ী হব কোন ? কলেজৰ অধ্যক্ষ—।

কথাবাৰ ভবাৰ লগে লগেই খণ্ডত আৰু হয়টো কিছু আবেগত অধ্যক্ষ চুতীয়াৰ মুখমণ্ডল তেতিয়া যেন এটা জলন্ত উল্কাপিণ্ডলৈ পৰিৱৰ্ত্তিত হৈছিল। ছাত্ৰ সকলৰ এই উচ্ছৃংখলতা, অপকৰ্ম আদিৰ বেদনাত তেওঁৰ মনটো টনটনাই উঠিল। কিন্তু তত্তাতৈয়াকৈ তেওঁ কিবা এটা সিদ্ধান্ত দি পৰিস্থিতি উত্তপ্ত কৰিব নিবিচাৰিছিলে।··· হৃদয় মৃথিত কৰি এটা তপত হুমুনিয়াহ তেওঁৰ মুখেদি অজানিতে বৈ আহিল। —মই সভাপতিৰ আসনৰ পৰাই অধ্যক্ষৰ এই অন্যমনস্কতা, তেওঁৰ আত্মসমাহিত ভাৱটো তেওঁৰ অলক্ষিতে লক্ষ্য কৰিলো।..তেওঁ যেন মোক কিবা এষাৰ কবলৈ আগবাঢ়ি আহিছে—

—বন্ধুৱা, কিছু সময়ৰ বাবে কাৰ্য্যসুচী বন্ধ ৰখাৰ কথা ঘোষণা কৰক।" তেওঁৰ মনত থুপ খোৱা সমস্ত ক্ষোভ যেন এই কথাষাৰৰ দ্বাৰাই বিস্ফোৰণ হিচাপে প্ৰকাশ কৰিলে।

মইয়ো সেইমতে ঘোষনা কৰি কাৰ্য্যসূচী সাময়িক ভাৱে স্থগিত ৰাখিলো।

.. মই আচলতে আৰম্ভনিৰে পৰাই সকলো কথা লক্ষ্য কৰি আছিলো যুৱ সমাজৰ বৌদ্ধিক জ্ঞান আৰু প্ৰতিভা বিকাশৰ বাবে সদৌ অসম ভিত্তিত এই প্ৰতিযোগিতাৰ অনুষ্ঠানটো পতা হৈছে। অসমৰ বিভিন্ন ঠাইৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অংশগ্ৰহণ কৰিবলৈ আহিছে। নিজ নিজ দক্ষতা উগাৰি দিবলৈ সকলোৱে আহি এই অঞ্চলত আহি গোট খাইছেহি। ৰংচঙীয়া সাজ-পোচাক আৰু উগ্ৰ প্ৰসাধনেৰে প্ৰলেপ সনা মুখাবয়েৰে, সকলোৱে নিজকে এড্ভেন্চাৰ, এচামিজ বুলি জাহিৰ কৰিবলৈ তৎপৰ হৈ আহিছে। এই ক্ষেত্ৰত স্থানীয় ছাত্ৰ-ছাত্ৰীৰ সকলৰ অবিহনা অধিক——অধিক মানে——ইটোৱে বোলে মইহে চাৰ, সিজনীয়ে বোলে মইয়ে চাৰ—পশ্চিমীয়। সাংস্কৃতিৰ অন্ধ অনুকৰণ—"আদাক দেখি উঠিল গা, কেতুৰিয়ে বোলে মোক খা"··· বিৰাট হলঘৰটোত বহিবলৈ যে ঠাই নাই নায়েই থিয় হবলৈকো ঠাই নাই। গোটেইখন দলদোপ হেন্দোলদোপ—

আতৰৰ পৰা প্ৰতিযোগিতাত অংশ লবলৈ অহা ছোৱালী কেইজনীৰ সৈতে কোনে আগতে চিনাকী হব পাৰে; সিহঁতৰ আগেদি কোনে গা-ঘেলাই পাৰ হৈ যাব পাৰে; তাৰ বাবে আমাৰ দিবাকৰ, বাবুলি, দিকু, মনুহতৰ মাজত প্ৰতিযোগিতা চলিছে।—চাৰিওফালে হৈ-হাল্লা, কিৰিলি। তাৰ মাজতে ইহতে ছোৱালী কেইজনীৰ আগেদি গৈ কামটো কৰি নাহিলে বা ছোৱালী কেইজনীৰ থিক পাছতে বহি থকা লগৰ লৰাটোৰ যিকোনো প্ৰকাৰে কথাটো কৈ আহিব নোৱাৰিলে যেন সকলো সৰ্বনাশ হৈ যাব।

ছোৱালী বিলাকো জানো কম। তেজপুৰৰ ফালৰ পৰা অহা কিজনিয়েটো অথনি কেইটামানক নগুৰ-নাগতি কৰিবলৈ এৰিছে। মই সভাপতিৰ আসনৰ পৰা কাৰ্যাসুচীৰ মাজে মাজে সকলোৰে অলক্ষিতে কথাবোৰ লক্ষ্য কৰি থাকিবলৈ ধৰিলো...

"এক্সকিউজ মি দাদা শুনকচোন ···· !"

"—মোক কৈছা ——অ' সেইটো চোন আমাৰ অধ্যাপক কাকতিৰ লৰা কৌস্তভ। ছোৱালীকেইজনীৰ আগেদি টিলিকাই ঘিলাই ফুৰোতে তাক তাৰে এজনীয়ে মাত দিলে।

'—হয় আপোনাকে কৈছো।' আগত বহি থকা কেইজনী ফৰকাটিঙৰ ছোৱালী। তাহাতৰ মাতত সি যেন একো কবই নোৱাৰা। হৈ গল। অলপ হাউলি লৈ ······

'কিবা কৰা নেকি ? হাউলি থাকিবলৈ যেন তাৰ হাতত অপৰ্য্যাপ্ত সময়। পাৰিলে ছোৱালী জনীৰ মুখৰ মধু

শুনিবলৈ সি যেন তাৰ কানখন তাৰ মুখত লগাইহে দিব।

"আপোনি বাৰু ইয়াৰে নেকি? মানে স্থানীয়

'অ মোৰ দেউতা এই কলেজৰে শিক্ষক।'

ইফালে পাচ ফালৰ পৰা তাৰ লগৰ কেইটাৰ কিৰিলি ভাহি আহিল ...। কৌস্তুভে এইবাৰ গান গাব ঐ ল'ৰাহঁত—আবে গৰ নিদিবি বে কৌস্তুভ টিংটিং ..." নহয় মানে আমাৰ নাম কেইটা কেই নম্বৰত আছে, যদি অনুগ্ৰহ কৰি চাই দিলে হয়।'

সি যেন এক্তাপতে শৃংগৰ চূড়ান্ত শিখৰত। উল্লাসত সি প্ৰায় চিঞৰাৰ দৰেই কৈ উঠিল + —

—'আৰে হব,—চাই দিম আৰু। —সেইটো আৰু কিয় বিকুয়েষ্ট কৰিব লাগে। মোক তোমালোকৰ লগৰ হিচাপেই ধৰিবা। —পিছে তোমাৰ নামটো—

'বিনীতা, মানে বিনীতা গোহাঁই আৰু এইয়া দীপাঞ্জলী দত্ত প্ৰাথমিক পৰিচয় পৰ্ব।

'ৰ'বা, মই চাই আহিছো। দেই ।' বুলি কৈ সি দেখুন মোৰ ফালেই আহিছে।

যিমানে হলেও, ইমান মানুহৰ আগত অকলশৰে ছোৱালী কেইজনীৰ লগত কথা পাতি সি হয়টো কিছু কঁপিছিল! সেয়েহে মাটিত বহি থকা দলনিৰ পোনা গালৰ মাজেদি মোৰ ফালে বাট কালি আহোতে তাৰ ভৰি ছুটাই সঘনাই গীয়েৰ চেষ্টা কৰিব লগা হৈছিল। সেই সুযোগতে সৰু সৰু ল'ৰা-ছোৱালী ছটামানে তালৈ পেন্দোৱা পেন্দিকৈ চাই পঠিয়ালে। আত্ম-সন্মানৰ খাতিৰত সি এতিয়া সিহঁতক একো কবও নোৱাৰা হ'ল

..."চাৰ!' সি মোৰ ওচৰত হাজিৰ হলহি।

"চাৰ !' কৌস্তুভৰ আকুল অনুৰোধ

মইয়ো যেন বৰ ব্যস্ত। বৰগীত গাই থকা মাজুলীৰ ল'ৰাটোৰ কণ্ঠটো অৰণ্যে সিমান বেয়া নহয়। কি নাম আছিল ল'ৰাটোৰ...

...অ' পঞ্চানন দেৱ গোস্বামী।

চাৰ শুনকচোন ।' কৌস্তুভৰ উদাসীন গৰ্জ্জন।

অ, তুমি— কিবা কবা নেকি? কথাষাৰ কৈ মই পুনৰ সভাপতিৰ কাৰ্য্যত নিমগ্ন হলো। কিন্তু মনে মনে হলে সি মানে চাৰ, ফৰকাটিঙৰ বিনীতা বিনীতা গোহাঁই আৰু দীপাঞ্জলী দত্তৰ নামটো বাৰু কেই নম্বৰত আছে?

(মই এতিয়া কব নোৱাৰিম দেই! এনেও ঘোষণা কৰিম নহয়, সাজু হৈ থাকিবলৈ কোৱাগৈ যোৱা... ..."

"নহয় মানে চাৰ, নাম ছুটা অলপ আগলে দিব পৰা হলে ভাল আছিল ! সি কথাষাৰ এনেদৰে কবলৈ যত্ন কৰিলে যে সংসাৰত তাতকৈ শান্ত-শিষ্ট লৰা যেন কোনোৱেই নাই। হব যোৱা ।'

মোৰ কিছু খঙো উঠিছিল।

...এই ল'ৰাবিলাকে বাৰু নিজকে কি বুলি ভাবে। অলপ, লাজ অলপ কুণ্ঠা যদি থাকিলহেতেন এই ল'ৰাহঁতৰ। সন্মুখত দেউতাকৰ সমবয়সীয়া বিশিষ্ট লোক সকল বহি আছে আৰু পিছফালে চিনাকী হোৱাৰ নামত ছোৱালী বিলাকৰ লগত ইহঁতে নাবকীয় দৃশ্যৰ সৃষ্টি কৰিবলৈকো কুণ্ঠাবোধ কৰা নাই।... আদিম অনুভূতি এটা সকলো মানুহৰে আছে। প্ৰতিজন ব্যক্তিয়েই নিজস্ব-বৈশিষ্ট্য মণ্ডিত দৈহিক মানসিক কাৰ্য্যকলাপৰ ক্ষেত্ৰত মিথ্যাশ্ৰিত ভাৱনাক ক্ৰমাগত ভাবে আশ্ৰয় দিয়েই। আমাৰো হৈছিল। কিন্তু তাৰ মাজতো আমি সংযমী আছিলো।

শিক্ষকক শ্ৰদ্ধা কৰা ডাঙৰক সন্মান কৰা আদি কামবোৰৰ পৰা আমি নিজকে এৰাই চলিব পৰা নাছিলো। কিন্তু ইহঁতবোৰৰ কি হৈছে। আগৰ তুলনাত আজিৰ ছাত্ৰই মুক্তভাৱে কিবা এটা সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰয়োজনীয় মানসিক দক্ষতা বাৰু কিয় হেৰুৱাই পেলাইছে। সাময়িক উত্তেজনাৰ বাবে ইহঁতে আজি সমাজত উচ্ছৃংখলতাৰ জোঁৱাৰ বোৱাইছে। সুৰা, ব্লু ফিল্ম, বিকৃত ৰুচিবোধ আদিৰে পূজা হৈ নিজকে নিজেইটো ক্ৰমান্বয়ে ধ্বংস কৰিছেই, আনকি মাক দেউতাকৰ সন্মানকো পদলেহন কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। এনেবোৰ ছাত্ৰৰ পৰা বাৰু আন্তঃৰাজ্যিক প্ৰতিযোগিতাত জাতিয়ে কি ফলাফল আশা কৰিব পাৰে ... কথাবোৰ ভাবি ভাবি মোৰ মূৰটো গৰম হৈ যোৱাৰ দৰে লাগিল। কপালেদি অজানিতে বিন্দু বিন্দু ঘাম নিৰিঙি আহিল। মনৰ এই বিভ্ৰান্তিৰ জাল ফালি সঠিক উত্তৰটো বিচাৰি মই যেন মানসিক ভাৱে নিজকে হেৰুৱাই পেলালো।

'চাৰ...।'

...কোন? অ' বিদ্যুৎ।' কলেজৰ সাধাৰণ সম্পাদক বিদ্যুৎ

খাৰঘৰীয়া কেতিয়ানো আহি মোৰ ওচৰত হাজিৰ হ'লহি, মই নিজেই কব নোৱাৰিলো।

'চাৰ, কি হল' আপোনাৰ। কাম চলাই নিয়ক আৰু। কিবা চিন্তা কৰি আছে নেকি ?

মোৰ নিজৰে বৰ লাজ লাগি গ'ল ! চোঃ কিমন যে ভাবি আছো লৰালৰিকৈ কাৰ্য্যসূচীত চকু ফুৰালো।

···এইবাৰ আমি মঞ্চলৈ আমন্ত্ৰণ জনাইছো· বিনীতা গোস্বামী ··· সাজু হৈ থাকিব ——দীপাঞ্জলী দত্ত।'

তেনেতে সমুখৰ দৰজাখনেদি কৌস্তভক। সাউংকৈ পাৰ হৈ যোৱা দেখিলো। তাৰ মুখত যেন এটা গম্ভীৰ তৃপ্তিৰ হাঁহি। মই ছোৱালী কেইজনী বহি থকা ঠাইডখৰলৈ চালো। অথনি বহি থকা ঠাই ডোখৰত সিহঁতক নেদেখিলো। তাৰ সলনি মাটিত বহি থকা সৰু সৰু ল'ৰা কেইটামানে সেই আসন দখল কৰিবলৈ হেতা ওপৰা লগাই আছে। মোৰ অজানিতে ছোৱালী কেইজনীয়ে হয়তো কেহানিবাই উঠি গৈ গান গাবলৈ সাঁজু হৈ আছেগৈ।—এটা তপত হুমুনিয়াহ মোৰ শৰীৰৰ পৰা ওলাই বতাহৰ লগত মিলি গ'ল।

—ঐ, কি গান গাবলৈ আহিছে, আৰে ইংলিচ গা বে—। বিৰাট হলঘৰটোৰ পিছফালে উত্তাল গৰ্জন।—'আৰে কৌস্তভ, চাল নিদিবি বে—।' অৱশ্যে নিৰ্দিষ্ট কেইটামান ল'ৰাইহে চিএৰ বাখৰ খন কৰি আছে, আৰু সেইকেইটানো কোন তাক সকলোৱেই জানে। কিন্তু আত্ম সন্মানৰ খাতিৰত সিহঁতক কোনোৱেই জোকাই লবলৈ সাহস কৰা নাই।

তেনেতে বিৰাট শব্দ এটা কৰি গোটেই হলঘৰটো কঁপি উঠিল ! থিক যেন শব্দ নহয়। কেইবাটাও যেন বজ্ৰ ধ্বধ্বনি। ভাবিলো মোৰ কান দুখন ফাটি গ'ল বুলি। মই বহুত সময় কাণেৰে একো নুশুনাৰ দৰে হলো। পাচৰ প্ৰতিযোগীজনৰ নামটো ঘোষণা কৰিবলৈ লৈও মোৰ হাতৰ পৰা স্পীকাৰটো সৰি পৰিল। গান গাই থকা ছোৱালী এজনীৰ গানতো বিচ্যুতি ঘটিল।

—চাৰিওফালে হুৱা হুৱা লাগি গ'ল। হলঘৰটোৰ পিছফালে হয়টো সাংঘাতিক কিবা এটা হৈ গৈছে। কাৰণ সেইফালৰ পৰা হুলস্থূলীয়া পৰিবেশ এটা ভাঁহি আহিল। কিনো হৈছে বুলি কাৰোবাক সুধিবলৈকো একো সুবিধা [illegible] অৱশ্যে এই শব্দৰ করুণ পৰিণতি হিচাপে যে কেইজনী ছোৱালী বাকৈকৈয়ে আঘাত প্ৰাপ্ত হৈছে, সেই কথা দূৰৰ পৰা ভাঁতি অহা আৰ্তনাদ কেইটাৰ পৰাই অনুমান কৰিব পাৰি [illegible] কোনোৱে মেজৰ ওপৰত উঠি কিনো হৈছে বুলি [illegible] সকলোৱেই হেতা-ওপৰা লগালে। বিশিষ্ট ব্যক্তি হিচাপে [illegible] কিতনাৰ ওপৰত উঠি চাবলৈকো মনতে বেয়া পালো। [illegible] কোনোবাই নিজে আহি মোক সবিশেষ নজনায়হি [illegible] ঘটনাৰ আহি গৰি জনাৰ মই অন্য উপায় নাপালো। [illegible] বাবেই অপেক্ষা কৰি ৰলো।——কথাটোনো কি তাক জানি [illegible] মই উদগ্ৰীৱ হৈ পৰিলো। এটা এটা মুহূৰ্ত এটা এটা [illegible] যেন লাগিল।

——এই গাড়ী আন——ধৰ ধৰ——এই পানী [illegible] — হস্পিতাললৈ নিব লাগে —। এনেকুৱা বিভিন্ন [illegible] অস্বাভাবিক চিন্তা উদ্ৰেকক শব্দেৰে। গোটেই হলঘৰ মুখৰিত হৈ পৰিল। কলেজৰ অধ্যাপক, কৰ্মচাৰী ছাত্ৰ [illegible] সম্পাদক সকলৰ লৰা-ঢপৰা ইতিমধ্যে আৰম্ভ হৈ গৈছে।— [illegible] ফুৰ্তিৰ নামটো যে চুড়ান্ত কিবা এটা হৈ গৈছে-সেইটো বুজিবলৈ বাকী নাথাকিল। কাৰণ আনন্দৰ উৎসৱ দেৱালী পাৰ হৈ যোৱা আজি দুদিনো হোৱা নাই। এইয়াও যে সেই [illegible] উৎসৱৰে কিয়দংশ, তাক বুজি পালো।——মানুহৰ [illegible] একোটা নাশ কৰি দিব পৰা ধৰনৰ শক্তিশালী বোমাত (— [illegible] ফট্‌কা) যে মুকলি বজাৰত বেচিবলৈ চৰকাৰে অনুমতি [illegible] পাৰে কথাযাৰ ভাবি নিজেই আত্মদণ্ডত ভূগিবলৈ ধৰিলো [illegible] আৰু তিনি চাৰিটাযদি একেলগে এনেকুৱা জনসমাজৰ মাজত বিস্ফোৰণ কৰোৱা হয় আনন্দৰ নামত) তেনেহলে স্বাভাৱিকতে তাৰ পৰিণতি করুণ হবই।

তেনেতে ষ্টেজৰ ওপৰলৈ কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক বিদ্যুৎ খাৰঘৰীয়াক উঠি অহা দেখিলো।— 'সকলো ছাত্ৰ-ছাত্ৰীকে আজিৰ সভাৰ কাম নিয়াৰিকৈ চলোৱাত নিয়াত সহায় কৰিবলৈ মই বিনম্ৰ ভাৱে অনুৰোধ জনালো [illegible] ——আমি ভৱা নাছিলো, আমাৰ স্থানীয় ঠাই ডোখৰ [illegible] সন্মানত এনেদৰে কুঠাৰাঘাট কৰিব বুলি। যি কেইজন [illegible]

বাবে আজিৰ এই করুণ ঘটনাটো ঘটিবলৈ পালে, সেই কেইজন আমি অৱশ্যেই চিনাক্ত কৰিছো আৰু তেওঁলোকৰ ওপৰত আমি বিহীত ব্যৱস্থা লম ——মই নিশ্চয়কৈ জানিছিলো এনেকুৱা সাংঘাটিক কিবা এটা হৈ যাব বুলি। আমাৰ মাজৰে বন্ধুমহলে যে এনেদৰে নিজৰ মানসিক ভাৰসাম্য হেৰুৱাই পেলাবৰ উপক্ৰম হৈছে ; তাক মই সঠিক উপলব্ধি কৰিছিলো। কিন্তু বহুত পলম হৈ গ'ল।——অন্যান্য আঘাত প্ৰাপ্ত সকলৰ বাদেও আজি বৰপেটাৰ শ্ৰীমতী ৰূপাঞ্জলী ডেকা আৰু ডুমডুমাৰ ৰ'ঞ্জি গগৈৰ শৰীৰত এই ফটকাৰ আঘাতে বিশেষ ভাবে ক্ষতি সাধন কৰিছে। তেওঁলোকৰ শৰীৰৰ বহু অংশ ইতিমধ্যে জ্বলি গৈছে।—-আমি চিকিৎসাৰ ব্যৱস্থা কৰিছো যদিও, তেওঁলোক কিছু পৰিমানে হয়তো চিৰদিনৰ বাবে ঘৃণীয়া হৈ যাব পাৰে।——তাৰ বাবে আমি সমগ্ৰ অসম বাসীৰ আগত কাইলৈ কি বুলি কৈফিয়ৎ দিম ; ভাবি পোৱা নাই।-—মোৰ সতীৰ্থ সকলে বোমাটো হলৰ ভিতৰত ফুটুৱাই বাহিৰত ফুটুৱাইও ফুৰ্ত্তি কৰিব পাৰিলেহেঁতেন —’—— বিদ্যুৎ কিছু সময়ৰ বাবে মনে মনে ৰ'ল। তাক বৰ উত্তেজিত আৰু চিন্তান্বিত যেন দেখাইছিল।——আমাৰ এই ঠাইডোখৰ এই কলেজখনৰ, মোৰ, প্ৰিন্সিপাল চাৰৰ মান সম্মানক আমি নিজেই ৰক্ষা নকৰিলো, আন কোনোবাই কৰি দিবহি নেকি ? আমি নিজৰ ঠাই ডোখৰক ভাল পাওঁ বুলি কলেই নহব নহয়,, তাৰ মান মৰ্য্যদা ৰাখিব পাৰিব লাগিব।—আজি ইয়াত গোট খোৱা অসমৰ বিভিন্ন ঠাইৰ প্ৰতিজন প্ৰতিযোগীয়েই নিজ নিজ অঞ্চললৈ মান সম্মান কঢ়িয়াই নিবলৈ আহিছে।——কিন্তু আমি কৰিছো কি—-আচলতে আমাৰ সকলোৰে ধৈৰ্য্যচুতি ঘটিছে। ইয়াৰ বাবে আমি শিক্ষক অভিভাৱকক দোষ দিলে নহব।——মই বেছি কথা নকওঁ ——আমি নিজকে বৌদ্ধিক আৰু মানসিক ভাৱে বহু পৰিমানে শুদ্ধৰাব লগীয়া আছে—-শেষত তুৰনিৰ ছাত্ৰ-ছাত্ৰীসকললৈ মোৰ এটি অনুৰোধ —-তেওঁলোকে একো চিন্তা কৰিব নালাগে এনেকুৱা ঘটনাৰ যাতে পুনৰবৃত্তি নহয়, তাৰ বাবে আমি কলেজ কৰ্তৃপক্ষই যৎপৰোনাস্তি চেষ্টা চলাম। আমাৰ অধ্যক্ষ চাৰৰ নেতৃত্বত ইতিমধ্যে তদন্ত সমিতি গঠন কৰা হৈছে। ৰূপাঞ্জলী ডেকা আৰু ৰ'ঞ্জি গগৈৰ আশু আৰোগ্য আমি সকলোৱেই কামনা কৰিলো।—-আমি আশ্বাস দিছো, ছাত্ৰ-ছাত্ৰী মানসিক ভাৰসাম্য নেহেৰুৱাই আজিৰ সভাৰ কাম পুনৰ নিয়াৰিকৈ চলাই নিয়াত সহায় কৰিবলৈ বিনম্ৰ ভাৱে অনুৰোধ জনালো—!!


সম্পাদকৰ দীঘলীয়া ভাষণ শুনি মোৰ মূৰটো ঘূৰাই যোৱা যেন লাগিল। ছাত্ৰ সকলৰ হাই উৰুমি আৰু কিৰিলিয়ে চূড়ান্ত শিখৰত গৈ যে ডুজনী আলহী ছোৱালীৰ দেহা ঘুণীয়া কৰিহে এৰিলে, সেইটো বুজাত মোৰ পলম নহ'ল। ইমান দিনে কাকতে পত্ৰই যুব উচ্ছৃংখলতা আজিৰ বিষয়ে পঢ়িহে আছিলো ; আজি নিজে প্ৰত্যক্ষ কৰিলো তাৰ পশুত্বতা। গোটেই ঠাইখন মোৰ নিজকে নৰক পুৰী যেন লাগিল। কোনোমতে স্পীকাৰটো উঠাই লৈ——

——আজিৰ সভাৰ পাছত কামখিনি চলাই নিবৰ বাবে মোৰ কাষতে থকা সহকৰ্মী শ্ৰীমান কলিতাক অনুৰোধ জনালো ——'হয়তো কলিতা এনে এটা আকস্মিক প্ৰস্তাৱৰ বাবে সাজু নাছিল। কাৰণ তেওঁ যে মোক কিবা এষাৰ কব খুজিছিল। মই কিন্তু সেই সুবিধা নিদিলো। দ্ৰুত গতিৰে হলঘৰটোৰ পৰা মই ওলাই আহিলো। বাহিৰত তেতিয়াওঁ হুলস্থুল লাগি আছিল মই সেইবোৰলৈ কান নিদি আজি দিনটোৰ অমূল্য অভিজ্ঞতাৰ বোমা কান্ধত লৈ কলেজ চৌহদৰ মূল গেটখনৰ ওচৰ পালোহি——— !!!

> "তুমি নিজে ভাল হোৱাটো মহৎ কথা, কিন্তু আনক ভাল হ'বলৈ শিকোৱাটো আৰু মহৎ।"
>
> মাৰ্ক টোৱেইন

# অপমৃত্যু

জিতু কুমাৰ চমুৱা
স্নাতক ১ম বৰ্ষ।
(কলা)



ক্রিং, ক্রি ৰি ৰিং...। ফোনটো একেবাৰে বাজিবলৈ ধৰাত আনটো কোঠাৰ পৰা ৰাতুল লৰি আহিল আৰু ক্রেডেলৰ পৰা ৰিছিভাৰটো উঠাই লৈ ক'লে—হেল্ল, ৰাতুল ফুকন স্পীকিং।

ঃ হেল্ল ৰাতুল, মই অনুজ বৰুৱাই কৈছোঁ।

ঃ অ' অনুজ, কি হ'ল? ৰাতুলে আগ্ৰহেৰে সুধিলে।

ঃ তোৰ আজি গধুলিকৈ কিবা প্ৰগেম মানে কৰবালৈ যাব ভাব লগা আছে নেকি?

ঃ তেনেকৈ যাব লগা প্ৰগেম নাই, কিন্তু কিয় সুধিলি? ৰাতুলে পুনৰ ক'লে।

ঃ মানে, আজি গধূলিৰ সাজটো মোৰ ঘৰতে খাবি তই চাগে ভাবিছ হঠাৎ কিয় এই আমন্ত্ৰণ। বাৰু কৈছো আজি মই লিখা প্ৰথম নাটক খন আকাশ বাণী কেন্দ্ৰ যোগে সন্ধিয়া ৮ বজাৰ পৰা প্ৰচাৰিত সেইবাবেই এই অনুষ্টুপীয়া পাৰ্টি। আমি মাথো তিনি থাকিম তই মই আৰু ৰমেন। ৰমেনলৈ ...

ঃ বাঃ বা তোক তোক কিন্তু বহুত ধন্যবাদ দেই। উৎফুল্লিত কণ্ঠে অনুজৰ কথাৰ মাজতে ৰাতুলে উঠিল।

ঃ ধন্যবাদ ইয়াতো দিব পাৰিবি। সময় বৰ কম। এ

বাজেই। ৰমেনলৈ ফোন কৰিবলৈ আছেই। তই সাতমান বজাত পোৱাকৈ আহিবি। এতিয়া থলো হঁা সহাঁৰিলৈ বাট নাচাই অনুজ বৰুৱাই ক্ৰেডেলত বিছিভাৰ থুঠোৱাকৈয়ে ৰমেনলৈ ফোন কৰিলে।

: হেল্ল, ৰমেন চলিহা স্পীকিং।

: হেল্ল, ৰমেন, মই অনুজ বৰুৱাই কৈছোঁ।

অনুজে পাৰ্টিলৈ যথা সময়ত আহিবৰ বাবে ৰমেনক জনালে।

অনুজ, ৰাতুল আৰু ৰমেন পুৰনি বন্ধু। অনুজ আৰু ৰাতুলে ভাল চাকৰি কৰে, ৰমেনে নকৰে, মানে চাকৰি বিচাৰি পোৱা নাই। অনুজ আৰু ৰাতুল কোনো ইণ্টাৰভিউ নিদিয়াকৈ ভাল চাকৰি পাই গ'ল। টকা আছে ; হাত আছে। ৰমেনে কিন্তু বহুত ইণ্টাৰভিউ দিলে, ভাল স্থানো লাভ কৰিছিল, পিছে চাকৰি হ'লে টকাৰ অভাৱত ল'ব নোৱাৰিলে।

ৰমেনে মাক দেউতাক, ভায়েক ভনীয়েকৰ সৈতে নিজৰ ঘৰতে থাকে। অনুজ আৰু ৰাতুল চৰকাৰী বাসগৃহত থাকে। অনুজ বৰুৱাৰ স্নিগ্ধা মেলাত দুয়োটাই অকল শৰীয়াকৈ থাকে। অনুজ বৰুৱাৰ স্নিগ্ধা মেলাত আগৰে পৰা দখল আছে। এতিয়া অকলশৰীয়াকৈ থাকে, তাতে অফিচৰ দায়িত্ব খুউব কম। সেয়েহে লিখা মেলা কৰাত মনোনিৱেশ কৰিছে।

অনুজে সিহঁতক মাতিয়েই ফিয়েটখনলৈ প্ৰয়োজনীয় বজাৰখিনি কৰি আহিলগৈ।

সাত বাজি দুই মিনিট পাৰ হোৱাৰ লগে লগে ৰাতুল ফুকনে নিজৰ ফিয়েটখন লৈ অনুজ বৰুৱাৰ বাসগৃহ পালেহি। ৰাতুল ফুকনে আহিয়েই ঐ নাট্যকাৰ, নাট্যকাৰ বুলি ৰান্ধনি ঘৰ পালেগৈ। তাৰ পিছত দুয়োটাই বিভিন্ন কথা বতৰা পাতি ৰন্ধা বঢ়াত লাগি গ'ল। সাত বাজি বিশ মিনিটমান যোৱাত ৰমেন চলিহাও হলং হলং খোজেৰে পালেহি, সিও আহি পোনে পোনে ৰান্ধনিঘৰ পালেগৈ। অলপ সময় তিনিওটাই কথা বতৰা পতাৰ পিছত সকলো ৰান্ধি শেষ হ'ল। তাৰপিছত তিনিওটাই ডাইনিং টেবুলত খোৱা বস্তু সজোৱাত লাগিল। সকলো সজোৱাৰ পিছত এটা বস্তু নথকাত ৰাতুল ফুকন আৰু ৰমেন আচৰিত হ'ল। আগতে যিটো বস্তু প্ৰতিটো পাৰ্টিতে থাকে।

কিঃ অনুজ, ড্ৰিংক নকৰ নেকি ? ৰমেনে সুধিলে

: আজি নকৰো দে। অনুজৰ উত্তৰ।

: ধেৎ তেৰি ড্ৰিংক নকৰিলে পাৰ্টি কি জমিব ! এই সোপা খাই পেটডাল গধুৰ কৰাৰ বাদে কি হ'ব ! ৰাতুলে ক'লে।

অৱশেষত, ৰাতুল আৰু ৰমেনে, ৰাতুলৰ ফিয়েটখন লৈ মদৰ দোকানলৈ বুলি ৰাওনা হ'ল আৰু চাৰিটা 'গল্ড ৰিবন' লৈ ওলালহি ইতিমধ্যে সাত বাজি পঞ্চল্লিছ মিনিট পাৰ হ'ল। তিনিওটাই খোৱাত লাগিল।


আঠ বজাৰ অলপ আগতে অনুজে ৰেডিঅ'খন অন্ কৰি দিলে, যন্ত্ৰসঙ্গীত এসোপা বাজি শেষ হোৱাৰ লগে লগে ঘোষণা দিলে—'এয়া আকাশবাণী ডিব্ৰুগড় আজিৰ নাট্যানুষ্ঠানৰ নিবেদন 'অপমৃত্যু', নাট্যকাৰ অনুজ বৰুৱা। এয়া শুনক অপমৃত্যু'।

প্ৰথমে এটি করুন যন্ত্ৰ সংগীত বাজি উঠিল আৰু লগে লগে এগৰাকী তিৰোতাৰ কান্দোন। অলপ পিছতে এজন মাতাল পুৰুষে আহি কৰা অত্যাচাৰ, গালি গালাজ। সেয়া তিৰোতাগৰাকীৰ গিৰিয়েক। তাৰপিছত নাটখনিত দেখুওৱা হৈছে, প্ৰথমে কেনেকৈ বন্ধু-বান্ধৱৰ সংগত পৰি মদ খাবলৈ আৰম্ভ কৰিছিল। বন্ধু সকলে কেনেকৈ জোৰ কৰি তাক মদ খুৱাইছিল আৰু শিকাইছিল, কেনেকৈ ঘৰৰ পৰা বস্তু চুৰ কৰি আনি মদ খাবলৈ ধন সংগ্ৰহ কৰিব লাগে আদি অৱশেষত বন্ধু সকলেই কেনেকৈ এদিন মাতাল অৱস্থাত এজনি ছোৱালী আনি দিছিল। অকলশৰীয়াকৈ জীৱন যাপন কৰিবলৈ এৰি দিয়াত তাৰ মূৰত সমস্ত দায়িত্ব পৰিছিল কিন্তু তাৰ একো কানসাৰ নাছিল। ৰাতিপুৱাই সি চহৰলৈ ওলাই যায় ঘৈণীয়েকক আনোতে যি দুই এপদ লাম লাকটু আনিছিল, সকলো বিলাক এপদ এপদকৈ বিক্ৰি কৰি মদ খাইছিল। ৰাধা দিলে চৰ, ভুকু, কিল আছেই। ঘৈণীয়েকে কি খায় নাখায় তাৰ তালৈ ভ্ৰুক্ষেপ নাই। দিনৰ

দিনটো সি চহৰৰ আলিয়ে গলিয়ে ঘূৰি ফুৰি মদ খাই জুৱা খেলি কটায় দিয়ে। ৰাতি ঘৰ সোমায়হি আৰু বৈণীয়েকৰ সৈতে লাগি যায় দবৰা দবৰি। এইদৰে মদাসক্ত জীৱন যাপন কৰি কৰি তাৰ দেহা একেবাৰে জীৰ্ণ শীৰ্ণ হ'লগৈ দুৰ্বল শৰীৰে এদিন অত্যাধিক মদ্যপান কৰাৰ ফলত চিৰদিনৰ বাবে তাৰ জীৱন বন্তি নুমাই গ'ল। অকলশৰীয়াকৈ বৈধব্য জীৱন যাপন কৰাতকৈ মৃত্যুৱে শ্ৰেয় বুলি বৈণীয়েকেও আত্মহত্যাৰ পথকে বাচি ল'লে ইয়াতেই নাটখনিৰ সামৰণি মাৰিছে নাট্যকাৰে। সম্পূৰ্ণ এখন বিয়োগান্ত নাটক।

নাটকৰ শেষৰখিনি শুনিবলৈ ৰাতুল ফুকন আৰু ৰমেন চলিহাই নাপালেই। মদৰ নিচাত দুয়োটাই ডাইনিং টেবুলতে হাউলি পৰিছিল। মাথো অনুজ বৰুৱাই কোনোমতে ধৈৰ্য্য ধৰি শুনি আছিল। নাটখনি শেষ হোৱাৰ লগে লগে অনুজে ৰেডিঅ'খন বন্ধ কৰি দিলে। আৰু দুয়োটাকে ঠেলুকি তাৰ বিচনালৈ টানিলে। ভয়োটাই কিন্তু থাকিব নোখোজে। ৰমেনে কাৰণ দৰ্শালে যে সি নগ'লে তাৰ মাক দেউতাকে চিন্তা কৰিব, গতিকে সি ঢলং পলংকৈ খোজ পেলালেই তাৰ ঘৰ বেচি দূৰত নহয়। অলপ পিছত ৰাতুল ফুকনও যাবলৈ ওলা অনুজে তাক কোনোপধ্যে যাবলৈ নিদিয়ে, কাৰণ সি পাইছিল যে ৰাতুলৰ নিচা ইতিমধ্যে অত্যাধিক হৈ কিজানিবা কিবা অঘটন ঘটে। কিন্তু ৰাতুলে কোনো ক নামানিলে। সি নিজৰ গাড়ীত বহি চাবি পকাই দিলে অনুজৰ পৰা বিদায় লৈ ঘৰৰ অভিমুখে গাড়ী উৰুৱাই দি

ৰাতিপুৱা চাহকাপ হাতত লৈ ৰাবাণ্ডাৰ আৰামী চ খনত বহাৰ অলপ পাছত হকাৰটোৱে পেপাৰ খন দি প্ৰথম পৃষ্ঠাৰ হেডলাইনত চকু দিয়েই অনুজৰ চকু লাগিল। লিখা আছিল উচ্চপদস্থ চৰকাৰী বিষয়া শ্ৰীৰা ফুকনৰ দুৰ্ঘটনাত মৃত্যু।" —যোৱাকালি ৰাতি প্ৰায় বজাত এখন মালবাহী ট্ৰাকৰ লগত শ্ৰীৰাতুল ফু ফিয়েটখনে খুন্দা মৰাৰ ফলত তেখেতৰ ঠাইতে মৃত্যু হ তেখেতৰ গাড়ীখন প্ৰায় সম্পূৰ্ণ ৰূপে বিনষ্ট হয়। তেখে নিজ ঘৰৰ অভিমুখে গৈ থাকোঁতে উক্ত দুৰ্ঘটনাটো ঘটে পোষ্টমৰ্টেম ৰিপৰ্টত প্ৰকাশ যে, শ্ৰীফুকনে অত্যাধিক মদ্যপা কৰি গাড়ী চলাইছিল।



# মুখা

দেৱকৃষ্ণ
স্নাতক তৃতীয় বৰ্ষ
(কলা)



এইকেইদিন কলেজত ক্লাচ হোৱা নাই। কাৰণ
মাৰ্চ মাহ। আনফালে
উচ্চতৰ মাধ্যমিক চুড়ান্ত পৰীক্ষা চলি আছে।
কলেজ নাথাকিলে দিগন্তই অলপ দেৰিকৈ গা-ধোৱে বা খোৱা
বোৱা কৰে। কিন্তু আজি ক'লেজ নহলেও তাৰ অন্য এটা কাম
আছে। অফিচৰ কাম, যাৰ বাবে সি দহমান বজাতেই গা-পা
ধুই খাই বৈ আজৰি হৈ ল'লে। মেচ্‌ত থকা কথা, গতিকে
ৰন্ধা বঢ়া সকলো নিজে কৰিব লাগে।

তাৰ কামটো হ'ল ডি. আই. অফিচত। তাৰ মেচ্‌ৰ পৰা
প্ৰায় ডেৰ কিল'মিটাৰ, গতিকে সি চাইকেলখন লৈ যোৱাটো
একো বেয়া নহ'ব বুলি ভাবিলে। সি চাইকেলৰ পেডেল্
ঘুৰাবলৈ আৰম্ভ কৰিলে। সেই মুহুৰ্ত্তত যদিও তাৰ মনটো
ডি. আই. অফিচ পাইছিলগৈ তথাপি সি লাহে-লাহে যোৱা-
টোহে সিধান্ত ল'লে, কাৰণ আনফালে তাৰ তেনে ডাঙৰ
অফিচত কাম কৰাৰ অভিজ্ঞতা নাই, গতিকে তাৰ নিয়ম-নীতি
অনুযায়ী সি কেনেকৈ প্ৰস্তুত হ'ব লাগিব বাটে বাটে তাকেই
ভাবি যাবলৈ ধৰিলে। অৱশ্যে বৰ বেছি চিন্তা কৰাৰ প্ৰয়োজন
নাই কাৰণ, অফিচৰ যিজন প্ৰধান কেৰাণী তেওঁৰ লগত তাৰ
খুউব ভাল সমন্ধ। এক প্ৰকাৰে বন্ধুৰ নিচিনা। যদিও

বয়সত তাৰ খুড়াকৰ সমানেই হ'ব। হঠাৎ মানুহজনৰ কথা ভাবি দিগন্তৰ ভাল লাগি গ'ল। কি বসাল খুহুতীয়া ধৰণৰ লোকে, তাতে তেওঁৰ তত্ত্বমূলক কথাবোৰ, তাৰ ইমান ভাল লাগে। কেৰাণী চাকৰি কৰিও ইমান কথা ভাবিব পাৰে তেওঁ। সমাজৰ নৈতিকতা জীৱনবোধৰ লগতে সাম্প্ৰতিক কালৰ সমাজ ব্যৱস্থাৰ ওপৰত ইমান ধুনীয়া সমালোচনা দিব পাৰে! সঁচাকৈ তেওঁৰ চিন্তাধাৰা আৰু মানৱতাবাদী আদৰ্শৰ প্ৰতি মূৰ দোৱাবই লাগিব। লগে লগে সি ভাবিছিল মানুহৰ ব্যক্তিত্ব, শিক্ষা বা অৰ্থ ভাৰে জুখিব নোৱাৰি। ব্যক্তিত্ব, নিজেই এটা স্বতন্ত্ৰ বস্তু, সি কোনো চাৰ্টিফিকেট নাইবা প্ৰফেচনৰ বহতীয়া বস্তু নহয়। তাৰ অলস্ম উদাহৰণ ভি. আই. অফিচৰ প্ৰধান কেৰণী শ্ৰীযুত ভদ্ৰ হাজৰিকা। মানুহজনৰ লগত দিগন্তৰ প্ৰথম চিনাকি হৈছিল, এখন চিত্ৰ প্ৰদৰ্শনীত। সিহঁতেই সেই প্ৰদৰ্শনীৰ আয়োজন কৰিছিল, নতুন বছৰৰ উপলক্ষে। দিগন্তও ছবি আঁকে, কিন্তু সি নিজকে শিল্পী বুলি ক'বলৈ বা সমাজে তাক স্বীকৃতি দিব পৰাকৈ তাৰ ছবিবোৰ কিমান সুন্দৰ বা অৰ্থজ্ঞাপক সি নাজানে। কিবা এটা সৃষ্টি কাৰ্য্যৰ সঠিক মূল্যায়ন তেতিয়াহে হয় যেতিয়া তাৰ যথোচিত আলোচনাও সমালোচনা হয়। কিন্তু দিগন্তহঁতৰ দৰে এখন অনুন্নত ঠাইত সিহতৰ আবেগ গলি গলি ৰঙৰ চেকুৰা ৰূপে দেখা দিয়া সেই ছবিবোৰৰ মূল্যায়ন কোনে কৰিব! আৰু সেই সুবিধাই বা মূল্য বুজি পোৱা সকলে পাইছে। নাই! ঢকুৱাখনাত আগৰ পৰাই অন্যান্য লেখক সাহিত্যিক আদিৰ লগতে চিত্ৰ শিল্পীৰো অভাৱ নাই, কিন্তু সেই সাহিত্যিক সকলে বাহিৰত যেনেকৈ আত্মপ্ৰকাশ কৰিব পাৰিছে ঠিক তেনেকৈ শিল্পী সকলে পৰা নাই, তাৰ মূল কাৰণ হ'ল ইয়াত সেই শিল্প চৰ্চ্চাৰ কোনো পৰম্পৰা গঢ়ি উঠা নাই আৰু শিল্পী সকলে উমৈহতীয়া প্ৰচেষ্টাৰে তাৰ উন্নতিৰ হকে কাম কৰা নাছিল। কিন্তু দিগন্তই যেতিয়া স্কুলৰ দেওনা পাৰ হৈ কলেজলৈ ওলাই আহিছিল তেতিয়া সি তাতকৈ জ্ঞানোজ্যেষ্ঠ তথা বয়োজ্যেষ্ঠ দুজন বন্ধু লগ পাইছিল আৰু তেওঁলোকৰ সতে গভীৰ আন্তৰিকতা গঢ়ি উঠিছিল। তেওঁলোক আছিল চিত্ৰ শিল্পৰ একান্ত সাধক।

এই তিনিজন শিল্পীয়ে লগ-লাগি এটা কাম কৰিবলৈ আগবাঢ়িল, তেওঁলোকৰ ঠাইখনত এটা শিল্পী সংঘ খুলি শিল্প চৰ্চ্চাৰ এটা পৰম্পৰা গঢ় দিয়াৰ কথা ভাবিলে। তেনে ... লক্ষীমপুৰৰ পৰা এজন চিত্ৰকলাৰ শিক্ষক আহি এটা ... খুলিলে ... আলেমান সক সক ল'ৰা ছোৱালীৰ ... তিনি বন্ধুৱেও নাম ভৰ্ত্তি কৰিলে। কিন্তু শিক্ষকজন ... পৰিৱেশ ... নোৱাৰি ... সোনকালে প্ৰত্যাৱৰ্তন কৰি বাধ্য হ'ল। সেইটোৱেই আছিল সিহঁতৰ ঠাইখনৰ পৰি... দিগন্তহঁত ইমান ... যে সিহঁতক মানুহজনৰ পৰা ... ল'বলৈ সুবিধা নাপালে, কিন্তু পালে সেই সক সক পৰিৱ... বিকভাৱে পূৰ্ণ মৰমীয়াল বন্ধুবোৰ। সিহঁতক লৈয়ে দিগ... চৰ্চ্চাটো জীয়াই ৰখাৰ কথা ভাবিলে আৰু চলিও আছে... প্ৰমাণ স্বৰূপে সিহঁত বন্ধু শিল্পী সকলৰ সৈতে কেইবা... প্ৰদৰ্শনী পাতি বাইজৰ ৰুচিক সমালোচনা নাপালেও ... হোৱা নাই। সেই পাতলা আমুৱাবীৰ প্ৰদৰ্শনীৰে ... পৰম্পৰা জীয়াই ৰখাৰ চেপাহৰেই পতা হৈছিল।

ডিচেম্বৰ মাহৰ কোনোবা এটা আবেলি দিগন্তৰ ... মৃনাল গগৈ গৈ তাৰ মেচত উপস্থিত হৈছিল আৰু ... ধৰণৰ দীঘলীয়া পাতনি নেমেলাকৈয়ে কৈ পেলাইছিল—

: দিগন্ত, কাম এটা কৰো বুলি ভাবিছোঁ, তোমাৰ ... লাগে।

: কি কাম?

: নতুন বছৰৰ উপলক্ষে এখন প্ৰদৰ্শনী পাতো বুলি ... কি ভাবা?

সি খুউব উৎসাহেৰে, সন্মতি দিছিল আৰু দিনে... ছবি আঁকাত লাগি গৈছিল। কাৰণ প্ৰদৰ্শনীলৈ তেতি... এসপ্তাহ সময় আছিল, তাতে শিশু বন্ধু সকলকো খবৰ... লাগিব প্ৰত্যেকৰে ঘৰলৈ গৈ।

এনেদৰেই প্ৰদৰ্শনী পতা হৈছিল। উদ্বোধকৰ বা... কোনো ব্যক্তিক সিহতে বিশেষভাৱে নিমন্ত্ৰণ কৰা নাছি... সময় আছিল বৰ কম, মাথো সমজুৱা স্থানত এখন জাননী... আঁৰি দিয়া হৈছিল।

দিগন্তহঁতৰ সন্দেহ হৈছিল যে প্ৰদৰ্শনীখন বা কিমা... হয়। কিন্তু সিহতৰ সন্দেহ ভাঙি বেৰত লগোৱা ... বোৰত ওলমি পৰিছিল এহতো বিভিন্ন মাধ্যমৰ ছবি...



লাভ কৰিছিল প্ৰত্যেকে বুকুত সাহস বান্ধি...
প্ৰেৰণাকে উবুদ্ধ একোটা মন।

গগৈ আৰু গোস্বামীহতৰ দৰে তাৰ ছবি...
সুন্দৰ আৰু উন্নত যেন নালাগে কিন্তু তথাপি...
দৰ্শকৰ গভীৰ আলোচনা হৈছিল, দৰ্শকে...
দিছিল তাৰ প্ৰত্যেকটো কম্পজিচনতে। সে...
কিমান দৰ্শকৰ লগত চিনাকী হৈছিল তা...
সেইখন প্ৰদৰ্শনীৰ ছবিবোৰত তাৰ বিশে...
ভাৱধাৰাৰ যি পৰিস্ফুৰণ ঘটিছিল, তাৰ প্ৰভ...
বাস্কৈকেয়ে পৰিছিল। সেয়েহে হয়তো দিগন্ত...
মানুহবোৰৰ মাজত সেই ব্যক্তিত্ব সম্পন্ন মানুহ...
হৈছিল, তাৰ সেই আবেগৰ ধলৰ দৃশ্যমান ৰূপ...

মানুহজন আহিছিল প্ৰদৰ্শনীৰ শেষৰ...
অফিচৰ পৰা অহা বাবে দেৰি হৈছিল। আহিয়ে...
ছবিবোৰ চাই গৈছিল আৰু দিগন্তৰ এখন তৈলচি...
গৈছিল। ছবিখনৰ বিষয়বস্তু আছিল, বিপদসং...
মাজত দুটি পোনাকণৰ সৈতে এগৰাকী দুৰ্ভগীয়া...
সময় ছবিখনলৈ চাই তেও দিগন্তক বিচাৰি তাৰ...
হৈছিল আৰু চিত্ৰকলাৰ উদ্দেশ্য, শিল্পীৰ আদৰ্শ...
দিশৰ বহু কথা পাতিলে। মুঠতে প্ৰদৰ্শনী সামৰ...
দিগন্তৰ লগ নেৰিলে আৰু শেষত দৰ্শকৰ মন্তব...
ওপৰত থোৱা কলমটো তুলি লৈছিল আবেগৰ...
কঁপাই তোলা এখন হাত আৰু অনুভূতি প্ৰৱন এটি ম...

তেওঁ অতি আন্তৰিকতাৰে লিখি গৈছিল—"শি...
প্ৰতি মোৰ হিয়াভৰা শুভেচ্ছা তথা ওলগ যাছিছোঁ।...
উপভোগ কৰি মই যথেষ্ট মুগ্ধ হৈছো, সেয়েহে মোৰ অ...
নিগৰি অহা কেইটিমান কথা শিল্পীসকলক উদ্দেশ্য ক...
পেলালো মই ভবা মতে শিল্প, শিল্পৰ বাবে নহৈ শিল্প...
বাবে হ'ব লাগে। কিন্তু বৰ্তমান আমাৰ সংস্কৃতিৰ মাজত...
পুতনাৰ বেশ লৈ মাকৰ মৰম যাচিবলৈ আহি সংস্কৃতিক...
কৰা চেষ্টা সততে পৰিলক্ষিত। বিশ শতাংশ পুজিপতি...
সৰ্বহাৰৰ মাজত সৃষ্টি হোৱা সংস্কৃতিক নি খটুৱাইছে।...
সমাজৰ আশী শতাংশ খাটি খোৱা মানুহৰ স্বাৰ্থত...

লাভ কৰিছিল প্ৰাণ্টোকে বুকুত সাহস বান্ধি লৈ ফুৰিছিল সৃষ্টিৰ প্ৰেৰণাকে উবুদ্ধ একোটা মন।

গগৈ আৰু গোস্বামীহঁতৰ দৰে তাৰ ছবিবোৰ অৱশ্যে সিমান সুন্দৰ আৰু উন্নত যেন নালাগে কিন্তু তথাপি তাৰ ছবিবোৰকলৈ দৰ্শকৰ গভীৰ আলোচনা হৈছিল, দৰ্শকবোৰে যথেষ্ট গুৰুত্ব দিছিল তাৰ প্ৰত্যেকটো কম্পজিচনতে। সেয়েহে তাৰ সিদিনা কিমান দৰ্শকৰ লগত চিনাকী হৈছিল তাৰ সীমা নাছিল। সেইখন প্ৰদৰ্শনীৰ ছবিবোৰত তাৰ বিশেষকৈ মানৱতাবাদী ভাৱধাৰাৰ যি পৰিস্ফুৰণ ঘটিছিল, তাৰ প্ৰভাৱ দৰ্শকৰ মনত বাককৈয়ে পৰিছিল। সেয়েহে হয়তো দিগন্তই লগপোৱা সেই মানুহবোৰৰ মাজত সেই ব্যক্তিত্ব সম্পন্ন মানুহজনো আকৰ্ষিত হৈছিল, তাৰ সেই আবেগৰ ধলৰ দৃশ্যমান ৰূপত।

মানুহজন আহিছিল প্ৰদৰ্শনীৰ শেষৰ ফালে, হয়তো অফিচৰ পৰা অহা বাবে দেৰি হৈছিল। আহিয়ে একালৰ পৰা ছবিবোৰ চাই গৈছিল আৰু দিগন্তৰ এখন তৈলচিত্ৰৰ ওচৰত ৰৈ গৈছিল। ছবিখনৰ বিষয়বস্তু আছিল, বিপদসংকুল পৰিৱেশৰ মাজত দুটি পোনাকণৰ সৈতে এগৰাকী দুৰ্ভগীয়া মাতৃ। অলপ সময় ছবিখনলৈ চাই তেওঁ দিগন্তক বিচাৰি তাৰ লগত চিনাকী হৈছিল আৰু চিত্ৰকলাৰ উদ্দেশ্য, শিল্পীৰ আদৰ্শ আদি বিভিন্ন দিশৰ বহু কথা পাতিলে। মুঠতে প্ৰদৰ্শনী সামৰালৈকে তেওঁ দিগন্তৰ লগ নেৰিলে আৰু শেষত দৰ্শকৰ মন্তব্যৰ বহীখনৰ ওপৰত থোৱা কলমটো তুলি লৈছিল আবেগৰ শিহৰণেৰে কঁপাই তোলা এখন হাত আৰু অনুভূতি প্ৰৱন এটি মনেৰে।

তেওঁ অতি আন্তৰিকতাৰে লিখি গৈছিল—"শিল্পী সকলৰ প্ৰতি মোৰ হিয়াভৰা শুভেচ্ছা তথা ওলগ যাছিছোঁ। প্ৰদৰ্শনীখন উপভোগ কৰি মই যথেষ্ট মুগ্ধ হৈছো, সেয়েহে মোৰ অন্তৰৰ পৰা নিগৰি অহা কেইটিমান কথা শিল্পীসকলক উদ্দেশ্য কৰি লিখি পেলালো মই ভবা মতে শিল্প, শিল্পৰ বাবে নহৈ শিল্প মানুহৰ বাবে হ'ব লাগে। কিন্তু বৰ্তমান আমাৰ সংস্কৃতিৰ মাজত দুস্কৃতিয়ে পুতনাৰ বেশ লৈ মাকৰ মৰম যাচিবলৈ আহি সংস্কৃতিক বিকলাঙ্গ কৰা চেষ্টা সততে পৰিলক্ষিত। বিশ শতাংশ পুজিপতিৰ খাটি সৰ্বহাৰৰ মাজত সৃষ্টি হোৱা সংস্কৃতিক নি খটুৱাইছে। সেয়ে সমাজৰ আশী শতাংশ খাটি খোৱা মানুহৰ স্বাৰ্থত সংস্কৃতি নহৈ বিশ শতাংশ পুজিপতিৰ স্বাৰ্থতহে হোৱা পৰিলক্ষিত হয়। গতিকে মই আশা কৰো আজি এই চিত্ৰ প্ৰদৰ্শনীত অংশ গ্ৰহণ কৰা শিল্পী সকলৰ তুলিকাত সৃষ্টি হওঁক আশী শতাংশ খাটী খোৱা মানুহৰ কলিজাৰ সূচনা হওঁক নিপীড়িত নিৰ্যাতিত গণস্বাৰ্থত সমাজ ৰূপান্তৰৰ বিপ্লৱ, যিয়ে আশী শতাংশ মনৰ কথা কব পাৰে। দিগন্ত বৰুৱাৰ ছবিবোৰৰ সেইভাৱ অৱশ্যে ফুটি উঠিছে। আশা কৰো বাকী সকলৰ চিত্ৰতো……"

মধুৰ স্মৃতিবোৰ মনলৈ সদায় মধুৰ হৈ আছে। দিগন্তৰো এই মধুৰ স্মৃতিবোৰৰ মাজনি পাতি পাতি এনেদৰে উৰি আহিছিল যে সি কেতিয়া ডি আই. অফিচ পালেগৈ ক'বই নোৱাৰিলে। সি নম্ৰভাৱে প্ৰধান কেৰাণীৰ কোঠালৈ সোমাই গ'ল। তেতিয়া চাহাবিকা সম্পূৰ্ণ ব্যস্ত হৈ আছিল। দিগন্ত গৈ কেইবাবাৰো তেওঁক মাত লগালে, কিন্তু কোনো প্ৰত্যুত্তৰ নাপালে মাথো তলমূৰ কৰি লিখি আছে আৰু ওচৰতে দুজনমান গণমান্য ব্যক্তি হয়তো তেওঁলোকৰ কামতেই ব্যস্ত থাকিব পাৰে। সি ভাবিলে অলপ আজৰি হওঁক, ইমান ব্যস্ত সময়ত আমনি কৰাটো ভাল নহ'ব। বহু সময়ৰ মূৰত এবাৰ তেওঁৰ দিগন্তৰ চকুৱে চকুৱে পৰিল। দিগন্তই নম্ৰভাৱে ক'লে—

: দাদা কাম এটাত আঁহিলো।

: কি কাম?

: মোৰ দেউতা এইবাৰ অৱসৰ হৈছে। ১০ তাৰিখতেই ফাইলটো চেক্ কৰি বিলখন বনাই সোনকালে কামটো—

: ঘৰ ক'ত তোমাৰ?

: কেলেই আপুনি মোক চিনি পোৱা নাই নেকি?

: তোমাক আকৌ মই কেনেকৈ চিনি পাম?

: সেই যে চিত্ৰ প্ৰদৰ্শনীত লগ পোৱা দিগন্তলৈ মনত পেলাওকচোন।

: এ সেইবোৰ বহুদিনৰ কথা, বাৰু ৰচিদখন দিয়াচোন মই ফাইলটো বিচাৰি চাওঁ।

: আপুনি বোলে ৰচিদ দিয়া নাছিল।

: আৰে কেলেই নিদিম, দিছিলো ছাগে! বাৰু হ'ব নালাগে দেউতাৰ নামটো কি আছিল?

: যোগানন্দ বৰুৱা।

এইবাৰ তেওঁ আলমাৰিৰ কাষলৈ গৈ সেইটো খুলি বিভিন্ন ফাইল লুটিয়াই বগৰাই ফান্ ফান্ কৰিলে, কিন্তু ফাইল হ'লে নোলাল।

ঃ ফাইলটো বিচাৰি নাপালো বুজিছা, বেলেগ এদিন আহিবা।

এইবুলি তেওঁ বাহিৰলৈ ওলাই আহিল আৰু লগে লগে তাত থকা ভদ্ৰলোক দুজনো ওলাই গ'ল। দিগন্ত একে ঠাইতে থৰ লাগিল, সি কথাটো একো বুজি নাপালে কাৰণ মানুহজনে তাৰ কথাটোত অকনো গুৰুত্ব আৰোপ নকৰি

নোপোৱাৰ কাৰণ সি বহু অফিচাৰ চলা দুৰ্নীতিৰ কথা শুনি কাকতে পত্ৰে পঢ়িছে, কিন্তু যাক সি ন্যায় পৰায়ন মানৱতাবাদী আদৰ্শৰে উদ্বুদ্ধ লোক বুলি ভাবিছিল, তেনে এজন লোকৰ পক্ষে এই কাৰ্য্য সম্ভৱ হ'ব পাৰে বুলি সি সপোনতো ভবা নাছিল। যি মানুহে আশী শতাংশ খাটি খোৱা মানুহৰ হকে আৰু বিশ শতাংশ পুঁজিপতিৰ বিৰুদ্ধে বিপ্লৱৰ সূচনা কৰিবলৈ বিচাৰে শিল্প সদায় মানুহৰ বাবে হ'ব লাগে বুলি চিঞৰিব খোজে যিজনে দুষ্কৃতিক

# ক বি তা

এইবাৰ তেওঁ আলমাৰিৰ কাষলৈ গৈ সেইটো খুলি বিভিন্ন ফাইল লুটিয়াই বগৰাই ফান্ ফান্ কৰিলে, কিন্তু ফাইল হ'লে নোলাল।

ঃ ফাইলটো বিচাৰি নাপালো বুজিছা, বেলেগ এদিন আহিবা।

এইবুলি তেওঁ বাহিৰলৈ ওলাই আহিল আৰু লগে লগে তাত থকা ভদ্ৰলোক দুজনো ওলাই গ'ল। দিগন্ত একে ঠাইতে থৰ লাগিল, সি কথাটো একো বুজি নাপালে কাৰণ মানুহজনে তাৰ কথাটোত অকনো গুৰুত্ব আৰোপ নকৰিলে। তাৰ চিনাকী থাকক বা নাথাকক তেওঁতো কামটো গুৰুত্ব সহকাৰে কৰি দিব পাৰে। হঠাৎ তাৰ দেউতাকলৈ খং উঠি গ'ল, তেওঁনো ৰচিদ নোপোৱাকৈ কিয় ফাইল জমা দিছিল।

সি লাহে লাহে কমৰ পৰা ওলাই আহিল। সি একো কাম নহ'ব বুলি ভাবি উভতি যোৱাটোকে ঠিবাং কৰি এখোজ দুখোজকৈ আগবাঢ়িল। এনেতে দেখিলে অফিচ ঘৰটোৰ একাষে হাজৰিকাই সেই মানুহ দুজনৰ লগত কথা পাতি আছে। সি মনে মনে অলপ সময় ৰৈ দিলে, এনেতে দেখিলে এজন মানুহে পকেটৰ পৰা কিবা এটা উলিয়াই আনিছে, দিগন্তই ভালকৈ চাই দেখিলে সেইটো দেখোন মানিবেগ্। সি একৰকম চকুখাই উঠিল। তথাপি সি নীৰবে ৰ'ল। এইবাৰ মানুহজনে সম্পূৰ্ণ পাঁচখন চিক্‌চিকীয়া এশ টকাৰ নোট উলিয়াই হাজৰিকাক দিলে তেওঁ অলপ আপত্তিৰ সুৰত ক'লে—

ঃ এ; আপোনাৰ কামটো অলপ গধুৰেই আছিল···

ঃ বাৰু প্ৰথমে আপুনি কৰি দিয়কচোন।

ঃ হ'ব হ'ব আপুনি চিন্তা নকৰিব।

সি আৰু ৰৈ থাকিব নোৱাৰিলে। গাৰ সৰ্বশক্তিৰে তাৰ চিঞৰি দিবৰ মন গ'ল, কিন্তু সি তেনে নকৰিলে। সি মনতে কথাবোৰ গুজৰি গুজৰি চাইকেলখনৰ ফালে খোজ ল'লে। সি বুজি উঠিল ফাইল জমা দিওতে ৰচিদ নিদিয়া আৰু তাক চিনি নোপোৱাৰ কাৰণ সি বহু অফিচতে চলা দুৰ্নীতিৰ কথা কাকতে পাত পঢ়িছে, কি যাক সি ন্যায় পৰায়ন মানৱ আদৰ্শৰে উদ্বুদ্ধ লোক বুলি ভাবিছিল, তেনে এজন লোকৰ এই কাৰ্য্য সম্ভৱ হ'ব পাৰে বুলি সি সপোনতো ভবা নাই যি মানুহে আশী শতাংশ খাটি খোৱা মানুহৰ হকে আৰু শতাংশ পুঁজিপতিৰ বিৰুদ্ধে বিপ্লৱৰ সূচনা কৰিবলৈ শিল্প সদায় মানুহৰ বাবে হ'ব লাগে বুলি চিঞৰিব যিজনে দুষ্কৃতিক নাশি সংস্কৃতি প্ৰতিষ্ঠা কৰিবলৈ অনেক দিব পাৰে তেনেকুৱা এজন মানুহক আজি সি কি ধৰণৰ কৰা দেখা পালে সি ভাবিলে, তেন্তে আমাৰ তেনেকৈ চলিব লাগিছে নেকি? বাহিৰৰ সভা সমাজত ব্যক্তিত্ব জাহিৰ কৰিব কাৰণে নানা আদৰ্শমূলক বক্তৃতা, ভাষণ কিন্তু ক'লা বজাৰত তেওঁলোকৰ স্বৰূপে! মুখস্থ কৰি বৰ বৰ দীঘল দীঘল বক্তৃতা সকলোৱে কাৰ্য্যক্ষেত্ৰতহে তাৰ সঠিক পৰিচয় ওলাই পৰে। ডকাইতবোৰ, সিহঁত স্বাভাৱিকতে তেনে প্ৰকৃতিৰ, হৈ খুটি বেজ হৈ জাবিৰ বিচৰা এই চামৰ বিশেষণ? সমাজত সিহঁতে পৰিধান কৰে মানুহক মন্ত্ৰ মুগ্ধ কৰিব মুখাবোৰ আৰু বাতি আন্ধাৰত ওলাই পৰে সিহঁতৰ সদৃশ সেই কদাকাৰ ৰূপ দিগন্তৰ চিঞৰি চিঞৰি কৈ মন গ'ল এই চাম লোকৰ লুপ্ত চৰিত্ৰৰ আৰত থকা খুলি দিবৰ মন গল সিহতৰ দিনত আঁৰি লোৱা সেই মুখাবোৰ। কিন্তু সি জানো পাৰিব? সমাজত এই কেইজনে কান পাতি শুনিব? তাৰ লগত যোগ দিবৰ আগবাঢ়ি আহিবই বা কোন?

কথাবোৰ তলমূৰকৈ ভাবি ভাবি সি ইতিমধ্যে চাই খনৰ ওচৰ পাইছিলগৈ আৰু এটা গধুৰ মন লৈ চাইকেল লাফ্ মাৰি উঠি তাৰ পৰা প্ৰত্যাবৰ্তন কৰিলে। তাৰ অনেক প্ৰতিবাদী চিন্তাই শাৰী পাতি আহিল। পৰায়ন সকলৰ মুখা খুলিবই লাগিব।





# কবিতা

## ।। এটি বিষণ্ণ ৰোমান্তিক সন্ধিয়া ।।

শিৱপ্ৰসাদ গগৈ




কেনেকৈ জানো মনলৈ আহিছিল শিৰোনামটো। খিৰিকীৰ প্ৰেমত মুখ ঠেকেচা খাই উবুৰি হৈ আছিল এটুকুৰা জোনাক। কাযতে কাতি হৈ শুই আছিল প্লাষ্টিকৰ ফুলত ভেজা দি মহাকাব্যৰ এটি শ্লোক। তেতিয়া ঠিক সন্ধিয়াৰ সাজ ভাগো ভাগো। স্পষ্ট মনত আছে ৰাতিৰ বৰ্ষা নমাৰ খোজা জাৰণিৰ ডাউকজনীৰ চিঞৰটো দপদপাই ফুৰিছে। সৰ্বত্ৰ। শৰীৰৰ পৰা কলিজালৈ। কলিজাৰ পৰা উজাই মেজাজলৈ। এদিন নিষিদ্ধ আছিল প্ৰণয়। আজি অস্ত্ৰ। এদিন নিষিদ্ধ আছিল শৰীৰ। আজি শব্দ। অতীতৰ বৃত্তটো ভাঙিব পৰাতেই যেন সমস্ত অহংকাৰ। বৰ্ষাস্নাত এটা নিপোটল সময়ৰ দেহ ভৰি যেতিয়া ভোক—দুহাতত তেতিয়া জালনোটৰ দৰে দুমুঠি আঢ়ৈ কুৰি বৰ্ষীয়ান দৰিদ্ৰ। তাৰ চাৰিত্ৰিক বৈশিষ্ট্য—গণতন্ত্ৰৰ এটা ধ্ৰুপদী বেৰাজ।





# এটি উপকথা

শ্ৰীফনীন্দ্ৰ কুমাৰ
স্নাতক

সকলোৱে ভাবিছিল বেলি নদীৰ প্ৰেমিক আছিল
ৰাতি হ'লে সি তাইৰ বুকুৰ শিতানত নিৰলে' টোপনি যায়
আচলতে কোনে নাছিল
যদিও সি তাইক প্ৰেম নিবেদন কৰিছিল
জোনটোহে তাইৰ প্ৰেমিক আছিল
ৰাতি গোপনে দুয়ো কথা পাতিছিল
জোনৰ প্ৰতিচ্ছবি হৃদয়ত আঁকি তাই
গভীৰ প্ৰশ্ৰয় অনুভৱ কৰিছিল
অমাৱস্যাৰ ৰাতি বেলিয়ে তাৰ প্ৰতিদ্বন্দিক হত্যা কৰিছিল
নদীখনে হিয়া ধুনি কান্দিছিল গোটেই ৰাতি
তাইৰ বাউল চুলিত হাত বুলাই মলয়াই শান্তনা দিছিল
ৰাতিপুৱা কথাটো শুনি গছবোৰে চকুলো টুকিছিল
এটা বৃদ্ধ পাতে জপিয়াই আত্মহত্যা কৰিছিল
মুখে মুখে মুখ বাগৰি কথাটো চৌদিশে বিয়পি পৰিছিল
আকাশে শুনিছিল, হৃদয়খন বেদনাত গধুৰ হৈ পৰিছিল
( আকাশে জানিছিল—বেলি খঙাল যুৱক
তথাপি সি যোৱাৰ বাটত কাষতে পাই তাই প্ৰতি অনুৰক্ত
হৈ পৰিছিল )
ভৰিৰ তলৰ ছাঁ হেৰুৱা পৰত
ঘটনাটো ৰাষ্ট্ৰ হোৱাৰ কথা গম পাইছিল বেলিয়ে
নদীখনৰ প্ৰতি প্ৰবল ঘৃণাত সি আকৌ জ্বলি উঠিছিল
ভয়ত থৰ্ হৈ গৈছিল নদীখন, উশাহটো জিৰিকৈ কপিছিল

আৰু এটা কথা গোপনে ৰাখিছিল নদীয়ে
এন্ধাৰ আৰু নিঃসঙ্গতাৰ সুযোগত বেলিয়ে তাইক বলাৎকাৰ কৰিছিল
কথাবোৰ অধিক প্ৰকাশ হোৱাৰ ভয়ত বেলিটো নামি আহিছিল
আৰু দুহাতেৰে নদীৰ ডিঙি চেপি ধৰিছিল
তাইৰ মুখেৰে ওলোৱা তেজৰ চিটিকনি পৰি
তাই মুখমণ্ডল ৰঙা হৈ পৰিছিল
যেতিয়া নদীখন এডিঙি তেজত কক্‌বকাইছিল
বেলিটো হাবি ডৰাৰ সিপাৰলৈ পলাই গৈছিল
শেতা পৰি আহিছিল নদীৰ মুখ এটা সময়ত মৃত্যু হৈছিল
চৰাইবোৰে কান্দিছিল গছবোৰে বাক্‌রুদ্ধ হৈ মাথো চাই ৰৈছিল
মৰ্মাহত হৈ আকাশখন নামি আহিছিল আৰু নদীক সাবতি কান্দিছিল
হত্যাৰ প্ৰতিবাদত স্বতঃস্ফূৰ্তভাৱে এসন্ধ্যা নিস্প্ৰদীপ পালন
কৰা হৈছিল ।

---

মহাবিদ্যালয় সপ্তাহত কবিতা লিখা প্ৰতিযোগিতাত প্ৰথম
পুৰস্কাৰ প্ৰাপ্ত।




## প্ৰত্যাৱৰ্তন

জ্যোৎস্না গগৈ
স্নাতক ৩য় বৰ্ষ
অসমীয়া বিভাগ

আজি মোৰ দেশৰ প্ৰতিটো শিশুৱে প্ৰত্যক্ষ কৰে
মোৰ দেশৰ মাটিৰ গন্ধ ! সিহঁতে এতিয়া
পখিলা খেদাৰ কথা নাভাবে।
মোৰ দেশৰ সুঠাম যৌৱনে কেৱল প্ৰেমৰ
শব্দ আঁতৰাই সোণালী স্বপ্ন দেখা নাই।
লাঞ্চিত নিপিড়িত জনৰ দুখত
মোৰ দেশৰ যৌৱনৰ হৃদয়বোৰ
ৱজ্ৰতকৈও কঠিন হৈছে।
সিহঁতে শিকিছে, মোৰ দেশৰ প্ৰতিজন মানুহেই
শিঁকিছে ; বন্দুকৰ ছাত জিৰাবলৈ।
শিঁকিছে যুঁজাৰু বিমানৰ ছাত পখিলা
খেদিবলৈ ! আৰু
মোৰ কবিতাৰ তেজাল উমেৰে জন্ম হওঁক
একোজন যুঁজাৰু সৈনিক।





## এটি কবিতা

শ্ৰীসুমিত্ৰ শইকী
দ্বাদশ শ্ৰেণী (ক

যুদ্ধ,

যুদ্ধ মানেই ধ্বংস
ধ্বংস মানেই মৃত্যু।

কিন্তু,


আমি নিবিচাৰো ধ্বংস
আমি বিচাৰো মুক্তি
আমি নিবিচাৰো মৃত্যু
আমি বিচাৰো সৃষ্টি॥

## বিষণ্ণ গান

শ্ৰীজয়ন্ত গগৈ
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক

(১)
তেজত ডুব দি
মোৰ দুহাত,
নিঃসঙ্গতাৰ প্ৰতিটো ক্ষণেই
বুকুত উম দি
শুই থকা সপোন
বুকুত বিষাদ।

(২)
বুকুত
ফুল হৈ মৰহে বকুল,
জুই হৈ জ্বলে
সপোন।



## কবিতা

ভোলানাথ শৰ্মা
প্ৰবক্তা অৰ্থনীতি বিভাগ

মই এক কিম্ভুত কিমাকাৰ অশৰীৰি আত্মা
বাট চাই আছো
তেওঁ আহিব বুলি
কিন্তু ক'তা ?
তেওঁ নাই
হয়তো তেওঁ আছে
মানুহজনী হৈ
কোনোবা হাবিত বা পথাৰত !
অপেক্ষা কৰি আছে
তাইৰ মানুহটোলৈ
তাইক আদৰি ল'ব
প্ৰেয়সী বুলি।



## ৰৌদ্ৰস্নাত হৈ উঠ


জিতু
স্নাতক ১ম বাৰ্ষি
অৰ্থনীতি বিভা



আত্মগ্লানি আৰু ভগ্ন পংশায়েৰে আগবাঢ়িছো আমি
হিংসা, বিদ্বেষ ; কলুষ কালিমাৰে জৰ্জৰিত
বন্ধ্যা পৃথিৱী

প্ৰতিশোধৰ কামনাত কামাক্ষ আজিৰ মানুহ
প্ৰতিহিংসাত বন্দী ৰৌদ্ৰোজ্বল প্ৰেম
তেতে টলমল ফুহাতত বন্দী
বাৰুদৰ অহংকাৰ

এতিয়া জনতাৰ হৃদয়ে হৃদয়ে,
গংগা, কাবেৰী, গোদাৱৰী লুইতৰ পাৰে পাৰে
বৈ যাওঁক মানুহৰ অমল প্ৰেমৰ গান
ৰৌদ্ৰস্নাত হৈ উঠক সূৰ্যৰ আলোকেৰে
অশান্ত হৃদয়
উজলি উঠক শান্তি নৱ জীৱনৰ চোতালে চোতালে
পোহৰ আহক নতুন দিনৰ প্ৰভাতে প্ৰভাতে॥







"Jus
I may
Hoppin

নিশা হ'লে
নিঃসঙ্গতাৰ
(প্ৰম-


দুখৰ স'তে
তথাপি কি
সুখৰ
নিশা হ'লে
মোৰ পৰা
মোৰ যৌৱন



## উপলব্ধি

শ্ৰীনৱজ্যোতি কোঁৱ
স্নাতক ২য় বাৰ্ষিক
ৰাজনীতি বিজ্ঞান বিভাগ

কবিতাৰ সতে মোৰ
এতিয়া ঘৰ,
মোৰ কবিতাৰ নিৰিবিলি
মুক্ত মনে বিচৰণ কৰে
সভ্যতাৰ ত্ৰিৰঙ্গ পতাকা।
তোমাৰ হাতৰ কাঁইটৰ
আঁচোৰ তাত নাহানিবা
তুমি যদি বিশ্বাস কৰা
মোৰ হৃদয়ৰ গোপন কোঠাত
বিচাৰি চাবা
কবিতাৰ ঢৌ খেলোৱা
হাঁহিৰ গুণ গুণ শব্দ।
এতিয়া মোৰ
কবিতাৰ সতেই ঘৰ॥



# নতুন সূৰ্য্য

কেশ ফুকন
স্নাতক ১ম বাৰ্ষিক (ক'লা)

দুগালত অশ্রু মুকুতাৰ তিৰ্‌বিৰণি,
নাই আজি আইৰ ওঁঠৰ
অমৃতবৰ্ষী স্বৰ্ণ প্ৰসবিনা হাঁহি।
কেঁচা সোণৰ মুকুতা পিন্ধি
বিস্তীৰ্ণ সেউজী শ্যামলীমাই শিৰত
অমিয়া সুৰৰ ঝঙ্কাৰ তোলা
আইৰ তুলনা নাছিল।
আজিও আছে হাঁহিবিহীন সেই সেউজ
আছে এতিয়াও সেই সুৰধ্বনি
কিন্তু প্ৰাণ নাই।
বেদনা বিধুৰ আইৰ
আজি আছে বেদনা কাতৰ এক
প্ৰাণস্পৰ্শী বিননিৰ করুণ লহৰ
যেন নুমাই যাব খোজা বন্তি শিখাৰ শেষ কপণি।
আইৰ সেউজীয়া হাঁহিত আজি
তেজৰ চকুলো !
বাটে পথে কেঁচা তেজৰ গন্ধ
ৰাজ পথৰ দাঁতিত নাইবা লুইতৰ বুকুত
গলিত মৃত দেহ।
আইৰ বুকুত মাথোন মৃত্যু শীতল সংশয়,
আৰু কম্পিত কণ্ঠত
জীয়াই থকাৰ আকুল আবেদন।
কাঢ়ি নিছে মাতৃৰ বুকুৰ ধন,
আৰু নিছে কপালৰ সেন্দুৰ ;
দস্যুদলৰ হাঁহিত চিমকনি
নিজৰ মুখৰ চুলি ছিঙি দিয়া অভিশাপৰ চিঞৰ
নিৰ্ব্বিকাৰ কিন্তু পাষণ্ডহঁত।
লম্পট দেশদ্ৰোহী
সিহঁতে নিজৰ বুকুৰ স্পন্দনত
শুনিছেনে আইৰ হুংকাৰ ?
প্ৰতিশোধৰ দাবানলত জ্বলিছে আই
শৰীৰৰ সৰ্বাঙ্গত এক মৃদু কঁপনি
ক্ৰোধ আৰু ঘৃণাত
বজ্ৰকণ্ঠে চিঞৰী উঠিছে হুচিয়াৰ।
অত্যাচাৰী পশুহতঁক সোঁৱৰাই দিছে
অত্যাচাৰীৰ মৃত্যু অনিবাৰ্য্য,
"মোৰ বুকুতেই জন্ম হৈছে নতুন সন্তান
সিহঁতে হাতত তুলি ল'ব অস্ত্ৰ,
নোৱাৰিব সিহঁতক ৰোধিব
সিহঁতৰ শক্তি অসীম
আদৰি আনিব নতুন দিনৰ
এটি নতুন সুৰুযক।" ★



## নিঃসঙ্গতাৰ ভয়াবহতা

শ্ৰীতে…
স্নাতক …
অৰ্থনীতি …

সময়বোৰ মোৰ বাবে খুউব দীঘল হৈ পৰিছিল
অবাধ্য মনটোৱে নিঃসঙ্গতাৰ আশ্ৰয় বিচাৰিছিল।
উম্মিক বকাৰেলাক কাৰণ হৈ উঠিছিল,
ঈপ্সিত হৈ উঠিছিল তাৰ সপিল সোপান;
ধূসৰতাৰ মলিনতাই সীমাৰ ওপাৰ কৰিছিল।
অসূয়া মন্থনত উথলি উঠা আবেগবোৰ
ফেনিল হৈ পৰিছিল ...
হিল্লোলিত প্ৰাণৰ এখ এখ ঢৌবোৰ
নামি আহিছিল (মোকেই বিদ্ৰূপ কৰি)
সন্তৰ সিঁড়িৰ ভাগৰ লাগিছিল
মই নিঃসঙ্গ হৈ পাৰিছিলো সাৱলীলভাৱেই
অৱশেষত নিঃসঙ্গতাই মোক পুলক জগাইছিল,
কিন্তু! জনা নাছিলো নিঃসঙ্গতাৰ সুযোগত
মোৰ বুকুৰ উমত কলুকলাই থকা হাঁহিটো
মোৰ যাত্ৰাপথৰ প্ৰথম কেঁকুৰীতে হেৰাই যাব॥
অৱশেষত সেয়ে হৈছিল
মই আগবাঢ়িছিলো প্ৰতিক্ৰিয়াৰ ফলশ্ৰুতি বিচাৰি
মনত দম্ হোৱা বিষাক্ত বতাহজাকক মই
বিবেকৰ দ্বাৰা হুমুকিয়াইছিলো
কিজানিবা বিস্ফোৰিত হয়, তাৰ ভয়ত।
কাহানিবাই হেৰাই গৈছিল মোৰ আনন্দৰ বন্যা
তাৰ ঠাইত নামি আহিছিল দুখৰ নিজৰা,

তেতিয়াই নিঃসঙ্গতা মোৰ নিবিড় সঙ্গী হৈ পৰিছিল
নিঃসঙ্গতাই মোক উপশমৰ বাট দেখুৱাইছিল।
বন্ধু সৱে ভাবিছিল মই নিজক হেৰুৱালো বুলি
কিন্তু আচলতে তেনে নাছিল ····
মই ভাবুক হৈ পৰিছিলো,
মনক শান্তনা দিবৰ নিমিত্তেহে মই নিৰবতাৰ আশ্ৰয় লৈছিলো ;
যিটো মোৰ ভুল ধাৰণা আছিল।
নিৰবতাৰ সুযোগত বিবেকে মোক লুণ্ঠন কৰিছিল
মই বিবেকৰ দ্বাৰা দংশিত হৈছিলো সাৱলীলভাৱেই
নিঃসঙ্গতাৰ সুযোগত বিবেকে এদিন মোক
মৃত্যুৰ নিৰ্দেশ জাৰি কৰিছিল, আৰু
সঙ্গীবিহীন মনে তাক অকাতৰে মানি লৈছিল।
সেয়েহে এদিন,
    মোৰ নিঃসঙ্গ মনে বিবেকৰ নিৰ্দেশত
    সকলোৰে অজানিতে আত্মহত্যা কৰিছিল।

আৰু,
    অৱলুপ্তি ঘটাইছিল এটি ভয়াবহ
    নিঃসঙ্গ মনৰ ·········।



# নত আকাৰ নাম

চিন্তন বৰবকুৱা





নিগনি নিগনি নৰকী নিগনি
নিলি নিলগলৈ চাউল ;
নমো নাৰায়ণী নমো নৰ-নাৰী
নামত নধৰিবা 'ফাউল'।
নলনিত নোসোমায় নাৱে নাৰ্জীতৰা
নলনিত নোসোমায় নাও ;
নিচৈ ঝুমলীয়া নাজিৰাৰ নাচনী
নিমেষ নেপেলাই চাওঁ।
'নাম্বাৰটেন' নাখাবা নৰকত নাযাবা
নাকত নলগাবা ছাই ;
নামাতি নুবুলি নাযাবা নাচনী
নগৰৰ নেতাকে পাই।
নুতিকৈ নগা-ঘা নহ'ল নয়নতৰা
নমৰি নাসাজি ৰ'লো ;
নগাওঁ নামতি নলবাৰী নেওচি
নিয়োগ নোপোৱা হ'লো।
'নোট' নাইকীয়া নিতৌ নিঠকুৱা
নাখাই নেলেপীয়া হ'লো ;
নেতাও নহ'লো নাপিতো নহ'লো
নিবন্নুৱা নামকে পালো।
নকল নবিছো নহ'লো নাহুকী
নবৌৱে 'নন্‌চেন্স' বোলে ;
'নোট' নেযাচিলে নেতাক নভজিলে
'ন' 'নেহী' নহৰ বোলে।

নকল নকৰিলো নামজ্বলা নহ'লো
নহ'লো নেতাৰে নাতি ;
নিশাৰ নেওঠনি নীৰৱে নিজৰে
নুপুৱায় নাৰকী-ৰাতি।
ন-বৌৱে নামাতে নিমখো নাযাচে
নামাতে নিজৰে ভাই ;
নিপোটল নহ'লে নুনীয়াই নুপুছে
নিজৰে নিদাৰুণ আই।
নগা-বাটে নামিলে নগাকৈ নাগিনী
নাকত নেদেখিলো ঘাম ;
নাহিলে নাহিবা নেওচা নিদিবা
নাপাই নিৰামুহি খাম।
ন-পামৰ নামনিত নেঘেৰী নেকেৰা
নিৰালা নিলাজী বন ;
নাচনীক নেদেখা নহ'ল নদিনেই
নিৰাব নোৱাৰো মন।
নই নিৰু
নামতি নহয় নাজিৰা
নামদাং নহয় নিজৰা
নগৰত 'নৌকৰী' নচিৰত নাইকীয়া
নগদ নহেজাৰ নাই। ★

# অঘৰী



ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাঞি
প্ৰৱক্তা, ইংৰাজী বিভাগ

সৰল গছ বোৰৰ তলতে কটালোঁ
এটা জটিল ৰাতি।
ডাৱৰ বোৰে জোনটোক
ক'ৰবালৈ ফুচুলাই লৈ গৈছিল।
বননিৰ ওপৰেদি ভাঁহি গৈছিল
এটা করুণ বিননি
তোমাৰ চকুৰ ওপৰত
ছুটোপাল নিয়ঁৰ
আৰু ওঁঠত এটা পখিলা আছিল
চেঁচা বতাহ জাকৰ মাজত
তোমাৰ বুকুৰ উম ;
প্ৰেমৰ কিযে অৱয়বহীন অনুভূতি,
আৱৰনহীন অহংকাৰ !
মোৰ সকলো মনত আছে,
আছেনে বাৰু তোমাৰ ?
সৰল গছবোৰৰ তলত
এটা জটিল ৰাতি।





# উপ-সভা পতিৰ প্ৰতিবেদন

১৯৯৩-৯৪ বৰ্ষৰ ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদত আমাক নিৰ্বাচিত কৰি যি দায়িত্ব অৰ্পণ কৰিলে তাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত আমি কৃতজ্ঞ।

আমাৰ ওপৰত ন্যস্ত দায়িত্বভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে ছাত্ৰ-ছাত্ৰীসকলৰ অনুকূলে কৰিবলগাখিনিত বাস্তৱ ক্ষেত্ৰত কিমান সফল হব পাৰিলো আৰু কিমান বিফল হলো তাৰ হিচাপ ছাত্ৰ-ছাত্ৰী সকলেই কৰিব। সকলো ক্ষেত্ৰতে সফল হব নোৱাৰিলো যদিও এই কথা দৃঢ়তাৰে কব পাৰো যে, আমাৰ ফালৰ পৰা চেষ্টাৰ ত্ৰুটি কৰা নাছিলো।

আমাৰ ঢকুৱাখনা মহাবিদ্যালয়খন নানা ধৰণৰ সমস্যাৰে জৰ্জৰিত যদিও শিক্ষা গ্ৰহণৰ বাবে প্ৰয়োজনীয় নুন্যতম সা-সুবিধাখিনি নিশ্চয় আছে। উল্লেখনীয় যে আমাৰ মহাবিদ্যালয়ৰ শিক্ষাদানৰো এটা নিজস্ব মানদণ্ড আছে। মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ নিয়মীয়াকৈ নহয় বুলি আমি ছাত্ৰ-ছাত্ৰীসকলে কেৱল শিক্ষাগুৰু সকলকেই দায়ী কৰিলে নহব। এই ক্ষেত্ৰত আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰো শিক্ষা-গ্ৰহণৰ প্ৰতি অনীহাৰ কথা নুই কৰিলে নহব। শিক্ষা গ্ৰহণকে মুখ্য কৰ্ত্তব্য বুলি ধৰি লৈ আমি একান্ত আগ্ৰহেৰে আগবাঢ়িলে শিক্ষাগুৰু সকলে নিশ্চয়কৈ আমাক প্ৰতিটো পদক্ষেপতে সহায় কৰিব।

আমাৰ কাৰ্য্যকালত শিক্ষাগুৰুসকলৰ ওচৰত, ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত যদি কিবা ভুল কৰিছিলো তাৰ বাবে ক্ষমা বিচাৰিছো। আমাৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা সকলোৰে ওচৰত আমি কৃতজ্ঞ।

শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আমাৰ প্ৰতিবেদন সামৰিলো।

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা

**শ্ৰীদিগন্ত কুমাৰ গগৈ**
উপ-সভাপতি
ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা

# প্ৰতিভা সন্ধান



জয়ন্ত মাধৱ বৰুৱা
বছৰৰ শ্ৰেষ্ঠ সাহিত্য
প্ৰতিযোগী



মিনাক্ষী গগৈ
শ্ৰেষ্ঠা তাৰ্কিক



নকুলমণি পাএগং
বছৰৰ শ্ৰেষ্ঠা কণ্ঠশিল্পী



মানসজ্যোতি নেওগ
বছৰৰ শ্ৰেষ্ঠ লৌহমানৱ

প্ৰেম বৰুৱা
বছৰৰ শ্ৰেষ্ঠ পাঞ্জা প্ৰতিযোগী আৰু
শক্তিমান পুৰুষ





দীপক দুৱৰা
মিঃ ঢকুৱাখানা কলেজ



শ্ৰমতী টুটুমণি গগৈ
বছৰৰ শ্ৰেষ্ঠা পাঞ্জা ও
ভাৰ উত্তোলন আৰু
শক্তি উত্তোলন প্ৰতিযোগী



মাজনী দুৱৰা
বছৰৰ শ্ৰেষ্ঠা
দৌৰ ৰাণী



মহেন্দ্ৰ দুৱৰা
বছৰৰ শ্ৰেষ্ঠ
খেলুৱৈ




বিপিন ৰাজখোৱা
বছৰৰ শ্ৰেষ্ঠ দৌৰবীৰ



শ্ৰীযুত ডিম্বেশ্বৰ গগৈ
উপদেষ্টা



শ্ৰীযুত ঈশ্বৰপ্ৰসন্ন বুঢ়াগোহাঁই
উপদেষ্টা



শ্ৰীযুত দিলীপ হাতী[illegible]
শিক্ষক সদস্য



শ্ৰীতোলন বুঢ়াগোহাঁই
সদস্য



শ্ৰীডেভিদ গগৈ
সম্পাদক



শ্ৰীৰাজা দত্ত
সদস্য



শ্ৰীমতী জ্যোৎস্না গগৈ
সদস্যা



শ্ৰীমৃদুল কোঁৱৰ
সদস্য



শ্ৰীমতী ইলা বৰা
সদস্যা



## ॥ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ॥

ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক

আৰম্ভণিতে মোক ১৯৯৩-৯৪ বৰ্ষৰ ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক

জনসাধাৰণক সেৱা কৰিবলৈ সুযোগ দিয়াৰ হেতুকে

হিচাপে নিৰ্ব্বাচিত কৰি অনুষ্ঠানটিৰ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণক সেৱা কৰিবলৈ সুযোগ দিয়াৰ হেতুকে ঢকুৱাখনা মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ প্ৰতিবেদনৰ জৰিয়তে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি বাৰ্ষিক প্ৰতিবেদনৰ পাতনি মেলিছো।

সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পাছত ১৪/১১/৯৩ তাৰিখে আমি ছাত্ৰ একতা সভাই কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ জলন্ত সমস্যা কিছুমান সমাধান কৰিবলৈ দৃঢ়সংকল্প মনত লৈ তলত উল্লেখিত সমস্যাসমূহৰ সমাধান কৰা হয়।

**দাবী চনদ :—** ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাৰ সিধান্ত ক্ৰমে বৃদ্ধি, নদীৰ গড়া খহনীয়া, মাটিৰ চাৰিসীমা, মহাবিদ্যালয়ৰ প্ৰৱেশ দ্বাৰ, পুথিভঁৰাল, ৺প্ৰহ্লাদ গোহাঁই অতিথিশালা আদি বিভিন্ন অভাৱ অভিযোগ সমূহ পূৰণ কৰিবৰ হেতু, ছাত্ৰ একতা সভাই গ্ৰহণ কৰা প্ৰস্তাৱ সমূহ অসম চৰকাৰৰ বিভাগীয় মন্ত্ৰী তথা কতৃপক্ষলৈ প্ৰেৰণ কৰা হ'ল আৰু তাৰ ফলস্বৰূপে তলত দিয়া বিষয় সমূহৰ কাৰ্য্যকৰী ব্যৱস্থা লোৱা হ'ল

**কাৰ্য্যক্ৰমনিকা :—**কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত তলত দিয়া কামসমূহ আমাৰ কাৰ্য্যকালত সমাধান কৰা হয়।

১। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ছাত্ৰ একতা সভাৰ সিদ্ধান্ত মৰ্মে ১৮/১/৯৪ তাৰিখে গুৱাহাটীলৈ গৈ চৰকাৰে বন্ধ কৰি ৰখা ১৯৯২-৯৩ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ বৃত্তিৰ টকা উলিয়াই অনা হয়।

২। ৭।৯।৯৪ তাৰিখে ১৯৯১-১৯৯২ চনৰ প্ৰচাৰ কৰিব নোৱাৰা মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনি উলিয়াই আনি ছাত্ৰ-ছাত্ৰীৰ মাজত বিতৰণ কৰা হয়।

৩। ১২।৪।৯৪ তাৰিখে ছাত্ৰ একতা সভাৰ সিদ্ধান্ত মৰ্মে ঢকুৱাখনা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ লগত সহযোগ কৰি মহাবিদ্যালয়ৰ নামত আবন্তন থকা ৪৫ বিঘা মাটিৰ নমুনা স্থিৰ কৰা হয়।

৪। ১১।৭।৯৪ তাৰিখে মহাবিদ্যালয়ৰ আধকৰা হৈ থকা প্ৰেক্ষাগৃহৰ কাম হাতত লোৱা হয় আৰু তাৰ কাম ইতিমধ্যে শেষ কৰা হয়।

৫। আমাৰ কাৰ্য্যকালত মহাবিদ্যালয়লৈ বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ পুথিভঁৰালৰ কাৰণে ২,৫০,০০০.০০ ( দুই লাখ পঞ্চাচ হাজাৰ ) টকা শ্ৰেণী কোঠা বৃদ্ধিৰ বাবে ১,৫০,০০০.০০ (এক লাখ পঞ্চাচ হাজাৰ টকা আৰু মহকুমাৰ মহকুমাধিপতিৰ সহযোগত খণ্ড উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ৰ পৰা হেৰাই যাব খোজা ৭০,০০০.০০ (সত্তৰ হাজাৰ টকা ফিৰাই অনা হয়।

৬। স্থানীয় বিধায়ক শ্ৰীযুত ভৱেন্দ্ৰ চন্দ্ৰ নৰহ দেৱৰ সহযোগত ১৯৯৮-৯৪ চনৰ জৱাহৰ ৰোজগাৰ শিতানৰ পৰা ছাত্ৰ বাসৰ পকী শৌচাগাৰ নিৰ্ম্মাণৰ কাৰণে ৫০,০০০.০০ (পঞ্চাচ হাজাৰ ) টকা আৰু ছাত্ৰী নিবাসৰ চাৰি বেৰাৰ বাবে জৱাহৰ ৰোজগাৰ শিতানৰ পৰা ১,০০০০০ (এক লাখ) টকা অনুদান অনুমোদন কৰি থোৱা হৈছে। এই ক্ষেত্ৰত পৰৱৰ্ত্তী ছাত্ৰ-একতা সভাই কাৰ্য্যকৰী ব্যৱস্থা ল'ব বাবে অনুৰোধ থাকিল।

৭। আমাৰ কাৰ্য্যকালৰ আটাইতকৈ গুৰুত্বপূৰ্ণ স্মৃতি হৈছে, মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ ৺প্ৰহ্লাদ গোহাঁই সোঁৱৰণী প্ৰেক্ষাগৃহটোৰ আধাৰ শিলা অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দ্বাৰা স্থাপন কৰাটো। এই ক্ষেত্ৰত পৰৱৰ্তী ছাত্ৰ একতা সভাই কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'ব বুলি আশা ও অনুৰোধ থাকিল।

**বছৰৰ অনুষ্ঠান সমূহ :—** কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা বছৰৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিগত বছৰবোৰত পাতি যোৱাৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহ পাতিবলৈ আয়োজন কৰা হয়। ইং ৪, ৫, ৬, ৭ আৰু ৮ জানুৱাৰী '৯৪ ৰ এই দিন কেইটাত উলহ মালহেৰে এই বিংশতিতম মহাবিদ্যালয় সপ্তাহৰ উদ্‌যাপন কৰা হয়। ছাত্ৰ একতা সভাৰ সকলো বিভাগতে নিজা নিজা বিষয় লৈ প্ৰতিযোগিতা আৰম্ভ কৰে। শেষৰ দিনা মুকলি অধিবেশন আৰু বঁটা বিতৰণী সভাত মহাবিদ্যালয়ৰ অধ্যক্ষই সভাপতিত্ব কৰে। বিশিষ্ট অতিথি হিচাপে উত্তৰ লক্ষিমপুৰ সোঁৱৰণশিৰি সেৱা আশ্ৰমৰ অধ্যক্ষ ড° সচ্চিদানন্দ মেধি, মুখ্য অতিথি হিচাপে বিহপুৰীয়া মহাবিদ্যালয় অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰীযুক্তা চন্দিকা দত্ত কোঁৱৰ আৰু নৰ্থ বেংক মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত সত্য গগৈ দেৱ উপস্থিত আছিল। ভাষণ প্ৰসঙ্গত তেখেত সকলে ছাত্ৰ-ছাত্ৰী সকলক অধ্যয়ন মূখী হ'বলৈ আহ্বাহন জনায় আৰু ছাত্ৰ ছাত্ৰী ও শিক্ষা গুৰুৰ মাজৰ সম্পৰ্ক কেনেধৰণৰ হ'ব লাগে, তাক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক অৱগত কৰায়। বাৰ্ষিক অধিৱেশনৰ সামৰণীৰ দিনা সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়।

**সৰস্বতী পূজা :—** প্ৰতি বছৰে পালন কৰি অহাৰ দৰে 'সৰস্বতী পূজা' নাম প্ৰসঙ্গ আদিৰে দিনটো জোৰা কাৰ্য্যসূচীৰে পালন কৰা হয়। কাৰ্য্যসূচীত মহাবিদ্যালয়ৰ বিপুল ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি লেখত ল'বলগীয়া।

**শংকৰ উৎসৱ :—** মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই পালন কৰি অহা মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ তিথি দিনটো জোৰা কাৰ্য্যসূচীৰে আনুষ্ঠানিক ভাৱে উদ্‌যাপন কৰা হয়। নাম প্ৰসঙ্গ, বৰগীত আদিৰ লগতে অসমীয়া জাতি গঠনত মহাপুৰুষ শংকৰ দেৱৰ অৱদান শীৰ্ষক আলোচনা অনুষ্ঠিত হয়।

নৱাগত আদৰণি সভা ঃ—আমাৰ মহাবিদ্যালয়লৈ অহা নৱাগত ছাত্ৰ ছাত্ৰীসকলক আদৰ সম্ভাষণ জনাবলৈ ১৭ আগষ্ট '৯৪ তাৰিখে আদৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়। পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু ৯ বজাত নৱ-পুৰণি ছাত্ৰ সকলৰ সংমিশ্ৰনত প্ৰীতি ভলীবল হোৱাৰ পাছতেই ১১ বজাৰ পৰা আদৰণি সভা অনুষ্ঠিত হয়। সভা উদ্বোধন কৰে শ্ৰীযুত মানিক চন্দ্ৰ চমুৱা দেৱে। বিশিষ্ট অতিথি হিচাপে ধেমাজি জিলা সাহিত্য সভাৰ সভাপতি শ্ৰীযুত চুচেন ভিতৰুৱাল কোঁৱৰ দেৱে তেওঁৰ ভাষণ আগবঢ়ায়। ঢকুৱাখনা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ড° চন্দ্ৰধৰ চমুৱা দেৱে নিৰ্দিষ্ট বক্তাৰ ভাষণ দিয়ে। নৱাগত সকলক আদৰণী জনোৱা এই আনন্দমুখৰ পৰিৱেশত ৰাতিলৈ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানলৈ অনাতাঁৰ শিল্পী আমন্ত্ৰণ কৰি অনা হৈছিল।

সদৌ শেষত আমাৰ কাৰ্যকালত প্ৰতি মূহুৰ্ত্তত দিহা পৰামৰ্শৰে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ শিৱ প্ৰসাদ গগৈ, উপাধ্যক্ষ ও উপদেষ্টা শ্ৰীযুত দশৰথ পাঠক ছাৰৰ লগতে সমূহ শিক্ষা গুৰুলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। লগতে মহাবিদ্যালয়ৰ প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু ইমানতে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

জয় আই অসম

ধন্যবাদেৰে

শ্ৰীহৰেণ বৰুৱা

# ॥ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ॥



পাতনিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে যি সকল শুভাকাঙ্ক্ষী ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ বিভিন্ন দিশত অকণমান সেৱা কৰাৰ বাবে সুবিধা দিলে তাৰ বাবে তেখেত সকলৰ ওচৰত অন্তঃকৰণেৰে কৃতজ্ঞতা জনাইছো।

ঢকুৱাখনাৰ নিচিনা এটা পিছপৰা অঞ্চলৰ ভিতৰত আমাৰ মহাবিদ্যালয়খন ক'লা আৰু বিজ্ঞান বিষয়ত এখন আগশাৰীৰ মহাবিদ্যালয়। তথাপিও এই শিক্ষানুষ্ঠানটোৰ অভাৱ অভিযোগবোৰ স্থাপন কালৰে পৰাই অন্ত পৰা নাই। এই সমস্যাসমূহ মোৰ এবছৰীয়া কাৰ্য্যকালত; যদিও সহঃ সাধাৰণ সম্পাদক হিচাপে অনুভৱ কৰা নাছিলো, তথাপি কেতিয়াবা কেতিয়াবা সাধাৰণ সম্পাদকৰ অনুপস্থিতিত তেওঁৰ গধুৰ দায়িত্ব বহন কৰাৰ লগতে বিভিন্ন সমস্যা সমূহ প্ৰত্যক্ষ কৰিছিলোঁ। সমূহ সমস্যাৰ আৰু সমাধানৰ পথ ওলাব বুলি আশা ৰাখিলো।

কাৰ্য্যভাৰ ঃ— ১৯৯৩ চনৰ ৭ ডিচেম্বৰ তাৰিখে আমাক মাননীয় অধ্যক্ষ মহোদয়ে কাৰ্য্যভাৰ দি দায়িত্ব অৰ্পণ কৰে। সেই দিন ধৰি মহাবিদ্যালয়ৰ প্ৰতিটো দিশতে সম্পৰ্ক ৰখাই আগবাঢ়ি গৈছিলো।

মহাবিদ্যালয় সপ্তাহ ঃ— সম্পাদক পদৰ দায়িত্ব বহন কৰিয়েই "মহাবিদ্যালয় সপ্তাহটি পাতিবৰ কাৰণে সিদ্ধান্ত গ্ৰহণ কৰো। ছাত্ৰ-ছাত্ৰীসকলৰ পৰম আকাঙ্ক্ষিত উৎসৱ "মহাবিদ্যালয় সপ্তাহটি" ১৯৯৪ চনৰ ৪ জানুৱাৰীলৈকে ৫ দিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত কৰা হয়। যি সকল বন্ধু/বান্ধৱীয়ে সপ্তাহত বিভিন্ন ক'লা-সাংস্কৃতিক অনুষ্ঠানত শ্ৰেষ্ঠতা লাভ কৰি মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনিছে তেওঁলোকলৈ মোৰ ফালৰ পৰা শুভেচ্ছা জ্ঞাপন কৰিলো।

কৃতজ্ঞতা জ্ঞাপন :—মোৰ এবছৰীয়া কাৰ্য্যকালত প্ৰতিটো মূহুৰ্ত্ততে দিহা পৰামৰ্শৰে সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত শিৱ প্ৰসাদ গগৈ, উপদেষ্টা শ্ৰীযুত দশৰথ পাঠক; শ্ৰীযুত চন্দ্ৰ বৰুৱা ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰোপৰি মোৰ কাৰ্যাকালত বিভিন্ন দিশত সহায় কৰা বন্ধু ৰমেন, জিতু, জয়ন্ত, লোহিত, হেম, জিতেন, কবুল, যাদৱ, দিলীপ, দিগন্ত, নিত্যা, হেমন্ত, বলীন, ভূপেন, নৱ আৰু বান্ধৱী প্ৰাৰিতা সীমা, ৰূপালী, পদ্মিনী, মৃদুলা, প্ৰজ্ঞা, লীণা, মামনী আৰু মিনাক্ষীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

বৰ্তমান ছাত্ৰ সমাজৰ বুকুতেই ৰছা আছে ভৱিষ্যতৰ সোণালী সপোন।

মোৰ কাৰ্য্যকালৰ ভিতৰত সাধ্যানুসাৰে মহাবিদ্যালয়খনিৰ উন্নতিৰ বাবে যিখিনি পাৰি তাক কাৰ্য্যত পৰিণত কৰাত মোৰ কোনো দিন অৱহেলা কৰা মনত নপৰে। অসম্পূৰ্ণ আৰু অতীব প্ৰয়োজনীয়খিনিৰ দায়িত্ব পৰবৰ্তী সম্পাদক সকলৰ ওপৰত অৰ্পণ কৰিলো।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ ভিতৰত কাৰোবাৰ অন্তৰত দিয়া আঘাত আৰু জ্ঞাতে অজ্ঞাতে কৰা ভুল ত্ৰুতিৰ বাবে সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো। মোৰ অতিকৈ প্ৰিয় শিক্ষানুষ্ঠান ঢকুৱাখনা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ এবছৰীয়া প্ৰতিবেদন সামৰিলো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

ধন্যবাদেৰে

**বাবুল গগৈ**

# সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



সময়েই চেতনালব্ধ অনুভূতিৰ
প্ৰকৰণ,
ছাত্ৰ সমাজেই সৃষ্টিকামী বীজৰ
অংকুৰণ;
সাধনাৰ সিতসৰ্দ্ধ নিতে-নৱ
জাগৰণ।

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকলৰ প্ৰতি অশ্ৰু অঞ্জলী যাঁচিছো, যি সকলে এই মহান অনুষ্ঠানটোত শিক্ষা আহৰণ কৰিবলৈ আহি অকাল মৃত্যুক সাৱটি ল'বলগীয়া হ'ল। লগতে তেওঁলোকৰ শোক সন্তপ্ত পৰিয়াল কেইটিলৈ এই প্ৰতিবেদনৰ জৰিয়তে সমবেদনা জ্ঞাপন কৰিলো।

বহু আশা লৈয়ে ভৱিষ্যত। যিদৰে মই বা আমি এটা উচ্চ মন লৈ নিজকে প্ৰতিষ্ঠা কৰাৰ মানসিকতাৰে এই মহাবিদ্যালয়ত ভৰ্ত্তি হৈছিলো, ঠিক সেইদৰে মহাবিদ্যালয়ৰ আলোচনী বিভাগটোৰ উন্নতিৰ হেতু মই নিৰ্ব্বাচনত প্ৰতিদ্বন্দিতা কৰিছিলো। এইয়া মোৰ সৌভাগ্য যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সৱে মোক জয়যুক্ত কৰি এই দিশত মোক সেৱা কৰিবলৈ যি সুবিধা দিলে, তাৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী; তথা ককাইদেউ বাইদেউৰ ওচৰত চিৰ কৃতজ্ঞ।

দিনৰ পাহাৰ; ৰাতিৰ জুই; তাক নেদেখি থাকিবা গুই। দূৰৰ পৰ্ব্বতটো দেখিবলৈ অতি মনোমোহা। ওচৰৰ পৰাহে তাৰ খলা বমাবোৰ চকুত পৰে, বগাবলৈতো আৰু দুৰূহ। সেইবুলি জানো পৰ্ব্বতত মানুহ বগোৱা নাই! মইও কাৰ্য্যভাৰ লৈছিলো; সকলো কাম মিয়াৰিকৈ কৰি যাম বুলি; কিন্তু বাস্তৱ ক্ষেত্ৰত মই বাধাগ্ৰস্থ হবলগীয়া হ'ল বিশেষকৈ প্ৰাচীৰ পত্ৰিকা প্ৰকাশনৰ ক্ষেত্ৰত। মই এই কথা অতি দুখেৰে কবলগীয়াত পৰিছো যে যিখন মহাবিদ্যালয়ত ১৮০০ শৰ পৰা ১৯০০ শ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আহৰণ কৰে। সেইখন মহাবিদ্যালয়ৰ 'প্ৰাচীৰ পত্ৰিকা' লৈ লেখা পঠোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই নগন্য। তথাপি যিসকল আগ্ৰহী ছাত্ৰ-ছাত্ৰীয়ে লেখা দিছিল তেওঁলোকক সাৰোগত কৰিয়েই মই যিমান সম্ভৱ সিমান সুন্দৰ ভাৱে প্ৰাচীৰ পত্ৰিকাৰ সংখ্যা সমূহ প্ৰকাশ কৰি উলিয়াইছিলো। এই দিশত বেটুপাত তথা আৰ্ট স্কেচেৰে সহায় কৰা দেৱকৃষ্ণলৈ মোৰ আন্তৰিক শুভকামনা থাকিল। অৱশ্যে এই ক্ষেত্ৰত উল্লেখযোগ্য যে শেষলৈ 'প্ৰাচীৰ পত্ৰিকা' লৈ লেখা দিয়াৰ পৰিমাণ ক্ৰমাত বৃদ্ধি পাই আহে আৰু প্ৰতিবেদন লিখা পৰলৈকে মোৰ ওচৰত কেৱল

প্ৰাচীৰ পত্ৰিকাৰ বাবে দিয়া লেখাই অন্ততঃ তিনিটামান সংখ্যাৰ জোখাৰে গোট খাইছে। ই নিতান্তই সুখৰ বিষয়।

বাৰু যিয়েই নহওঁক অন্য বছৰৰ দৰে এইবছৰো মহাবিদ্যালয় সপ্তাহ অতি উলহ মালহেৰে ৪, ৫, ৬, ৭ আৰু ৮ জানুৱাৰীত পালন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ প্ৰতিযোগিতা সমূহ আছিল স্ব-ৰচিত গল্প, কবিতা, ৰস ৰচনা আৰু বাচি দিয়া বিষয়ৰ ওপৰত প্ৰবন্ধ লেখা প্ৰতিযোগিতা। ইয়াৰ উপৰিও অসমীয়া, হিন্দী আৰু ইংৰাজী কবিতা আবৃত্তিৰ লগতে নতুনকৈ বাংলা কবিতা আবৃত্তিও অন্তৰ্ভুক্ত কৰা হয়। বছৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী হিচাপে বিবেচিত হয় শ্ৰীজয়ন্ত মাধৱ বৰুৱা। এই আপাহতে তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

এখন মহাবিদ্যালয়ৰ আলোচনী সৰ্বতো প্ৰকাৰে সুন্দৰ কৰিবৰ বাবে যিমান অৰ্থ (আলোচনীৰ বাবদ লোৱা মাচুল প্ৰয়োজন আমাৰ মহাবিদ্যালয়ত সি তেনেই নগন্য। গতিকে আলেচনী সমূহ সম্পাদকসকলে মনে ভবামতে অৰ্থ অভাৱত সৰ্ব সুন্দৰ কৰিব নোৱাৰেগৈ। অৱশ্যে সুখৰ বিষয় যে আলোচনী বিভাগৰ মাচুল মোৰ কাৰ্য্যকালতে প্ৰয়োজনীয় পৰিমাণে বঢ়াই দিয়া হ'ল। আশা কৰো ভৱিষ্যতৰ সম্পাদক সকলে আলোচনী সমূহ অতি মনোমোহাকৈ প্ৰকাশ কৰিব পাৰিব।

এইখিনিতে মোক সকলো সময়তে দিহা পৰামৰ্শ দি সহায় কৰা মহবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত শিৱ প্ৰসাদ গগৈ তত্বাবধায়ক ছাৰ শ্ৰীডিম্বেশ্বৰ গগৈ আৰু শ্ৰীযুত ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাই ছাৰলৈ মোৰ ফালৰ পৰা সশ্ৰদ্ধ প্ৰণাম যাঁচিলো। এই সুযোগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষা গুৰুলৈ মোৰ প্ৰণিপাত নিবেদিলো।

সকলো সময়তে মোৰ লগত ছাঁ দৰে লাগি সহায় কৰা সুখত সুখী আৰু দুখত দুখী হোৱা বন্ধু তোলন বুঢ়াগোহাঁইক মই কেনেকৈ পাহৰিম ? তাৰ ওচৰত মই ঋণী হৈ ৰ'লো। ইয়াৰ উপৰিও বন্ধুবৰ দ্বিৰন, ৰাজা সুবিত্ৰ, জিতেন, বিশ্ব, যতীন, ভদ্ৰ, দ্বিপেন আদি বান্ধৱী জ্যোৎস্না, হ'লা আৰু কল্পনা ভণ্টি কনী; প্ৰজ্ঞা, কমী, সীমা, প্ৰাৰিতা, প্ৰাগ জ্যোতিষমিতা, নিপা অনুহঁতক মই কেতিয়াও নাপাহৰো। সকলোলৈ মোৰ অনুপাত অনুসৰি মৰম, শ্ৰদ্ধা ও আন্তৰিক কৃতজ্ঞতা থাকিল।

শেষত মোৰ কাৰ্য্যকালত বৈ যোৱা অজানিত ভুল ভ্ৰান্তি সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ ওচৰত মোৰ ক্ষমা প্ৰাৰ্থনা থাকিল। লগতে যি সকলে মোৰ প্ৰত্যেকটো কাৰ্য্যত নিঃস্বাৰ্থ ভাৱে সহায় কৰি গ'ল তেওঁলোকৰ ওচৰত মই পুনৰবাৰ কৃতজ্ঞতা স্বীকাৰ কৰিছো।

সদৌ শেষত মহাবিদ্যালয়ৰ আলোচনীখনিৰ আশু উন্নতি কামনা কৰিলো। আলোচনী যাতে ক্ৰমোন্নত হৈ গৈ থাকে তাৰ বাবে শত সহস্ৰ শুভ কামনা থাকিল।

জয়তু ঢকুৱাখনা মহাবিদ্যালয় আলোচনী

জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা

ছাত্ৰ ঐক্য জিন্দাবাদ

শ্ৰদ্ধাৰে

**ডেভিদ গগৈ**

## ॥ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥



জয়জয়তে ঢকুৱাখনা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যাপকবৃন্দ তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ ওচৰত শ্ৰদ্ধা ও আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। লগতে মোৰ বিভাগৰ উপদেষ্টা শ্ৰীযুত চন্দ্ৰ বৰুৱা ছাৰলৈ শ্ৰদ্ধা জনাই বিভাগীয় প্ৰতিবেদন আৰম্ভ কৰিলো।

১৯৯৩-৯৪ চনৰ ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই সাংস্কৃতিক শাখাৰ সম্পাদক হিচাপে প্ৰাৰ্থীত্ব আগবঢ়াই যি সকল ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এই পদত মই নিৰ্বাচিত হ'লো সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্যকালত ইংৰাজী ৭।১১।৯৪ তাৰিখে অনুষ্ঠিত হোৱা ডিব্ৰুগড় আন্তঃমহাবিদ্যালয় সংগীত প্ৰতিযোগিতাত পাৰ্বতী প্ৰসাদ বৰুৱা গীতত শ্ৰীমতী কুঞ্জল মনি পাঞ্জাং প্ৰথম স্থান আৰু লোকগীত প্ৰতিযোগিতাত শ্ৰীফুলমনি শইকীয়াই তৃতীয় স্থান অধিকাৰ কৰি আমাৰ মহাবিদ্যালয়লৈ কঢ়িয়াই অনা সুনামে আমাক যথেষ্ট আনন্দ আৰু প্ৰেৰণা দিয়ে।

ইংৰাজী ৪।৬।৯৪ তাৰিখৰ পৰা ৮।৬।৯৪ তাৰিখলৈকে অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক প্ৰতিযোগিতাসমূহ মোৰ মাননীয় শিক্ষাগুৰু সকল আৰু ছাত্ৰ-ছাত্ৰী সকলৰ দিহা পৰামৰ্শ, সহায় সহযোগিতা দ্বাৰা বহু কষ্টৰ বিনিময়ত সাৰ্থক ৰূপ দিলো। মানুহক ... মোৰ নিৰ্বাচনত নমাৰ প্ৰধান কাৰণ। মই বিশ্বাস কৰো সম...
বিচাৰি পালেও সমাজত কাম কৰা ...

বৰ্তমান সমাজত হিন্দী বোলছবিৰ অলৌকিক ঘটনা আৰু নানা অশ্লীল প্ৰেমাচাৰ অধ্যয়নত বেছি আকৃষ্ট ল'বা ছোৱালীবোৰে নিজৰ জাতীয় আনসকলো সংগীত আৰু সাংস্কৃতিক কাৰ্যসূচী অৰ্থহীন বুলি ইতিকিং কৰিছে। এইবোৰ সাংস্কৃতিক জীৱনৰ কাৰণে কেবল তুচ্ছজনকেই নহয়, ঘৃণণীয়ও। "গীতম, বাদ্যম নৃত্যম: এয়ম সংগীতৰ মূৰ্চ্ছাতে—অৰ্থাৎ গীত, বাদ্য, নৃত্য এই তিনিওটাৰ সমন্বয়ত সংগীতৰ সৃষ্টি হৈছে। ইয়াত আহত আৰু অনাহত বুলি দুবিধ শ্ৰুতি আছে। তাৰ অনাহত বিধহে প্ৰাচীন ঋষি মুনি সকলৰ সাধনাৰ বিষয় আছিল। কিন্তু আহত ৰাগৰ যোগেদি অসমত শংকৰদেৱ মাধৱ দেৱৰ শাস্ত্ৰীয় ৰাগৰ বৰগীতৰ পৰা আৰম্ভ কৰি বৰ্তমান খগেন মহন্ত, বীৰেন্দ্ৰ নাথ দত্ত আৰু লোকগীতৰ ৰামেশ্বৰ পাঠক আদিক আমাৰ চকুত পৰে। এইবুলি পাৰ্থিব ভোগৰ সন্ধানত আহত স্বৰৰ শ্ৰৱণ, বন্ধ মুখী হোৱাতো বাদেই, বৰ্তমান সমাজত সংগীতৰ বিশালতাৰ পৰিবৰ্তে স্বাৰ্থপৰতা আৰু নীচ অনুভূতিশীল কিছুমান সংবেদক সৃষ্টি হৈছে। মোৰ নিচিনা সাংস্কৃতিক সম্পাদকে মহাবিদ্যা-লয়ৰ বছৰৰ সাংবিধানিক নিয়মাৱলী আৰু শিক্ষক ছাত্ৰৰ নিৰ্দেশাৱলী সুচাৰুৰূপে পালন কৰা বাহিৰে আন কোনো ভাল উপহাৰ দিয়াৰ শক্তি নাই। মোৰ পাছৰ সাংস্কৃতিক সম্পাদক সম্পাদিকা সকলে সাংস্কৃতিক বিভাগৰ অভাৱ সমূহ দূৰ কৰিবলৈ সক্ষম হ'ব বুলি আশা ৰাখিলো। লগতে ভৱিষ্যতে মহাবিদ্যালয়ত পঢ়িবলৈ অহা তথা বৰ্তমানে পঢ়ি থকা ছাত্ৰ ছাত্ৰী সকলৰ সকলো দিশত উন্নতি কামনা কৰিলো।

মোৰ কাৰ্যকালত সহায় সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী সকলৰ ওচৰত মই ঋণী। সেই সকল ক্ৰমে গুণ, লক্ষী, মেঘ, বিদ্যুৎ, দিপেন, প্ৰশান্ত, ভুপেন, প্ৰনৱ, শৈলেন আৰু মোহন। ছাত্ৰ একতা সভাৰ সকলো সদস্য/সদস্যালৈ প্ৰতিবেদনৰ যোগেদি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ প্ৰতিটো কামতে সৎ পৰামৰ্শ, সৎ বুদ্ধি দি সহায় কৰা শিক্ষাগুৰু অধ্যক্ষ শ্ৰীযুত শিৱ প্ৰসাদ গগৈ, উপাধ্যক্ষ শ্ৰীযুত দশৰথ পাঠক, শ্ৰীযুত ভোলানাথ গগৈ, শ্ৰীযুত অমিয় সন্দিকৈ শ্ৰীযুত জিতাৰাম কলিতা, শ্ৰীযুত দিলীপ হাতী বৰুৱা আৰু নিৰ্বাচনত সহায় কৰা যোগানন্দ, হিতেন, ৰূপজ্যোতি, নন্দিতা, নিৰু আদিলৈ প্ৰতিবেদনৰ যোগেদি শ্ৰদ্ধা নিবেদিলো।

সদৌ শেষত ঢকুৱাখনা মহাবিদ্যালয়ৰ মোৰ চিৰ পুজ্য শিক্ষাগুৰু বন্ধু বান্ধৱী সকলৰ ওচৰত কৰা অজানিত ভুল ক্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা জনালো। লগতে মহাবিদ্যালয়ৰ উজ্জল ভৱিষ্যত কামনা কৰি সাংস্কৃতিক সম্পাদকৰ চমু প্ৰতিবেদন সামৰিলো।

"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"

শ্ৰদ্ধাৰে

শ্ৰীগুণমনি সন্দিকৈ



# ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ও শিক্ষাগুৰুকলৈ মোৰ শ্ৰদ্ধা
নিবেদিলো। ১৯৯৩-৯৪ বৰ্ষৰ ক্ৰীড়া শাখাৰ সম্পাদক হিচাপে নিযুক্ত কৰি ক্ৰীড়া জগতখনৰ লগত ঘ
হোৱাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱ
জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই কি

# ক্ৰীড়া শাখাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে ঢকুৱাখনা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ও শিক্ষাগুৰুকলৈ মোৰ শ্ৰদ্ধাঞ্জলী নিবেদিলো। ১৯৯৩-৯৪ বৰ্ষৰ ক্ৰীড়া শাখাৰ সম্পাদক হিচাপে জয়যুক্ত কৰি ক্ৰীড়া সম্পাদকৰ লগত থকিব হোৱাৰ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা ও অভিনন্দন জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই কিছুমান প্ৰাথমিক সমস্যাৰ সন্মুখিন হৈছিলো যদিও ছাত্ৰ ছাত্ৰী সকলৰ আগ্ৰহ আৰু সহায়-সহযোগিতাৰ বাবে কামবিলাক সুচাৰুৰূপে কৰি যাব পাৰিছিলো বুলিয়েই মোৰ ধাৰণা। এইখিনিতে মোৰ কাৰ্য্যকালত হৈ যোৱা জ্ঞাত আৰু অজ্ঞাত ভুল সমূহৰ বাবে প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিলো।

**মোৰ কাৰ্য্যকালত :—** প্ৰতি বছৰৰ দৰে এইবাৰো পালন কৰা মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগীয় প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ বিভাগীয় প্ৰতিযোগিতা সমূহৰ শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰে প্ৰবক্তা শ্ৰীযুত চন্দ্ৰ বৰুৱা দেৱে। প্ৰতিযোগিতা বিলাক পৰিচালনা কৰিবৰ বাবে আমন্ত্ৰণ কৰি অনা শ্ৰীযুত কিৰণ বৰগোহাঁইদেৱে প্ৰতিযোগিতা আৰু প্ৰতিযোগী সকলক উদ্দেশ্যি দুই এষাৰ কোৱাৰ পাচতে প্ৰতিযোগিতা আৰম্ভ কৰা হয়। এই বাৰৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা বিগত বছৰতকৈ বহুত বেছি হোৱা পৰিলক্ষিত হয়। মহাবিদ্যালয় সপ্তাহৰ পাঁচদিনীয়া কাৰ্য্যসূচীত বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি ল'ৰা বিভাগত মহেন্দ্ৰ ডুবৰাই আৰু ছোৱালী বিভাগত মাজনী ডুবৰাই শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান অৰ্জন কৰে। লগতে শ্ৰেষ্ঠ দৌৰবীৰ বিবেচিত কৰা হয় বিপিন ৰাজখোৱাক। এইখিনিতে উল্লেখ কৰা সমীচিন হ'ব যে মহাবিদ্যালয় সপ্তাহ চলি থকা অৱস্থাতে আন্তঃ মহাবিদ্যালয় এথলেটিকচ্ প্ৰতিযোগিতা চলা বাবে প্ৰতিযোগীসকলে গৈ তাত অংশ গ্ৰহণ কৰিব নোৱাৰিলে। তাৰ বাবে খেদ্ হৈ গল।

মহাবিদ্যালয় সপ্তাহৰ পাছতে আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে আঞ্চলিক পৰ্য্যায়ত চূড়ান্ত খেলত লক্ষীমপূৰ মহাবিদ্যালয়ক পৰাস্ত কৰি আঞ্চলিক পৰ্যায়ত বিজয়ী হয় যদিও ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ খেলপথাৰত চাবুৱা মহাবিদ্যালয় দলৰ লগত পৰাজয় বৰণ কৰিব লগা হয়। মহাবিদ্যালয়ে যোগদান কৰি

১৯৯৩-৯৪ বৰ্ষৰ আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে যোগদান কৰি কেইবাটানো খেলত বিজয়ী হৈ শেষত আঞ্চলিক পৰ্য্যায়ৰ চুড়ান্ত খেলত গোগামুখ মহাবিদ্যালয়ৰ লগত পৰাজয় বৰণ কৰে। ফলত বিশ্ববিদ্যালয়ৰ খেল পথাৰলৈ যোৱাৰ আশা ইমানতে ইতি পেলাব লগা হয়। কিন্তু অসম তথা ভাৰতৰ ক্ৰীয়া

বৰ্তমান সময়ত বিশ্ব ক্ৰীয়াৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায়। খেলত পাৰদৰ্শিতা দেখুৱাবলৈ যথেষ্ট অধ্যবসায় আৰু অনুশীলনৰ প্ৰয়োজন জগতৰ অৱস্থা দুখ লগা। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে এই দিশটোৰ প্ৰতি মনোনিবেশ কৰিব বুলি আশা ৰাখিলো। অৰ্থ অবিহনে অধ্যৱসায় আৰু গঠনমূলক অৱশ্যে এই ক্ষেত্ৰত আটাইতকৈ দৰকাৰী বস্তুটো হ'ল অৰ্থ। মহাবিদ্যালয়খনৰ ক্ৰীয়া বিভাগৰ পূজি অনুশীলন কৰিবলৈ গ'লে অসংখ্য বাধাৰ সন্মুখীন হ'ব লগীয়া হয়। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ অপাৰগ হও, গতিকে দুৰ্বলতা হেতুকে সকলো বিলাক আমন্ত্ৰিত ভাৱে সবল কৰিবলৈ অনুৰোধ জনালো তেতিয়াহে এইখিনিতে কৰ্তৃপক্ষক বিভাগীয় পূজি আশানুৰূপ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব পাৰিব। প্ৰতিযোগীসকলে আশা কৰা মতে সকলোবিলাক

**কৃতজ্ঞতা স্বীকাৰ ঃ**—মোৰ কাৰ্য্য কালত বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰা বিভাগীয় উপদেষ্টা শ্ৰীযুত পূৰ্ণানন্দ গগৈ ছাৰলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। অধ্যক্ষ শ্ৰীযুত শিৱ প্ৰসাদ গগৈ, উপাধ্যক্ষ শ্ৰীযুত দশৰথ পাঠক, প্ৰবক্তা শ্ৰীযুত চন্দ্ৰ বৰুৱা, ঈশ্বৰ প্ৰসন্ন বুঢ়াগোঁহাঞি, দেবেশ্বৰ পেগু, ডিম্বেশ্বৰ চুতিয়া আদি ছাৰ সকললৈ মোৰ শ্ৰদ্ধা নিবেদিছো।

শেষত মোৰ কাৰ্য্যকালত সহায় সহযোগ আগবঢ়োৱাৰ বাবে অতিকৈ মৰমৰ ছাত্ৰ বন্ধু নীলমনি, প্ৰসেন, গকুল, নিতা, নবান, ঘনকান্ত, পংকজ, ভদ্ৰ, কিৰণ, অভিজিত, সুৰেশ, লীলা, দ্বিপেন, হিতেন, প্ৰশান্ত, উদ্ধৱ, ক্ষীৰোদ, কুশল, প্ৰবোধ, ভূপেন, অনিল, তৰুণ, মহেন্দ্ৰ, বিনোদ; ছাত্ৰী বান্ধৱী, অঞ্জু, মঞ্জু, স্বৰজু, আইমণি, নিজৰা, ভাগ্য, নীলিমাই, মৃদুলা, প্ৰতিভা ৰাণু, পূণ্য মিনাক্ষী ৰুণু, দীপা, মাজনী আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই প্ৰতিবেদন সামৰিলো।

ছাত্ৰ ঐক্য জিন্দাবাদ
"জয়তু ঢকুৱাখনা মহাবিদ্যালয়"
শ্ৰদ্ধাৰে
**ৰমেন চুতিয়া**

# সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰথম আঁকটিতে সমূহ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো। যি সকলে মোক এইকণ সেৱা মহাবিদ্যালয়ৰ হকে কৰিবলৈ সুযোগ দিলে তেওঁলোকৰ ওচৰত মোৰ সশ্ৰদ্ধ প্ৰণাম থাকিল।

মোৰ কাৰ্য্যকালৰ সময় উকলি যোৱাৰ খবৰ পাইছো যেতিয়া নতুনক কাৰ্যভাৰ দিবলৈ হেন্দোলনি উঠিল। আৰু সময় পালো এবাৰ নিজকে উভতি চোৱাৰ।

মোৰ কাৰ্য্যকালত কোনো নতুন কাম কৰিবলৈ সুবিধা নাপালো। মূলতঃ তিনিটা কামেৰেই মোৰ কাৰ্য্যকাল সামৰিব লগীয়া হ'ল। অন্যবছৰৰ দৰে হোৱা এই বছৰৰ মহাবিদ্যালয়ৰ সপ্তাহ আৰু নবাগত আদৰণি বৰ উলহ-মালহেৰে পাতিলো। এই কাৰ্য্যবোৰ মই Not me but you হৈ কৰি গৈছিলো। 8, ৫, ৬, ৭ আৰু ৮ জানুৱাৰীত হৈ যোৱা মহাবিদ্যালয় সপ্তাহ আৰু নবাগত আদৰণিত মহাবিদ্যালয়ৰ চোৰাং চাফাই, তোৰণ নিৰ্ম্মাণ, শ্বহীদ বেদী নবীকৰণ আদিকে ধৰি বিভাগীয় সকলোবিলাক কাম কৰি গৈছিলো। লগতে অন্য বিষয় ববীয়া সকলকো সহায় সহযোগ আগবঢ়াই ছাত্ৰ একতা সভাৰ ঐক্যৰ চিনাকী দিছিলো।

উল্লেখযোগ্য যে মোৰ কাৰ্য্যকালতে মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত "ৰাষ্ট্ৰীয় সেৱা যোজনা "(N.S.S.) ৰ ৰূপালী জয়ন্তী উৎসৱত প্ৰতিনিধিত্ব কৰিছিলো। আমাৰ মহাবিদ্যালয়ৰ মুঠ চুগৰাকী ছাত্ৰ-ছাত্ৰীয়ে চাৰিদিনীয়া কাৰ্যাসূচীৰে কৰা এই N. S. S. মহোৎসৱত যোগদান কৰিছিলো। কাৰ্য্যসূচীত অন্তৰ্ভুক্ত আছিল ডিব্ৰুগড় চহৰ চাফাই, বৰপথাৰ এল, পি স্কুল নিৰ্ম্মাণ, Indoor Stadium ৰ Campus চাফাই আদি। তাৰোপৰি শ্ৰীযুত বিমল গগৈ ছাৰে AIDS আৰু National Intrigation ৰ দুটা বৰ সুন্দৰ class কৰি দিয়ে। এইখিনিতে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত কোমেশ্বৰ দত্ত ছাৰলৈ ধন্যবাদ জ্ঞাপন কৰিলো, এই মহৎ উপকাৰৰ কাৰণে।

ক্ষোভ, বৈৰ গ'ল :— মোৰ কাৰ্য্য কালত শ্ৰেষ্ঠ সমাজ সেৱক-সেৱিকা বাচিব নোৱাৰিলো। উপযুক্ত অৰ্থৰ অভাৱত মনে ভৰা বহুতো কাম তল পৰি ৰ'ল। গতিকেই দুখী দুখী মনোভাব নাতাৰিল।

কৃতজ্ঞতা স্বীকাৰ :—সদৌ শেষত কৃতজ্ঞতা স্বীকাৰ নকৰি নোৱাৰিলো যি সকলে মোৰ কাৰ্য্যকালত গঠন মূলক নব প্ৰেৰণাৰে উৎসাহিত কৰি তুলিছিল। ছাত্ৰ একতা সভাৰ সভাপতি মহোদয় আৰু উপদেষ্টা মহোদয়ৰ ওচৰত তথা শিক্ষা গুৰু আৰু বন্ধু-বান্ধৱী সকলৰ ওচৰত মোৰ কৃতজ্ঞতা জনালো। বন্ধু সুবিত্ৰ, দ্বিবন, দিপু, তোলন, ভদ্ৰ, মৃদুল, অমৃত, দিলীপ, দিপেন, বিশ্ব ভাইটি, সুমিত্ৰ, বাবুল, মইনা, পূৰ্ণানন্দ, মহানন্দ, বান্ধৱী হ'ল, জ্যোৎস্না, পাকল, পৰিণীতা; কল্পনা, শিখা বাই, বিউটিবা আদিৰ লগতে L. N. B. B. ছাত্ৰ বাসৰ সকলোৰে সহায় সহযোগ সদায় মনত থাকিব। শেষত মহাবিদ্যালয় উজ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰিলো।


"জয়তু ঢকুৱাখনা মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে

অপূৰ্ব গগৈ

# তৰ্ক আৰু আলোচনা শাখা

## ॥ সম্পাদকৰ প্ৰতিবেদন ॥



প্ৰতিবেদনৰ আৰম্ভনিতে যি সকল মহান পুৰুষে আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰিবলৈ গৈ নিজৰ জীৱন হাহি হাহি বিসৰ্জন দিলে সেই মহাপুৰুষ সকলক শ্ৰদ্ধাৰে সোঁৱৰিছো, লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা সমূহ অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীলৈ সশ্ৰদ্ধ প্ৰণাম যাচিলো।

মোৰ কাৰ্য্যকালতো আশা আৰু নিৰাশাৰ দোমোজাতেই সম্পূৰ্ণ কৰিলো। প্ৰতিশ্ৰুতি খিনি পূৰ্ণ ৰূপত প্ৰতিফলিত কৰিব নোৱাৰা বাবে মোক ক্ষমা কৰিব। প্ৰতিজন মানুহে জীৱনত সকলো কাম নিয়াৰিকৈ কৰিব নোৱাৰাটো একো অস্বাভাৱিক নহয়। মানুহৰ আশা অভিলাসৰ বিপৰীতে কাৰ্য্যক্ষমতা সদায়েই দুৰ্বল।

সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ৩০ ডিচেম্বৰ (১৯৯৩) ত নৰ্থবেংক মহাবিদ্যালয়ৰ অবিভক্ত লক্ষীমপুৰ জিলা আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযাগিতা অংশ গ্ৰহণ কৰো। এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ শ্ৰী মনোজ ফুকনে শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান মহাবিদ্যালয় খনিলৈ কঢ়িয়াই আনে। ইয়াৰ বাহিৰে অন্য মহাবিদ্যালয়লৈ আমন্ত্ৰণ পোৱা স্বত্বেও আৰ্থিক কাৰণত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ যাব নোৱাৰিলো।

কাৰ্য্যকাল গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আমাৰ কাৰ্য্যনিৰ্বাহক সিদ্ধান্ত অনুসৰি বছেৰেকীয়া মহাবিদ্যালয় সপ্তাহ'ৰ দিন ধাৰ্য্য কৰা হয় আৰু নিৰ্দ্দিষ্ট দিনত মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু আৰু আলোচনা শাখাৰ প্ৰতিযোগিতা সমূহ আছিল তৰ্ক, আকস্মিক বক্তৃতা আৰু কুইজ। এই বছৰৰ শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান শ্ৰীমতী মিনাক্ষী গগৈয়ে লাভ কৰে। উক্ত মহাবিদ্যালয় সপ্তাহত বিভাগীয় দায়িত্ব পালনত অসুবিধা পাইছিলো যদিও কেইগৰাকীমান শিক্ষাগুৰু তথা ছাত্ৰ বন্ধুৰ তৎপৰাত অসুবিধা সমূহ দূৰ কৰিবলৈ সক্ষম হৈছিলো।

# শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন




প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয় খনিৰ পূজ্য শিক্ষাগুৰু আৰু ১৯৯৩-৯৪ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মোক শৰীৰ চৰ্চা সম্পাদক ৰূপে বিপুল ভোটত জয়যুক্ত কৰাত মহাবিদ্যালয়ৰ সমূহ বন্ধু-বান্ধৱীক মোৰে তৰফৰ পৰা আন্তৰিক অভিনন্দনও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

“দেহা থাকিলেহে বেহা” এই কথাষাৰৰ সত্যতা কোনেও দুই কৰিব নোৱাৰে। গতিকে শৰীৰ সুস্থ আৰু সবল কৰি ৰাখিবলৈ হলে আমি প্ৰথমে নিজৰ শৰীৰটোৰ প্ৰতি লক্ষ্য ৰখা উচিত। মানুহৰ শৰীৰটো এটা চলি থকা ইঞ্জিনৰ দৰে. এটা চলি থকা ইঞ্জিন যেতিয়া কিবা কাৰণত নষ্ট হৈ যায় তেতিয়া সেই ইঞ্জিনটোৰ কাৰ্য্যক্ষম গুণটো নষ্ট হৈ যায়। তেনেকৈ মানুহৰ শৰীৰটো নষ্ট হৈ গলে আৰু একোৱেই নাথাকিব। সেয়েহে এটা সুস্থ শৰীৰে মানুহক কাৰ্য্যক্ষম কৰি তোলে. কৰ্ম প্ৰেৰণা যোগায়।

স্বাস্থ্যই পৰম সম্পদ” সকলো মানুহেই প্ৰকাশ্য ভাৱে নহলেও গোপনে গোপনে এটা সৌন্দৰ্য্যশীল. সুস্থ সবল শৰীৰ পাবলৈ আশা কৰে. আমি যদি সেই আশা পূৰণ কৰিব বিচাৰো তেন্তে সকলোৱে শৰীৰ চৰ্চ্চা যোগাসন, ব্যায়াম শিক্ষা আদি দিশ কেইটাৰ ওপৰত প্ৰথম গুৰুত্ব দিয়া প্ৰয়োজন বুলি মই ভাবো। সু-স্বাস্থ্যই কৰ্ম প্ৰেৰণাৰ মূল উৎস। গতিকে আমি নিজৰ শৰীৰটোৰ যত্ন লোৱা উচিত।

কাৰ্য্যাভাৱৰ পাচতেই আজি পৰা কলেজ সপ্তাহত মই সীমিত পুঁজিৰ বাবে প্ৰয়োজনতকৈ কম সামগ্ৰীৰ সহায়ত প্ৰতিযোগিতা সমূহ অনুষ্ঠিত কৰাওঁ। যিকি নহওঁক সীমিত হলেও এইবাৰৰ প্ৰতিযোগিতাৰ বিভিন্ন শিতানৰ খেল সমূহ যে ভাবিব নোৱাৰা ধৰণে উন্নত হৈছিল সেইটো পূৰ্ব্বৰ অভিলেখ ভঙ্গ কৰাৰ পৰা অনুমান কৰিব পাৰি। তাৰোপৰি এইবাৰ শৰীৰ চৰ্চা বিভাগত এটি নতুন খেলৰ অন্তৰ্ভুক্ত কৰা হয় সেয়া হ'ল Strangta lifting. এই বিভাগত বিভিন্ন শিতানৰ খেল সমূহ আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈ সকলে জিলা-



# ছাত্ৰ-জিৰণী কোঠা সম্পাদকৰ প্ৰতিবেদন

এদিন বহু আশা প্ৰত্যাশাৰে ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিব পোৱাত নিজকে ধন্য মানিছিলো। যি সকল ছাত্ৰ বন্ধু-বান্ধৱীয়ে মোক মহাবিদ্যালয়ৰ হকে একনমান সেৱা কৰিবলৈ আগবঢ়াই দিয়াৰ লগতে মোৰ বিভিন্ন কৰ্মসূচী সমূহ সু শৃংখল ভাৱে চলাই যোৱাত উৎসাহ উদ্দিপনা যোগালে সেই সকললৈ মোৰ আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা নিবেদিলো।

আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত (বিশেষকৈ মহাবিদ্যালয় সমূহত) ছাত্ৰ-ছাত্ৰী সকলৰ ব্যক্তিত্ব বিকাশত জিৰণী কোঠাটিৰ এক মহৎ ভুমিকা আছে বুলি ক'ব পৰা যায়। কাৰণ জিৰণী তথা সাময়িক মানসিক পৰিশ্ৰম ত্যাগ কৰিব পৰা খেলা ধুলাইতে মনক উদমশীল কৰি তোলে।

ক্ষন্তেক থমকি ৰোৱাৰ অৱকাশ যিদৰে বোৱতী নদীৰ নাথাকে, সেইদৰে বছৰৰ দিনবোৰো কালৈকো বৈ নাথাকে। চাওঁতে চাওঁতে বছৰটো পাৰ হ'ল, লগতে মোৰ কাৰ্য্যকালৰো অন্ত পৰিল। মই মোৰ সীমিত জ্ঞানেৰে কিমানখিনি মহাবিদ্যালয়ৰ হকে কৰিলো সেইটো আপোনালোকৰ বিচাৰ্য। অৱশ্যে মই চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। মহাবিদ্যালয় তথা জিৰণী কোঠাৰ উন্নতিৰ হকে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে মাননীয় উপদেষ্টা মহোদয় শ্ৰীযুত ৰমেন বুঢ়াগোঁহাঞি দেৱৰ পৰা বিভিন্ন দিহা পৰামৰ্শ লৈ মই কাম কৰি গৈছিলো। এইখিনিতে এটা কথা মই অপ্ৰিয় হ'লেও ক'ব লাগিব যে আমাৰ মহাবিদ্যালয়ৰ জিৰণী কোঠাটো নিচেই সৰু। সেয়েহে মুষ্টিমেয় কেইজনমানৰ বাহিৰে প্ৰায়বোৰ ছাত্ৰই ইয়াৰ সংস্পৰ্শলৈ নাহেই। কিন্তু দুখৰ বিষয় যে মনত অদম্য স্পৃহা থকা স্বত্বেও মোৰ কাৰ্য্যকালত এনে বহুতো সমস্যা পুঁজিৰ অভাৱত সম্পূৰ্ণ হৈ নুঠিল। এই শিতানত আমাৰ মহাবিদ্যালয়ৰ পুঁজি তেনেই



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকলৰ প্ৰেৰণা ও সহযোগীতাত উদ্বুদ্ধ হৈ মই সম্পাদিকাৰ পদত জয়যুক্ত হৈছিলো সেই সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও অভিনন্দন জ্ঞাপন কৰিলো। লগতে এই এবছৰীয়া কাৰ্য্যভাৰ চলাই নিয়াত আৰু বিভিন্ন সমস্যাসমূহ সমাধানত যি সকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীয়ে মোক দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়ালে সেই সকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীক শ্ৰদ্ধা ও হিয়াভৰা ওলগ যাচিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰা পাছতে মই মহাবিদ্যালয়ৰ উন্নতিৰ হকে বিভাগীয় যিমানখিনি সম্ভৱ কৰি যাবলৈ চেষ্টা কৰিছিলো। মোৰ ওপৰত ন্যস্ত কৰা দায়িত্ব সমূহ পালন কৰাত মই কোনোদিনেই হেমাহি কৰা নাছিলো যদিও মই কিমান খিনি কৰিব পাৰিব পাৰিলো, সেইটো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্য। এটা কথা অপ্ৰিয় হ'লেও সত্য যে আমাৰ মহাবিদ্যালয়ত এটা আচুতীয়া ছাত্ৰী জিৰণী কোঠা নাই। সেই হেতুকে ছাত্ৰী সকলে নানান অসুবিধাৰ সন্মুখিন হোৱাৰ উপৰিও অবাবতে সময় নষ্ট কৰিব লগা হয়। ইয়াৰ মূল কাৰণ হ'ল ছাত্ৰী জিৰণী কোঠাৰ দুৰ্ব্বল পুঁজি। তাৰোপৰি প্ৰাক্তন সম্পাদিকাৰ পৰা তেনেই কম সামগ্ৰী পাইছিলো আৰু পোৱাখিনিও আছিল ব্যৱহাৰৰ অনুপযোগী। সেইবাবে সকলো খিনি খেলাৰ সংখ্যক সামগ্ৰী পুনৰ কিনিব লগীয়া হৈছিল। এই অসুবিধাবোৰ দূৰ কৰিবৰ বাবে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত বিনম্ৰ অনুৰোধ জনাইছিলো। কিন্তু বৰ্তমানলৈকে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ছাত্ৰী জিৰণী কোঠাৰ সন্দৰ্ভত কোনো ব্যৱস্থা হাতত লোৱা নাই, যদিও অৱশ্যেই কিছু আশ্বাস বাণী পাওঁ।

মোৰ কাৰ্য্যকালতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত হিতেশ্বৰ শইকীয়া দেৱে আমাৰ মহাবিদ্যালয়ত পদাৰ্পণ কৰি মহাবিদ্যালয় খনিৰ বিভিন্ন বিভাগলৈ অনুদান আগবঢ়োৱাৰ লগতে ছাত্ৰী জিৰণী কোঠাৰ

# ১৯৯৩-৯৪ চনৰ ঢকুৱাখনা মহাবিদ্যালয় সপ্তাহৰ বিভাগীয় প্ৰতিযোগিতাৰ ফলাফল ঃ—

## ॥ সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ॥

১। প্ৰবন্ধ ৰচনা প্ৰতিযোগিতা :

প্ৰবন্ধৰ বিষয়— অসমত যুৱ উশৃংখলতাৰ কাৰণ আৰু সমাধানৰ উপায়

১ম স্থান —জয়ন্ত মাধৱ বৰুৱা

২য় ,, —শ্ৰীমতী পলী বুঢ়াগোঁহাঞি

৩য় ,, —শ্ৰীশিখাবাণী গগৈ

২। গল্প প্ৰতিযোগিতা (স্ব-ৰচিত চুটি গল্প)

১ম স্থান —শ্ৰীজয়ন্ত মাধৱ বৰুৱা

২য় ,, —শ্ৰীমতী ইন্দ্ৰাণী বৰুৱা

৩য় { শ্ৰীমোহন লাগাচু<br>শ্ৰীবলোৰাম টাইড

৩। কবিতা লিখা প্ৰতিযোগিতা

১ম শ্ৰীফনীন্দ্ৰ কুমাৰ গগৈ

২য় শ্ৰীজিতু কুমাৰ চমুৱা

৩য় শ্ৰীজয়ন্ত মাধৱ বৰুৱা

৪। ৰম্য ৰচনা প্ৰতিযোগিতা

১ম শ্ৰীজিতু কুমাৰ চমুৱা

২য় শ্ৰীশিখাবাণী গগৈ

৩য় শ্ৰীজয়ন্ত মাধৱ বৰুৱা

৫। কবিতা আবৃত্তি (অসমীয়া)

১ম শ্ৰীহেমেন বুঢ়াগোঁহাঞি

২য় { শ্ৰীমতী মীনাক্ষী গগৈ<br>শ্ৰীমতী অপৰূপা বৰুৱা

৩য় শ্ৰীমোহন লাগাচু

৬। কবিতা আবৃত্তি (ইংৰাজী)

১ম শ্ৰীমতী মনালিচা গগৈ

২য় শ্ৰীজয়ন্ত মাধৱ বৰুৱা

৩য় { শ্ৰীমতী বাণী বৰুৱা<br>শ্ৰীমতী অপৰূপা ,,

৭। হিন্দী কবিতা আবৃত্তি

১ম শ্ৰীমতী ইন্দ্ৰাণী বৰুৱা

২য় ,, ৰাজু বাণী ,,

৩য় ,, মানসী গগৈ

৮। কবিতা আবৃত্তি (বাংলা)

১ম শ্ৰীমতী জ্যোৎস্না দে

২য় ,, মানসী গগৈ

৩য় শ্ৰীজয়ন্ত মাধৱ বৰুৱা

বচৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগি

শ্ৰীজয়ন্ত মাধৱ বৰুৱা

## ক্ৰীয়া বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল

১। ১০০ মিটাৰ দৌৰ (ল'ৰা)

প্ৰথম—শ্ৰীঅদিত মানিকীয়াল

দ্বিতীয়— ,, মহেন্দ্ৰ দুৱৰা

তৃতীয়— ,, মৃদুল বৰুৱা

১০০ মিটাৰ দৌৰ (ছোৱালীৰ)

১ম স্থান { শ্ৰীমতী কণী গগৈ
শ্ৰীৰূপালী গগৈ

২য় ,,— ,, দীপা কোঁৱৰ

৩য় ,,— ,, মাজনী ছুৱৰা

২ ২০০ মিটাৰ দৌৰ (ল'ৰা)

১ম স্থান—শ্ৰীভূপেন শইকীয়া

২য় ,,— ,, জিতেন বৰুৱা

৩য় ,,— ,, ফিৰোজ পেগু

২০০ মিটাৰ দৌৰ (ছোৱালীৰ)

১ম স্থান—শ্ৰীমতী মাজনী ছুৱৰা

২য় ,,— ,, দীপা কোঁৱৰ

৩য় ,,—,, কণী গগৈ

৩। ৪০০ মিটাৰ দৌৰ (ল'ৰা)

১ম স্থান —অদিত মানিকীয়াল

২য় ,,—,, মহেন্দ্ৰ ছুৱৰা

৩য় ,,—বিপিন ৰাজখোৱা

৪০০ মিটাৰ দৌৰ (ছোৱালী)

১ম স্থান শ্ৰীমতী মাজনী ছুৱৰা

২য় ,, বৰ্ণালী বৰপাত্ৰগোঁহাই

তৃতীয় বিবেচিত নহ'ল।

৪। ৮০০ মিটাৰ দৌৰ (ল'ৰা)

১ম স্থান—শ্ৰীবিপিন ৰাজখোৱা

২য় ,, ,, বিজয় চেতিয়া

৩য় ,, ,, মহেন্দ্ৰ ছুৱৰা

৮০০ মিটাৰ দৌৰ (ছোৱালী)

১ম শ্ৰীমতী মাজনী ছুৱৰা

২য় ,, মন্দিৰা কোঁৱৰ

৩য় ,, বিদ্যা বৰগোঁহাই

৫। ১৬০০ মিটাৰ দৌৰ (ল'ৰা)

১ম স্থান শ্ৰীবিপিন ৰাজখোৱা

২য় ,, ,, কুশল বৰুৱা

৩য় ,, ,, ভূপেন শইকীয়া

৪ৰ্থ ,, ,, মহেন্দ্ৰ ছুৱৰা

৫ম ,, ,, হৰিপ্ৰসাদ চুতিয়া

৬ষ্ঠ ,, ,, অদিত মানিকীয়াল

৬। ওখ জাপ (ল'ৰা)

১ম শ্ৰীদম্বৰোধৰ শইকীয়া

২য় ,, মহেন্দ্ৰ ছুৱৰা

৩য় ,, মনোজ ফুকন

ওখ জাপ (ছোৱালী)

১ম শ্ৰীমতী দীপা কোঁৱৰ

২য় ,, মায়া পেগু

৩য় ,, মন্দিৰা কোঁৱৰ

৭। দীঘল জাপ (ল'ৰা)

১ম শ্ৰীবিজয় চেতিয়া

২য় ,, ভূপেন শইকীয়া

৩য় ,, মৃদুল বৰুৱা

৭। দীঘল জাপ (ছোৱালী)

১ম শ্ৰীমতী মন্দিৰা কোঁৱৰ

২য় ,, মালবিকা ,,

৩য় { ,, দীপা ,,
,, মাজনী ছুৱৰা

৮। পোল ভল্‌ট (ল'ৰা)

১ম শ্ৰীমহেন্দ্ৰ ছুৱৰা

দ্বিতীয় আৰু তৃতীয় বিবেচিত নহ'ল।

৯। ডিচ্‌কাচ্‌ দলিওৱা (ল'ৰা)

১ম শ্ৰীমনোজ সোনোৱাল

দ্বিতীয় আৰু তৃতীয় বিবেচিত নহ'ল।

৯। ডিচ্‌কাচ্‌ দলিওৱা (ছোৱালী)

১ম শ্ৰীমতী মালবিকা কোঁৱৰ

২য় ,, প্ৰীতি গগৈ।

তৃতীয় বিবেচিত নহ'ল।

১০। খট্ ফুট দলিওৱা (ল'ৰা)
১ম শ্ৰীভূপেন শইকীয়া
২ ,, মনোজ সোনোৱাল
৩য় ,, লক্ষীনাথ পেগু
খট্ ফুট দলিওৱা (ছোৱালী)
১ম শ্ৰীমতী টুটুমণি গগৈ।
২য় ,, মন্দিৰা কোঁৱৰ
৩য় ,, লক্ষ্যতাৰা দত্ত
১১। জেভেলিন দলিওৱা (ল'ৰা)
১ম শ্ৰীমহেন্দ্ৰ ছুৰবা
২য় ,, বিজয় চেতিয়া
৩য় ,, মনোজ সোনোৱাল
জেভেলিন দলিওৱা (ছোৱালী)
১য় শ্ৰীমতী মালবিকা কোঁৱৰ
১২। মাৰাথান দৌৰ
১ম স্থান শ্ৰীবিপিন ৰাজখোৱা
২য় ,, শ্ৰীমুকুল দত্ত
৩য় ,, শ্ৰীফিৰোজ পেগু
বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ
ক) শ্ৰীমহেন্দ্ৰ ছুৰবা
,, শ্ৰেষ্ঠ দৌৰবীৰ (ল'ৰা)
খ) শ্ৰীবিপিন ৰাজখোৱা
,, শ্ৰেষ্ঠ দৌৰ বীৰ (ছোৱালী)
গ) শ্ৰীমতী মাজনী ছুৰবা
বছৰৰ শ্ৰেষ্ঠ ভলিবল দল
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক (কলা)

## সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফল ঃ-

১। একক অভিনয় প্ৰতিযোগিতা
১ম শ্ৰীপবিত্ৰ সোনোৱাল
২য় ,, বিভা দত্ত
৩য় ,, সুবিত্ৰ শইকীয়া



২। কৌতুক অভিনয়
১ম শ্ৰী[illegible]
২য় [illegible] শইকীয়া
৩য় { শ্ৰী[illegible] বৰগোহাঁই / শ্ৰী[illegible] গগৈ }
৩। [illegible] প্ৰতিযোগিতা
১ম শ্ৰী[illegible] মণি গগৈ
২য় { শ্ৰী[illegible] / [illegible] বৰগোহাঁই }
৩য় শ্ৰী[illegible]
৪। [illegible] প্ৰতিযোগিতা
শ্ৰীমতী পাৰুল মণি পাঞ্চাং
২য় ,, মুকুল মণি পাঞ্চাং
৩য় ,, দীপক দাস
৫। লোকগীত প্ৰতিযোগিতা
১ম শ্ৰীতুলুমণি শইকীয়া
২য় ,, মুকুল মণি পাঞ্চাং
৩য় ,, ইন্দিৰা কোঁৱৰ
৬। বনগীত প্ৰতিযোগিতা
১ম শ্ৰীনৱজ্যোতি বৰা
২য় ,, দীপক দাস
৩য় ,, মুকুল মণি পাঞ্চাং
৭। আঞ্চলিকতম
১ম শ্ৰীমতী পাৰুল মণি পাঞ্চাং
২য় ,, মুকুলমণি পাঞ্চাং
৩য় ,, দীপিকা সন্দিকৈ
৮। বিহুগীত প্ৰতিযোগিতা
১ম শ্ৰীমতী ৰুনু কামান
২য় ,, বৰ্ণালী বৰগোহাঁই
৩য় ,, মৃদুল বৰুৱা
৯। ভজন প্ৰতিযোগিতা
১ম শ্ৰীমতী মুকুল মণি পাঞ্চাং
২য় ,, পাৰুল ,, ,,
৩য় ,, দিতী মণি গগৈ

১০। আধুনিক গীত
১ম শ্ৰীমতী মুকুল মণি পাঞ্চাং
২য় ,, পাৰুল ,, ,,
৩য় ,, ইন্দিৰা কোঁৱৰ
১১। বাভা সংগীত প্ৰতিযোগিতা
১ম শ্ৰীমতী মুকুল মণি পাঞ্চাং
২য় ,, পাৰুল ,, ,,
৩য় { শ্ৰীদীপক দাস / শ্ৰীভাস্কৰ গগৈ }
১২। পাৰ্বতী প্ৰসাদ সংগীত প্ৰতিযোগিতা
১ম শ্ৰীমতী দিতি মণি গগৈ
২য় ,, ,, মুকুল ,, পাঞ্চাং
৩য় ,, ,, ইন্দিৰা কোঁৱৰ
১৩। ঢোল বাদন প্ৰতিযোগিতা
১ম শ্ৰীযতীন দাস
২য় ,, জয়ন্ত গগৈ
৩য় ,, নিলোৎপল দেৱ গোস্বামী
১৪। বিহু নৃত্য প্ৰতিযোগিতা
১ম শ্ৰীমতী মৃদুলা বৰুৱা
২য় { শ্ৰীপবিত্ৰ সোনোৱাল / শ্ৰীমতী ৰূপালী দেৱী }
৩য় { শ্ৰীমতী ৰুনু কামান / শ্ৰীমতী প্ৰীতি গগৈ }
১৫। জ্যোতি সংগীত প্ৰতিযোগিতা
১ম শ্ৰীমতী পাৰুল মণি পাঞ্চাং
২য় শ্ৰীদীপক দাস
৩য় শ্ৰীমতী ইন্দিৰা কোঁৱৰ
নাটক প্ৰতিযোগিতা
শ্ৰেষ্ঠ অভিনেতা ঃ—
শ্ৰীহেমেন বুঢ়াগোহাঁঞি
শ্ৰেষ্ঠ অভিনেত্ৰী ঃ—
শ্ৰীমতী বিভা দত্ত

১০। আধুনিক গীত

১ম শ্ৰীমতী মুকুল মণি পাঞ্চাং

২য় ,, পাৰুল ,, ,,

৩য় ,, ইন্দিৰা কোঁৱৰ

১১। বাৰ্‌গা সংগীত প্ৰতিযোগিতা

১ম শ্ৰীমতী মুকুল মণি পাঞ্চাং

২য় ,, পাৰুল ,, ,,

৩য় শ্ৰীদীপক দাস / শ্ৰীভাস্কৰ গগৈ

১২। পাৰ্বতী প্ৰসাদ সংগীত প্ৰতিযোগিতা

১ম শ্ৰীমতী দিতি মণি গগৈ

২য় ,, ,, মুকুল ,, পাঞ্চাং

৩য় ,, ,, ইন্দিৰা কোঁৱৰ

১৩। ঢোল বাদন প্ৰতিযোগিতা

১ম শ্ৰীযতীন দাস

২য় ,, জয়ন্ত গগৈ

৩য় ,, নিলোৎপল দেৱ গোস্বামী

১৪। বিহু নৃত্য প্ৰতিযোগিতা

১ম শ্ৰীমতী মৃদুলা বৰুৱা

২য় শ্ৰীপবিত্ৰ সোনোৱাল / শ্ৰীমতী ৰূপালী দেৱী

৩য় শ্ৰীমতী কম্বু কামান / শ্ৰীমতী প্ৰীতি গগৈ

১৫। জ্যোতি সংগীত প্ৰতিযোগিতা

১ম শ্ৰীমতী পাৰুল মণি পাঞ্চাং

২য় শ্ৰীদীপক দাস

৩য় শ্ৰীমতী ইন্দিৰা কোঁৱৰ

নাটক প্ৰতিযোগিতা

শ্ৰেষ্ঠ অভিনেতা :—

শ্ৰীহেমেন বুঢ়াগোহাঁঞি

শ্ৰেষ্ঠ অভিনেত্ৰী :—

শ্ৰীমতী বিভা দত্ত

বছৰৰ শ্ৰেষ্ঠ গায়ক :—

শ্ৰীদীপক দাস

বছৰৰ শ্ৰেষ্ঠ গায়িকা :—

শ্ৰীমতী মুকুল মণি পাঞ্চাং

## ছাত্ৰ জিৰণী কোঠা প্ৰতিযোগিতাৰ ফলাফল

১। কেৰম প্ৰতিযোগিতা (একক)

১ম শ্ৰীৰঞ্জিত বৰুৱা

২য় ,, তৰুণ গগৈ

২। কেৰম (দ্বৈত)

১ম শ্ৰীপ্ৰশান্ত চুতিয়া / শ্ৰীসঞ্জীৱ বৰুৱা

২য় শ্ৰীজ্যোতি কোঁৱৰ / শ্ৰীমহেন্দ্ৰ কোঁৱৰ

৩। ডবা প্ৰতিযোগিতা

১ম শ্ৰীপ্ৰবীণ পাতিৰ

২য় ,, স্বতন্ত্ৰ মিশ্ৰ

৪। টেবুল টেনিচ্ (একক)

১ম শ্ৰীডেভিদ গগৈ

২য় ,, নিৰ্মল গগৈ

৫। টেবুল টেনিচ্ (দ্বৈত)

১ম শ্ৰীডেভিদ গগৈ / শ্ৰীনিৰ্মল গগৈ

ৰানাৰ্চ আপ শ্ৰীৰঞ্জীত বৰুৱা / শ্ৰীমৃদুল কোঁৱৰ

৬। বেডমিণ্টন (একক)

১ম শ্ৰীৰাজা ধিৰাজ গগৈ

ৰাৰ্ণাচ আপ : শ্ৰীখগেশ্বৰ চেতিয়া

৭। বেডমিণ্টন (দ্বৈত)

১ম শ্ৰীঅভিনাশ ভৰালী / শ্ৰীদীপৰঞ্জন সন্দিকৈ

বাৰ্ণাচ আপ { শ্ৰীদিলীপ দিহিঙ্গীয়া
শ্ৰীৰাকেশ চেতিয়া }

বছৰৰ শ্ৰেষ্ঠ লঘু ক্ৰীয়াবিদ বিবেচিত নহ'ল।

## ছাত্ৰী জিৰণী কোঠা প্ৰতিযোগিতাৰ ফলাফল

১। কেৰম (একক)
চেম্পিয়ন শ্ৰীমতী ৰূপৰেখা কোঁৱৰ
বাৰ্ণাচ আপ „ স্বপ্নালী কোঁৱৰ
কেৰম (দ্বৈত)
চেম্পিয়ন { শ্ৰীৰূপৰেখা কোঁৱৰ
শ্ৰীস্বপ্নালী কোঁৱৰ }
বাৰ্ণাচ আপ { শ্ৰীদীপ পাটৰ
শ্ৰীপুৰবী উপাধ্যায় }

২। বেডমিণ্টন (একক)
চেম্পিয়ন শ্ৰীমতী সাধনা শৰ্মা
বাৰ্ণাচ আপ „ দীপশিখা সন্দিকৈ
বেডমিণ্টন (দ্বৈত)
চেম্পিয়ন { শ্ৰীমতী দীপশিখা সন্দিকৈ
শ্ৰীমতী জ্যোৎস্না গগৈ }
বাৰ্ণাচ আপ { শ্ৰীমতী দিতি মনি গগৈ
শ্ৰীমতী বিংকু বৰুৱা }

৩। টেনিচ (একক)
চেম্পিয়ন শ্ৰীমতী অপৰূপা বৰুৱা
বাৰ্ণাচ আপ „ দীপশিখা সন্দিকৈ
টেনিচ (দ্বৈত)
অনুষ্ঠিত নহ'ল।

৪। সিং (একক)
চেম্পিয়ন শ্ৰীমতী অমিয়া গগৈ
বাৰ্ণাচ আপ „ দীপশিখা সন্দিকৈ
সিং (দ্বৈত)
চেম্পিয়ন { শ্ৰীমতী দীপিকা বৰগোঁহাই
শ্ৰীমতী ৰূপালী গগৈ }
বাৰ্ণাচ আপ { শ্ৰীমতী ফুলি চাংমাই
শ্ৰীমতী মানসী গগৈ }



[illegible]

## ॥ [illegible] প্ৰতিযোগিতাৰ [illegible]

[illegible] (Weight lifting) ল'ৰাৰ [illegible]
[illegible]
গুৰু শাখা :
১ম স্থান শ্ৰীহেম বৰুৱা
২য় „ নৰজ্যোতি কোঁৱৰ
৩য় „ দিগন্ত গগৈ
ভাৰ উত্তোলন (ছোৱালীৰ)
লঘু শাখা :
১ম স্থান শ্ৰীমতী দীপা কোঁৱৰ
২য় „ প্ৰীতি গগৈ
৩য় স্থান { শ্ৰীলক্ষহীৰা দত্ত
শ্ৰীমাজনী দুৱৰা }
গুৰু শাখা :
১ম শ্ৰীমতী টুটু মণি গগৈ
২য় বিবেচিত নহ'ল
৩য় বিবেচিত নহ'ল

২। শক্তি উত্তোলন (Power lifting) ল'ৰাৰ
লঘু শাখা :
১ম শ্ৰীমানস জ্যোতি নেওঁগ
২য় „ দীপক দুৱৰা
৩য় „ ভুপেন শইকীয়া

গুৰু শাখা : (ক)
১ম শ্ৰীহেম বৰুৱা
২য় „ মনোজ সোনোৱাল
৩য় „ নৰজ্যোতি কোঁৱৰ
গুৰু শাখা : (খ) ৮০ কি.গ্ৰা.ৰ ওপৰ (Above 80 k. g.
১ম শ্ৰীপবিত্ৰ টাইড
২য়, ৩য় } বিবেচিত নহ'ল।

শক্তি উত্তোলন (ছোৱালী)
লঘু শাখা :
১ম শ্ৰীমতী মালবিকা কোঁৱৰ
২য় „ দীপা „
৩য় „ লক্ষহীৰা দত্ত
গুৰু শাখা :
১ম শ্ৰীমতি তুতুমণি গগৈ
২য় „ অম্বিকা কামান।
৩য় বিবেচিত নহ'ল

৩। (Strength lifting)
লঘু শাখা : (লৰাৰ)
১ম শ্ৰীদীপক দুৱৰা
২য় „ মুনিন্দ্ৰ দত্ত
গুৰু শাখা : (ক)
১ম শ্ৰীহেম বৰুৱা
২য় „ নৰজ্যোতি কোঁৱৰ
৩য় বিবেচিত নহ'ল
গুৰু শাখা : (খ) Above 80 k. g
১ম : শ্ৰীপবিত্ৰ টাইড
২য় বিবেচিত নহ'ল
৩য় বিবেচিত নহ'ল

৪। পাঞ্জা (Arm wrestling) ল'ৰা :
(ক) শাখা :
১ম শ্ৰী দীপক দুৱৰা

গুৰু শাখা : (ক)
১ম শ্ৰীহেম বৰুৱা
২য় „ মনোজ সোনোৱাল
৩য় „ নৱজ্যোতি কোঁৱৰ
গুৰু শাখা : (খ) ৮০ কি.গ্ৰা.ৰ ওপৰ (Above 80 k. g.)
১ম শ্ৰীপবিত্ৰ টাইড
২য় } বিবেচিত নহ'ল।
৩য় }
শক্তি উত্তোলন (ছোৱালী)
লঘু শাখা :
১ম শ্ৰীমতী মালবিকা কোঁৱৰ
২য় „ দীপা „
৩য় „ লক্ষহীৰা দত্ত
গুৰু শাখা :
১ম শ্ৰীমতি তুতুমণি গগৈ
২য় „ অম্বিকা কামান।
৩য় বিবেচিত নহ'ল
৩। (Strength lifting)
লঘু শাখা : (লৰাৰ)
১ম শ্ৰীদীপক ভূৰৰা
২য় „ মুনিন্দ্ৰ দত্ত
গুৰু শাখা : (ক)
১ম শ্ৰীহেম বৰুৱা
২য় „ নৱজ্যোতি কোঁৱৰ
৩য় বিবেচিত নহ'ল
গুৰু শাখা : (খ) Above 80 k. g
১ম : শ্ৰীপবিত্ৰ টাইড
২য় বিবেচিত নহ'ল
৩য় বিবেচিত নহ'ল
৪। পাঞ্জা (Arm wrestling) ল'ৰা :
(ক) শাখা :
১ম শ্ৰী দীপক ভূৰৰা
২য় „ যতীন দাস
৩য় „ দিপু চাংমাই
(খ) শাখা :
১ম শ্ৰীহেমে বৰুৱা
২য় „ কৃষ্ণ কুমাৰ খনিকৰ
৩য় „ বিদ্যুৎ কুমাৰ চুতিয়া
(গ) শাখা :
১ম শ্ৰীচিত্ৰ শইকীয়া
২য় „ সত্য বৰুৱা
৩য় „ জিতেন কোঁৱৰ
পাঞ্জা ছোৱালী
(ক) শাখা :
১ম শ্ৰীমতী দীপা কোঁৱৰ
২য় শ্ৰীমতী মাজনী ভূৰৰা
৩য় শ্ৰীমতী ফুলি চাংমাই
(খ) শাখা :
১ম শ্ৰীমতী লক্ষ্যহীৰা দত্ত
২য় „ জুলি গগৈ
৩য় „ দিতি মণি „
গ (শাখা) :
১ম শ্ৰীমতী টুটু মণি গগৈ
২য় „ অম্বিকা কামান
৩য় „ পৰশমণি কোঁৱৰ
৫। যোগাসন (ল'ৰা) :
১ম শ্ৰীজয়ন্ত দত্ত
২য় „ নৱজ্যোতি কোঁৱৰ
৩য় { শ্ৰীমহেন্দ্ৰ ভূৰৰা
{ শ্ৰীযতীন দাস
৬। দেহশ্ৰী প্ৰতিযোগিতা (Body Building)
১ম শ্ৰীদীপক ভূৰৰা
২য় „ মানস জ্যোতি নেওঁগ
৩য় „ নৱজ্যোতি কোঁৱৰ

১৯৯৩-৯৪ চনৰ প্ৰতিযোগিতা সকল :

মি. ঢকুৱাখনা কলেজ (Mr. D. K. C. Super Man of D. K. C. 1993-94)

শ্ৰীদীপক চুৰবা

বছৰৰ শ্ৰেষ্ঠ লৌহ মানৱ (Iron man of D.K.C. '93-94)

শ্ৰীমানস জ্যোতি নেওগ

বছৰৰ শ্ৰেষ্ঠ শক্তিমান পুৰুষ আৰু শ্ৰেষ্ঠ পাঞ্জা প্ৰতিযোগি (Strong man and best Armwrestlar)

শ্ৰীহেম বৰুৱা

বছৰৰ শ্ৰেষ্ঠ পাঞ্জা প্ৰতিযোগি (ছোৱালী)

শ্ৰীমতী টুটু মণি গগৈ

## তৰ্ক আৰু আলোচনা শাখাৰ প্ৰতিযোগিতাৰ ফলাফল

(ক) তৰ্ক প্ৰতিযোগিতা

বিষয় : সদনৰ মতে, বৰ্তমান অসমৰ গোষ্ঠী আন্দোলনে অসমীয়া জাতি সত্তা বিনষ্ট কৰা নাই।"

১ম শ্ৰীমতী মিনাক্ষী গগৈ।

২য় শ্ৰীজয়ন্ত মাধৱ বৰুৱা।

২য় { শ্ৰী[illegible]
     শ্ৰী[illegible] গগৈ

(খ) [illegible] :

১ম [illegible]

২য় শ্ৰী[illegible] [illegible] বৰুৱা

৩য় { শ্ৰী[illegible]
     শ্ৰী[illegible] গগৈ

(গ) [illegible]

১ম শ্ৰেষ্ঠ দল :

১। শ্ৰী[illegible] [illegible] বৰুৱা

২। শ্ৰী[illegible] বৰুৱা

৩। শ্ৰী[illegible] [illegible]

৪। শ্ৰী[illegible] কুমাৰ চয়ুৱা

২য় শ্ৰেষ্ঠ দল :

১। শ্ৰীচন্দন কুমাৰ গেওগ

২। শ্ৰীমতী [illegible] বড়া

৩। শ্ৰীমানসী গগৈ

৪। শ্ৰীমুক্তা বৰুৱা



ছপা ঃ বাণীপ্ৰকাশ মুদ্ৰণী, ৫ উদ্যোগ পাম, বামুণীমৈদাম গুৱাহাটী—২১, ফোন ৫৫০০৫৩/৫৫১৩২৫